# পাতিদৰং মহাবিদ্যালয় আলোচনী

## শিক্ষাবৰ্ষ-২০১৪-২০১৫ খ্ৰীষ্টাব্দ

### পঞ্চবিংশতিতম্ সংখ্যা




ধীৰাজ তালুকদাৰ
তত্ত্বাৱধায়ক

জিতু ডেকা
সম্পাদক



**Giridhar Sarma**
**Asst.Prof. Philosophy**



**Rani Deka**
**Asst.Prof. Education**



**Saraju Kalita**
**Asst.Prof. History**



**Tapan kr. Sarma**
**Asst.Prof. Assamese**



**Md. Abdul Rashid**
**Asst.Prof. Pol. Science**



**Inamul H. Choudhary**
**Asst.Prof. Economics**

**Paramesh Dutta**
**Asst.Prof. English**



**Dhiraj Talukdar**
**Asst.Prof. History**



**Syed. Jowena Dewan**
**Asst.Prof. Philosophy**



**Manju Lahari**
**Asst.Prof. Bodo**

**Minakshi Sarma**
**Asst.Prof. Education**



**Md. Mukutar Rahman**
**Asst.Prof. English**



**Rashna Kalita**
**Asst.Prof. English**



**Kalpana Basumatary**
**Asst.Prof. Bodo**

**Md. Nizamuddin Ahmed**
**Asst.Prof. Arabic**



**Kamana Devi**
**Asst.Prof. Geography**



**Dr. Banalata Kalita**
**Asst.Prof. Assamese**



**Sangita Baishya**
**Asst.Prof. Assamese**



**Md. Baharul Islam**
**Asst.Prof. Arabic**



**Mukul Bezbaruah**
**Asst.Prof. Pol. Science**



**Dipak kr. Baro**
**Asst.Prof. Philosophy**



**Dulal Ch. Sarmah**
**Asst.Prof. Assamese**

**Daibya Shakti Deka**
**Asst.Prof. History**



**Rekha Rani Saikia**
**Librarian**

# Teaching Staff and Librarian of the Patidarrang College- 2014-2015

# পাতিদৰং মহাবিদ্যালয় আলোচনী

শিক্ষাবৰ্ষ ঃ ২০১৪-২০১৫ খ্ৰীষ্টাব্দ

পাতিদৰং মহাবিদ্যালয় আলোচনীৰ পঞ্চবিংশতিতম এই সংখ্যাটি

*মাননীয় / মাননীয়া* পাতিদৰং মহাবিদ্যালয়

*লৈ মৰম / শ্ৰদ্ধাৰে আগবঢ়ালোঁ ।*

ধীৰাজ তালুকদাৰ
তত্বাৱধায়ক

জিতু ডেকা
সম্পাদক

## পঞ্চবিংশতিতম সংখ্যা

ধীৰাজ তালুকদাৰ
তত্ত্বাৱধায়ক

জিতু ডেকা
সম্পাদক

[redacted] ডাক ঃ লোচ, ডাক সূচাংক-৭৮১৩৮১ [redacted]
জিলা ঃ কামৰূপ (অসম)
ই-মেইল ঃ patidarrangcollage031@gmail.com

*PATIDARRANG MAHAVIDYALAYA ALOCHANI* - *2014-2015, the annual mouthpiece of the Patidarrang College, P.O. Loch, District - Kamrup, Assam, edited by Dhiraj Talukdar, Asst. Professor, History Deptt. & Proff- in-charge and Jitu Deka, Magazine Secretary and published by Shriyam Borkakoti, Principal i/c of the College & President, Patidarrang College Students' Union and Printed at Deka & Deka Printing Press. Rajgarh Road, Guwahati-3*


## সম্পাদনাৰ নেপথ্যত

| | | |
|---|---|---|
| সভাপতি | ঃ | শ্ৰীয়ম বৰকাকতি |
| তত্ত্বাৱধায়ক | ঃ | ধীৰাজ তালুকদাৰ |
| সম্পাদক | ঃ | জিতু ডেকা |
| শিক্ষক সদস্য / সদস্যা | ঃ | সৰযু কলিতা<br>মুকুটৰ ৰহমান |
| ছাত্ৰ সদস্য / সদস্যা | ঃ | অৰূপ ডেকা<br>বৰ্ণালী দাস |
| বেটুপাতৰ পৰিকল্পনা | ঃ | ধীৰাজ তালুকদাৰ<br>মুকুটৰ ৰহমান<br>জিতু ডেকা |
| অংগ সজ্জা | ঃ | সম্পাদনা সমিতি |
| আলোক চিত্ৰ | ঃ | মনোজ পাটোৱাৰী |
| মুদ্ৰণ | ঃ | ডেকা এণ্ড ডেকা<br>প্ৰিণ্টিং প্ৰেছ<br>ৰাজগড় ৰোড, গুৱাহাটী-৩ |

## মহাবিদ্যালয় প্ৰতীকৰ তাৎপৰ্য

*প্ৰতীকটোৰ ওপৰত থকা বন্তিগছিয়ে জ্ঞানৰ পোহৰ বিলাইছে। কেন্দ্ৰস্থলত দৃশ্যমান কিতাপখনে জ্ঞানৰ ভাণ্ডাৰৰ তাৎপৰ্য বহন কৰিছে। তলত খোদিত ১৯৮৯ ৰাশিটোৱে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা বৰ্ষক বুজাইছে। একেবাৰে তলত থকা নামটোৱে মহাবিদ্যালয়খনক স্থানংকিত কৰিছে।*

## বেটুপাতৰ তাৎপৰ্য




*এন্ধাৰ আতৰাই পোহৰ বিলোৱাৰ নিছিনাকৈ গ্ৰন্থখনেও বিশ্বত জ্ঞানৰ সন্ধান দিয়াৰ তাৎপৰ্য বহন কৰিছে।*

# শ্ৰদ্ধাঞ্জলি

যিসকল মহান ব্যক্তি পাতিদৰং
মহাবিদ্যালয়ৰ লগত জড়িত হৈ আমাৰ
মাজৰ পৰা হেৰাই গৈছে, স্বাধীনতা
সংগ্ৰামীৰ লগতে যিসকলে
নিৰৱচ্ছিন্নভাৱে লাগি সমাজৰ উন্নতিৰ
লগতে অসমীয়া সাহিত্য, কলা-সংস্কৃতি,
বিজ্ঞান-প্ৰযুক্তি বিদ্যা ইত্যাদি ক্ষেত্ৰলৈ
অনবদ্য বৰঙণিৰে ভঁড়াল চহকী কৰি থৈ
গৈছে সেইসকলৰ পৱিত্ৰ সোঁৱৰণত
শ্ৰদ্ধাঞ্জলি নিৱেদিছোঁ।

—সম্পাদনা সমিতি

# উচৰ্গা



পাতিদৰং মহাবিদ্যালয় আলোচনীৰ এই সংখ্যাটি প্ৰাক্তন ৰাষ্ট্ৰপতি 'মিছাইল মেন' বুলি পৰিচিত স্বৰ্গীয় ড০ এ পি জে আব্দুল কালামদেৱৰ নামত উচৰ্গা কৰা হ'ল।

—সম্পাদনা সমিতি

# জিজ্ঞাসা



পাতিদৰং মহাবিদ্যালয়ৰ দৰে উত্তৰ- পূব কামৰূপৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান এখনৰ অধ্যক্ষাৰ দায়িত্বভাৰ লৈ নিজকে গৰ্ব অনুভৱ কৰিছো। এই ছেগতে মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰে পৰা জড়িত যিসকল মহামানৱে এই পৃথিৱীৰ পৰা চিৰ বিদায় মাগিলে সেইসকল চিৰনমস্য ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। সেইসকল ব্যক্তিক ধন্যবাদ জনাইছো যিসকলে মোক এনে গভীৰ দায়িত্ব অৰ্পণ কৰিছে আৰু যিসকল শুভাকাংক্ষীয়ে এতিয়াও আমাৰ মহাবিদ্যালয়ৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আমাক দিহা-পৰামৰ্শ দি আহিছে সেইসকললৈয়ো মোৰ শ্ৰদ্ধা নিবেদিছো। একেটা চৌহদতে অৱস্থিত পাতিদৰং মহাবিদ্যালয় (কনিষ্ঠ)ৰ সমূহ শিক্ষক-কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকললৈয়ো মোৰ আন্তৰিক অভিনন্দন আৰু মৰম যাচিছো। লগতে আমাৰ মহাবিদ্যালয়ত কৰ্মৰত প্ৰতিজন শিক্ষক-কৰ্মচাৰী আৰু মৰমৰ ছাত্ৰ-ছাত্ৰীসকলক মোৰ অন্তৰিক অভিনন্দন আৰু মৰম যাচিছো।

মহাব্যািলয়ৰ আলোচনী এখন শিক্ষানুষ্ঠানখনৰ দাপোনস্বৰূপ। ই অনুষ্ঠানখনৰ শিক্ষক-কৰ্মচাৰীৰ লগতে পৰিচালনা সমিতি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তাধাৰাৰ মানদণ্ড নিৰূপক হিচাপেও স্বীকৃতি পায় প্ৰতি বছৰৰ দৰে এইবছৰো ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদকে তত্বাৱধায়ক আৰু সম্পাদনা সমিতিৰ আশাসুধীয়া চেষ্টাতে আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন ছপা কৰি ছাত্ৰ-ছাত্ৰী আৰু শুভকাংক্ষী ৰাইজৰ মাজত উলিয়াই দিবলৈ প্ৰয়াস কৰা কাৰ্যক আদৰণি জনাইছো। আশা কৰিছো তেখেতসকলৰ চেষ্টাই আমাৰ মহাবিদ্যালয়খনক আৰু এখোপ আগুৱাই লৈ যাব। সদৌ শেষত পঢ়ুৱৈ সমাজৰ পৰা আলোচনীখনৰ অনিচ্ছাকৃত ভুলৰ শুধৰণী আৰু দিহা পৰামৰ্শ বিচাৰি মোৰ লিখনিৰ সামৰণি মাৰিছো।

।। জয়তু পাতিদৰং মহাবিদ্যালয় ।।

শ্ৰীয়ম বৰকাকতি
ভাৰপ্ৰাপ্ত অধ্যক্ষা
পাতিদৰং মহাবিদ্যালয়
ইং ১০-১০-২০১৫



মহাবিদ্যালয়ৰ সহায়ক বৃন্দ




মহাবিদ্যালয়ৰ মুখ্য প্ৰাচীৰ প্ৰত্ৰিকা

# তত্ত্বাৱধায়কৰ একলম



জয় জয়তে জন্মলগ্নৰে পৰা আজিৰ এই সময়লৈকে পাতিদৰং মহাবিদ্যালয়ৰ বিকাশত যিসকল মহানুভৱ ব্যক্তিয়ে অমূল্য অৰিহণা যোগালে তেখেতসকলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ।

ইং ২০১৪-২০১৫ বৰ্ষৰ মহাবিদ্যালয় আলোচনীখনৰ গুৰু দায়িত্বভাৰ মোৰ হাতত অৰ্পণ কৰাৰ বাবে অধ্যক্ষা বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। কোনো এখন শিক্ষানুষ্ঠানৰ আলোচনীখন সেই অনুষ্ঠানখনৰ প্ৰতিচ্ছবি বুলি গণ্য কৰা হয়। কিয়নো আলোচনীখনত সেই শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ ভাৱ প্ৰকাশ পায়, তেওঁলোকৰ দ্বাৰা লিখিত লিখনি সমূহৰ জৰিয়তে।

অৰ্থনৈতিকভাৱে পিছপৰা হ'লেও মহাবিদ্যালয়খনৰ আলোচনীখন উলিওৱাৰ ক্ষেত্ৰত অধ্যক্ষা বাইদেউৱে কৃপণালী নকৰাৰ বাবে ধন্যবাদ জনাইছো। যি সকল মোৰ সহকৰ্মী তথা মৰমৰ ছাত্ৰ-ছাত্ৰীসকলে গল্প, কবিতা, প্ৰবন্ধ আদি বিভিন্ন লিখনি আগবঢ়াই আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে তেখেতসকলক মই আন্তিৰকতাৰে অভিনন্দন জনালোঁ আৰু তেওঁলোকৰ উজ্বল ভৱিষ্যত কামনা কৰিলো।

আলোচনীখনে পূৰ্ণাংগ ৰূপ পোৱাত আমাক সহায় কৰা ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক মুকুটৰ ৰহমান ডাঙৰীয়া তথা জ্ঞাত-অজ্ঞাতে সহায়-সহযোগিতা আগবঢ়োৱা সমূহ কৰ্মকৰ্তাকে মোৰ ধন্যবাদ জ্ঞাপন কৰিলো। আলোচনীখন ছপা কৰাত অনিচ্ছাকৃতভাৱে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

সদৌ শেষত আমাৰ মহাবিদ্যালযখনৰ ভৱিষ্যত উজ্জ্বল হওক, সৰ্বাংগীন বিকাশ হওঁক তাৰেই কামনা কৰিলোঁ।


**ধীৰাজ তালুকদাৰ**
তত্বাবধায়ক,
পাতিদৰং মহাবিদ্যালয় আলোচনী
ইং ২০১৪-১৫ বৰ্ষ
১০-১০-২০১৫

# সম্পাদকীয়



সম্পাদকীয় লেখনিৰ প্ৰাক্ মুহূৰ্তত পাতিদৰং মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষা প্ৰমুখ্যে মাননীয় শিক্ষাগুৰু সকলক মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো। পাতিদৰং মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা জড়িত থকা মোৰ চিৰ নমস্য জ্ঞাত-অজ্ঞাত সেই মহান সমাজসেৱী সকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। 'বাকৰণিত পদুম ফুলাই যিসকল মহানুভৱে ধৰাধামৰ পৰা বিদায় মাগিলে তেওঁলোকৰ পূণ্য স্মৃতিক শ্ৰদ্ধাৰে সুঁৱৰিছো।

সাহিত্যৰে এখনি আকাশ সজাম। সাহিত্যৰ প্ৰতি গভীৰ আস্থা আছে, মনত এটি সপোন আছিল যি সপোন লৈ গৈছিলো এখন নতুন পৃথিৱীলৈ। মনত অদম্য হেঁপাহ আছিল পাতিদৰং মহাবিদ্যালয়ত অধ্যয়ন কৰি সাহিত্যৰ বাবে কিবা এটা কৰাৰ মানুহ সামাজিক প্ৰাণী। সমাজৰ প্ৰতি আটাইয়ে দায়বদ্ধ। ব্যক্তিগত স্বাৰ্থতকৈ সমাজৰ স্বাৰ্থৰ প্ৰতি মনোনিৱেশ কৰাৰ অনুশীলন আমি ছাত্ৰ অৱস্থাৰ পৰাই কৰিব লাগিব। অধ্যয়নৰ মাজত ব্যস্ত থাকিলে চৌপাশে সমাজখনত ঘটি থকা ঘটনাৱলীৰ প্ৰতিও ছাত্ৰ সমাজ সজাগ হোৱা অতি প্ৰয়োজনীয়। দুৰ্নীতি-ভ্ৰষ্টচাৰ, ভাতৃঘাতী সংঘৰ্ষ, সন্ত্ৰাসবাদী কাৰ্যকালাপ, নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ অসহনীয় মূল্যবৃদ্ধিয়ে আমাৰ ছাত্ৰ সমাজকো গভীৰভাৱে স্পৰ্শ কৰিছে। সমাজত এই সামাজিক সমস্যাসমূহৰ সমধানকল্পে যাতে মাতিবলৈ ছাত্ৰ সমাজ আগবাঢ়ি আহিব লাগিব। ছাত্ৰ সমাজক যদি দেশৰ ভৱিষ্যৎ নাগৰিক বুলি গণ্য কৰা হয়। তেন্তে এখন নিকা সমাজ গঢ়াত ছাত্ৰ সমাজৰ এক গভীৰ দায়িত্ব আছে।

মহাবিদ্যালয়ৰ আলোচনীখন হ'ল শিক্ষানুষ্ঠানখনৰ এক জীৱন্ত প্ৰতিচ্ছবি। এই আলোচনীখনেই ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত সাহিত্য প্ৰতিভা বিকাশিত কৰাৰ মাধ্যম। মনত বহুত আশা আছিল এখন আটকধুনীয়া আলোচনী উলিওৱাৰ। হিয়া উজাৰি কাম কৰিছোঁ। নাজনো কিমান দূৰ সফল হ'লো। চেষ্টাৰ কোনো ক্ৰটি কৰা নাই। আমি আশা কৰো আমাৰ সপোনৰ মহাবিদ্যালয়খনি প্ৰকৃত মানৱ সম্পদ গঢ়াৰ প্ৰতিষ্ঠান হওক আৰু সাহিত্য সংস্কৃতিৰ ভঁড়াল চহকী কৰি বিশ্বৰ দৰবাৰত নিজৰ পৰিচয় জ্ঞাপনৰ বাবে নতুন প্ৰজন্মই সৃষ্টি কৰ্মত প্ৰবৃত্ত হওক।

এই কামনাৰে.......

*—জিতু ডেকা*

# সূচীপত্ৰ

**প্ৰবন্ধ—**


| | | |
|---|---|---|
| শিশুৰ পূৰ্ণাংগ বিকাশ— পৰিয়াল আৰু মাতৃৰ ভূমিকা | বাণী ডেকা | ৭ |
| নলিনীবালা দেৱীৰ কাব্য, প্ৰতিভা | মিছ্ ওৱাহিদা বেগম (মণি) | ১০ |


**গল্প—**


| | | |
|---|---|---|
| কৰবীৰ মালা | শ্ৰীমধুস্মিতা নাথ | ১২ |
| স্মৃতি | শ্ৰীঅৰ্পনা বৈশ্য | ১৪ |
| নিস্তব্ধ মৰম | শ্ৰীৰিমা ভড়ালী | ১৫ |
| এনেকৈয়ে ভাঙে সপোন | শ্ৰীদীপজ্যোতি দাস | ১৮ |
| দুৰ্নীতি, আমি আৰু বৰ্তমান সমাজ | শ্ৰীদীপক কুমাৰ | ১৯ |
| সঁচা প্ৰেম | শ্ৰীডিকু কলিতা | ২১ |
| ড° এ পি জে আব্দুল কালামৰ আত্মকথা | ৰিজাউল হক | ২২ |
| অমানিশাত জোনাকৰ সাধু | শ্ৰীমৰমী নাথ | ২৪ |
| সঁচা প্ৰেম | শ্ৰীপ্ৰাণজিৎ ৰাজবংশী | ২৬ |
| সভ্য সমাজত নাৰীৰ স্থান | শ্ৰীউষা বৰুৱা | ২৮ |
| আবেলিৰ ৰ'দালি | শ্ৰীচুমি নাথ | ২৯ |
| মিচাইলমেন এ পি জে আব্দুল কালাম ছাৰলৈ মোৰ অশেষ শ্ৰদ্ধাঞ্জলি | শ্ৰীহীৰক দাস | ৩১ |
| মৰহা অনুভূতি | শ্ৰীকিশোৰ তালুকদাৰ | ৩৩ |
| মা | শ্ৰীনয়ন দাস | ৩৫ |
| আমাৰ সমাজ আৰু কু-সংস্কাৰ | শ্ৰীঅনুৰূপা দাস | ৩৬ |
| সীমান্তৰ পৰা তোমালৈ | শ্ৰীকৰবি বৰা | ৩৮ |
| সপোন | শ্ৰীভাস্বতী ডেকা | ৩৯ |
| সৰ্বশ্ৰেষ্ঠ মানুহ হওঁ আহক | মঃ ৰছিদুল হক | ৪০ |
| অনুভূতিৰ জলাঙহিদি এভুমুকি | শ্ৰীৰিংকুমণি নাথ | ৪২ |
| বিজ্ঞান আৰু ধৰ্ম | শ্ৰীপ্ৰাণজিৎ কুমাৰ | ৪৪ |
| অসমীয়া শাক-পাচলি আৰু ঔষধি গণবোৰ | শ্ৰীডিম্পী ডেকা | ৪৫ |
| মহাত্মা গান্ধী আৰু অহিংসা ঃ অহিংসা কিয় কাৰ্যকৰী হয়? | শ্ৰীহিতেশ দাস | ৪৬ |
| শিল্পীৰ পৃথিৱীত ৰূপকোঁৱৰ | শ্ৰীজয়শ্ৰী ডেকা | ৪৭ |
| নীলা খামৰ চিঠি | শ্ৰীপ্ৰাঞ্জল নাথ | ৪৯ |


**কবিতা—**


| | | |
|---|---|---|
| মৃত্যু | শ্ৰীহিৰকজ্যোতি তালুকদাৰ | ৫১ |
| বিষাদৰ অভিমান | শ্ৰী প্ৰৱাল কুমাৰ ডেকা | ৫১ |
| নীৰৱতা | মিছ্ এলিনাবেগম | ৫২ |
| প্ৰেমৰ কবিতা | শ্ৰীজীৱনজ্যোতি ৰাজবংশী | ৫২ |
| সঁচামৰম | শ্ৰীচুমি ডেকা | ৫৩ |

# সূচীপত্ৰ


| | | |
|---|---|---|
| দুখ | শ্ৰীদ্বীপজ্যোতি দাস | ৫৩ |
| উজাগৰে ৰাতি | শ্ৰীচুফিতা কুমাৰ | ৫৩ |
| ফাগুণৰ পছোৱা | শ্ৰীনিশা দাস | ৫৪ |
| নবুজিলা মোৰ মনৰ কথা | শ্ৰীকল্যাণী কাকতি | ৫৪ |
| বৰষুণ | শ্ৰীৰূপজ্যোতি দাস | ৫৪ |
| তোমাৰ দৰে | শ্ৰীৰুণি নাথ | ৫৪ |
| কি? | শ্ৰী ডিকু কলিতা | ৫৫ |
| হালধীয়া জোনটো | শ্ৰীচন্দন ডেকা | ৫৫ |
| মোৰ হৃদয়ত তোমাৰ ছবি | মিছ চেলিমা বেগম | ৫৫ |
| মোৰ ফুলৰ বাগিছা | শ্ৰীযাদব পাটোৱাৰী | ৫৫ |
| স্মৃতি | শ্ৰীসুৰেণ দাস | ৫৬ |
| মা | শেইখ আছমিনা ফিড'ছ | ৫৬ |
| যত্ন কৰিলে ৰত্ন পায় | শ্ৰীদীপক কুমাৰ | ৫৭ |
| তোমাৰ প্ৰতীক্ষাত | শ্ৰী হিৰকজ্যোতি কুমাৰ | ৫৭ |
| প্ৰেম | শ্ৰী সুৰেণ দাস | ৫৭ |
| মোক শান্তি দিয়া | শ্ৰীসোণেশ্বৰ ৰাজবংশী | ৫৮ |
| পৃথিৱী | শ্ৰী ভাষ্যতি দেৱী | ৫৮ |
| মা | শ্ৰীমণিকা বৰুৱা | ৫৮ |
| The Sun | Sri Jibanjyoti Tajbongshi | ৫৯ |
| আৱেগ | মিছ চেলিমা বেগম | ৫৯ |
| আশা | অৰ্চনা দাস | ৬০ |
| Life | Miss Mina Begum | ৬০ |
| স্মৃতি | নাজমা বেগম | ৬১ |
| এই বতাহ জাকে | শ্ৰী চন্দন ডেকা | ৬১ |
| মৰমৰ অভিস্মিতা | শ্ৰী প্ৰণৱ শৰ্মা | ৬২ |
| দেউতা | শ্ৰীৰিতামণি কলিতা | ৬২ |
| তোমাক নোপোৱাৰ বেদনা | শ্ৰী উজ্জ্বল দাস | ৬৩ |
| প্ৰকৃতি | মইনুল আলি | ৬৩ |
| শিলত স্থাপিত ইতিহাস | শ্ৰীচুমিতা ৰাজবংশী | ৬৪ |
| তুমি আৰু মই | শ্ৰীপ্ৰকাশ কাশ্যপ | ৬৪ |
| যদি তেনে হয় | শ্ৰীঅনামিকা কুমাৰ | ৬৫ |
| জালুকবাৰীৰ আকাশত জ্বলিলছে জুই | শ্ৰীদিদাৰ হুছেইন | ৬৫ |
| জীৱনৰ ধুমুহা | চিমি কলিতা | ৬৬ |
| জীৱন সংগিনী | দিগন্ত কলিতা | ৬৬ |
| সম্পাদকৰ প্ৰতিবেদন | | ৬৭ |
| আলোচনী সম্পাদকৰ প্ৰতিবেদন | | ৬৯ |
| গুৰুখেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | | ৭০ |
| ছাত্ৰ জিৱনি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন | | ৭১ |
| পাতিদৰং মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদকবৃন্দ | | ৭২ |

প্ৰ ব ন্ধ

# শিশুৰ পূৰ্ণাংগ বিকাশ—পৰিয়াল আৰু মাতৃৰ ভূমিকা

—ৰাণী ডেকা
*মূৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ*

বৰ্তমান যুগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নতিয়ে আমাৰ জীৱন-যাত্ৰাৰ ধাৰা বহু পৰিমাণে সলনি কৰিছে। জীৱন-যাত্ৰাৰ মান উন্নয়ন, স্ত্ৰী শিক্ষাৰ প্ৰসাৰ, জিৱীকা নিৰ্বাহৰ ক্ৰমবৰ্দ্ধমান দুৰূহত্য, নগৰীয়া জীৱনৰ প্ৰতি আসক্তি আদি নানা কাৰণত যৌথ পৰিয়াল ক্ৰমাৎ নিঃশ্চিহ্ন হৈ বৰ্তমান পিতৃ-মাতৃ আৰু ল'ৰা-ছোৱালীৰে সৰু পৰিয়াল সৃষ্টি হৈছে। পৰিয়ালৰ পৰা লাভ কৰা অনৌপচাৰিক শিক্ষাই প্ৰকৃতিৰো যথেষ্ট পৰিৱৰ্তন ঘটাইছে। শিক্ষাৰ অনৌপচাৰিক মাধ্যম হিচাবে পৰিয়ালৰ ভূমিকা সবাতোকৈ প্ৰাচীন আৰু আটাইতকৈ বেছি শক্তিশালী। বিদ্যালয় নামৰ অনুষ্ঠান আৰম্ভ হোৱাৰ পূৰ্বে শিক্ষাৰ সকলো দায়িত্ব পৰিয়ালে বহন কৰিছিল। বৰ্তমান শিক্ষানুষ্ঠান সমূহে বহু দায়িত্ব লোৱা স্বত্বেও পৰিয়ালৰ স্থান কমি যোৱা নাই।

শিশুক ভগৱানৰ ৰূপ বুলি কোৱা হয়, অৰ্থাৎ শিশুৰ মন সদায় নিষ্পাপ, অহিংসা, নিৰ্মল আদি গুণেৰে সমৃদ্ধ। শিশুৰ মন চিক্‌চিকিয়া কাঁচৰ দৰে স্বচ্ছ আৰু থুনুকা। এই কোমল সৰল তথা নিৰ্মলম মনৰ শিশুৰ ঘৰখনেই প্ৰথম পঢ়াশালি আৰু পিতৃ-মাতৃয়ে প্ৰথম শিক্ষা বুলি বিজ্ঞসকলে মত পোষণ কৰি আহিছে। এই ঘৰখনতেই শিশুৱে লালিত-পালিত হৈ ডাঙৰ দীঘল হয় আৰু প্ৰাথমিক বিকাশ লাভ কৰে শিশুৰ পঞ্চ ইন্দ্ৰিয়ত যি অনুভূতিৰ সঞ্চাৰ হয় সি প্ৰথম অৱস্থাত ঘৰখনতেই পূৰ্ণাংগতা লাভ কৰে। শিশুক শিক্ষা প্ৰদান কৰিবৰ বাবে শৈশৱ কালছোৱাই অতি গুৰুত্বপূৰ্ণ। শিশুৰ বিকাশ মুখ্য জীৱনটোক গঢ় দিয়াৰ ক্ষেত্ৰত গৃহ শিক্ষাৰ প্ৰভাৱ অপৰিসীমা। ঘৰখনত দেখি অহা নিয়ম-নীতি, আচাৰ-ব্যৱহাৰ, পিন্ধন, উৰণ, কথা-বতৰা চলন-ফুৰণ আৰু নিত্য-নৈমিত্তিক কাৰ্য প্ৰণালী, পৰিস্কাৰ-পৰিচ্ছন্নতা, সু-অভ্যাস গঠন সকলো ঘৰখনতেই শিকি লয়। জীৱনৰ অ-আ ক-খ এই ঘৰখনতেই শিকি লয়। জীৱনৰ এই কঠিন ৰাস্তাত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত জ্ঞাত-অজ্ঞাতভাৱে ঘৰখনেই শিশুক নানা ধৰণে সহায় কৰে। শিশুৱে দ্বিধাহীনভাৱে পৰিয়ালৰ সদস্যৰ পৰাই অনুসৰণ কৰিবলৈ আৰম্ভ কৰে। পৰিয়ালৰ সদস্যৰ আচৰণ, ব্যৱহাৰ, জীৱনাদৰ্শ, নৈতিক মনোভাৱ, সামাজিক প্ৰকৃতি, অনুশাসন ব্যৱস্থা, অনুকূল নিৰ্দেশন, স্বাস্থ্যকৰ মনোভঙ্গী এই সকলো শিশুৱে ঘৰৰ সদস্যৰ পৰাই অনুকৰণ কৰে। মৰম-চেনেহৰ বান্ধোনেৰে শিশুক সজ পথৰ সন্ধান দি নিৰাপত্তাবোধ বৃদ্ধি কৰাত পৰিয়ালৰ প্ৰভাৱ অপৰিসীম। বাঁহৰ কোমল চেকনিসদৃশ শিশুৰ মনটিক যিফালে ভাঁজ দিয়া হয় সেইফালে ভাঁজ লাগে আৰু সেই ভাঁজটো পূৰঠ হোৱাৰ পিছত তেনেকৈয়ে থাকি যায়। আমি নীতি শিক্ষাত আগতে পাই অহা দুঘৰ মানুহৰ ঘৰত পালিত দুটা ভাটৌ চৰাইৰ কথা ইয়াত উল্লেখ কৰিব পাৰো। ভাল ঘৰত পালিত ভাটৌ পোৱালিটো মাত-কথা মিঠা আৰু দুষ্টৰ ঘৰত পালিত ভাটৌটোৱে ঘৰলৈ অহা আলহী-অতিথি ধৰ-ধৰ, মাৰ-মাৰকৈ খেদিবলৈ ধৰে। ঠিক তেনেদৰে শিশুকো ভাল কথা শিকালে ভাল আৰু বেয়া কথা শিকালে বেয়াৰ ফালে ঢাল খায়। শিশুসকলে যিহেতু দেখি-শুনি শিকে, সেয়ে ঘৰখনৰ আঁচৰণ শুদ্ধ আৰু সৎ হ'ব লাগে। ইংৰাজীত এষাৰ কথা আছে Like father like son.

আজিৰ শিশু ভৱিষ্যত দেশৰ এজন দায়িত্বশীল নাগৰিক। এটা শিশু দেশৰ সু-নাগৰিক তথা সম্পদ হ'বলৈ হ'লে পৰিয়াল, সমাজ তথা মাতৃৰ প্ৰভাৱ অপৰিসীমা। সুস্থ পৰিয়াল তথা সুস্থ সমাজৰ দ্বাৰাহে এটি শিশু সম্পূৰ্ণ হৈ গঢ়ি উঠিব পাৰে আৰু নিজৰ ঘৰ, সমাজ তথা দেশ ৰক্ষা কৰিব পাৰে। এখন সুস্থ সমাজ বা সম্পূৰ্ণ দেশ পাবলৈ হ'লে শিশুসকলক সৎ কৰি গঢ়ি তুলিব লাগে আৰু শিশুক সৎ পথত গঢ় দিয়াটো মূলতে ঘৰখন বা পিতৃ-মাতৃয়ে আগভাগ ল'ব লাগে। ঘৰখনত কি পিতৃ-মাতৃয়ে সমাজত প্ৰচলিত পূৰ্বৰ ভাল পৰম্পৰা যাতে শিশুৱে ৰক্ষা কৰে তাৰ প্ৰতি চকু ৰাখে। Home Sweet Home কথাষাৰ যাতে বুজি পায় তাৰ বাবে শিশুসকলক পৰিয়ালৰ সদস্যই নানা কাৰ্যৰ দ্বাৰা শিকাব যত্ন কৰে।

ঘৰখনেই যে মানুহৰ আটাইতকৈ উত্তম ঠাই আৰু এই ঘৰখনক সুন্দৰভাৱে গঢ় দিয়াৰ ক্ষেত্ৰৰ পৰিয়ালৰ সদস্যই যথেষ্ট গুৰুত্ব দিয়ে। সমাজৰ নীতি-নিয়ম মানি দেশৰ আইন-কানুন সংবিধানক সন্মান জনোৱা, মহৎলোকৰ জীৱনাদৰ্শ তথা বাণীক সাৰোগত কৰি সুচৰিত্ৰ গঠন কৰাত শিশুসকলক মনোনিবেশ কৰাটোও পিতৃ-মাতৃ তথ্য পৰিয়ালৰ যথেষ্ট দায়িত্ব আছে। মাৰ্জিত আৰু ৰুচিবোধ কাৰ্য তথা পিন্ধন উৰণ যাতে শিশুটিৰ মানসিক স্তৰত যথেষ্ট প্ৰভাৱ পেলায় তাৰ প্ৰতি পৰিয়াল সদায় সজাগ হৈ থাকে।

শিক্ষাবিদসকলে পৰিয়ালৰ শৈক্ষিক তথা সামাজিক দায়িত্বৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰে। শিশুৰ বিকাশ তথা সমাজিকীকৰণৰ প্ৰথম আৰু প্ৰধান অনুষ্ঠান হিচাবে পৰিয়ালৰ ভূমিকা অতি দায়িত্বপূৰ্ণ। পৰিয়ালৰ মাজেদি শিশুৱে বাহিৰৰ সমাজৰ লগত লাহে লাহে পৰিচয় হ'বলৈ সুযোগ পায়। অধ্যাপক ব্ৰাডনৰ মতে, সমাজত ব্যক্তিৰ সম্বন্ধ স্থাপনৰ মূল ভেটি হৈছে পৰিয়াল। পৰিয়ালতেই শিশুৰ শিক্ষাৰ আৰম্ভণি হয়। পৰিয়ালৰ আন সদস্যৰ আচৰণে প্ৰতিজন শিশুৰ চৰিত্ৰত চাপ পেলায়। সুস্থ পৰিয়ালৰ পৰিবেশৰ মাধ্যমত শিশুৰ চৰিত্ৰ সু-অভ্যাস গঢ়ি উঠে। পৰিয়ালৰ অৱস্থাৰ জৰিয়তে এখন ৰাষ্ট্ৰৰ মানদণ্ড আৰু সমাজৰ সভ্যতাৰ পৰিচয় পৰিলক্ষিত হয়। পৰিয়ালৰ যোগেদিয়ে শিশুক শিষ্টাচাৰী, দেশপ্ৰেমিক, সহযোগী, সত্যবাদী, ন্যায় পৰায়ণ, সহানুভূতিশীল শৃংখলাবদ্ধ আৰু সামাজিক হোৱাত যথেষ্ট অৰিহণা যোগায়। আধুনিক জগতত শিক্ষাৰ ক্ষেত্ৰত পৰিয়ালৰ ভূমিকা উল্লেখনীয়।

শিক্ষাবিদ কমেনিয়াচ এ কেছে যে শিশুৰ প্ৰথম দুটা বছৰ মাতৃৰ শিক্ষানুষ্ঠানৰ অধীনত অতিক্ৰম হয়। তেওঁৰ মতে পৰিয়ালেহে শিশুক সকলে ধৰণৰ শিক্ষা প্ৰদান কৰিব পাৰে। প্ৰকৃতিবাদী ৰুছ'ৰ মতে মাতৃ হৈছে শিশুৰ প্ৰকৃত সেৱিকা আৰু পিতৃ হ'ল শিক্ষক। 'পেষ্টালজী'য়েও শিশু বিকাশৰ ক্ষেত্ৰত ঘৰৰ পৰিৱেশ বেছি ফলদায়ক বুলি কয়।

শিশু প্ৰকৃততে অসহায়। ভূমিষ্ঠ হোৱাৰ পাছৰে পৰা শিশু পৰনিৰ্ভৰশীল। শৈশৱ কালছোৱা শিশুৱে নিজকে জীয়াই ৰখাৰ বাবে পৰিয়ালৰ আনলোকৰ ওপৰতে নিৰ্ভৰ কৰে আৰু পৰিয়ালৰ সকলো সদস্যৰ লগত সম্বন্ধ স্থাপন কৰি আচাৰ-ব্যৱহাৰ সমূহ শিকিবলৈ আৰম্ভ কৰে। পৰিয়ালৰ সদস্যৰ পৰাই শিশুৱে নীতি-নিয়ম বিশ্বাস সংস্কাৰ আদিৰ জ্ঞান আহৰণ কৰিবলৈ সক্ষম হয়। অৰ্থনৈতিকভাৱে স্বচ্ছল হোৱাৰ ক্ষেত্ৰত ঘৰখনৰ প্ৰভাৱ শিশুৰ বাবে অতি গুৰুত্ব পূৰ্ণ। সুস্থ তথা সুন্দৰ ঘৰুৱা পৰিৱেশে শিশুৰ পূৰ্ণ বিকাশ তথ্য ভৱিষ্যত জীৱন গঢ়াত সহায় কৰে। শৈশৱ কালছোৱাই শিশুক বহু সময় পাৰ কৰাই নিয়ে। এই দীৰ্ঘকালছোৱা নিৰাপদে কটাবৰ বাবে শিশুৰ বাবে একমাত্ৰ আশ্ৰয় স্থল হৈছে ঘৰখন। এই সময়ছোৱাতে শিশুৱে ঘৰখনৰ পৰা সামাজিক অনুভূতি তথা নানা ধৰণৰ অভিজ্ঞতা লাভ কৰে। পৰিয়ালৰ সদস্যৰ পৰাই মৰম - চেনেহে, ভালপোৱা, হিংসা, ঈৰ্ষা, ক্ৰোধ, ভয়, সহযোগিতা, সহৃদয়তা আদি শিশুৱে বিভিন্ন পৰিৱেশ ঘৰখনতে অনুভৱ কৰে।

সমাজৰ এজন লেখতলবলগীয়া ব্যক্তি হ'বলৈ হ'লে ব্যক্তিজনে শৈশৱতে নৈতিক অনুশাসন আৰু মূল্যবোধৰ ধাৰণা ঘৰখনতেই আয়ত্ত কৰে। পৰিয়ালৰ সদস্যৰ দ্বাৰাই শিশুৱে সাধুতা, উদাৰতা, নিৰ্ভীকতা, সত্যবাদিত্য, নিয়মানুবৰ্তিতা অনুশাসনীয়তা আদি আচৰণ উন্নয়ন কৰে। শিশুৰ সম্পূৰ্ণ বিকাশৰ ক্ষেত্ৰত পৰিয়ালৰ দায়িত্ব স্বাভাৱিকতেই ব্যাপক আৰু বহুমুখীবিধৰ। শিশুৰ পূৰ্ণাংগ বিকাশৰ ক্ষেত্ৰত পৰিয়ালৰ বাহিৰে সমাজৰ আন কোনো অনুষ্ঠানেই, সি যিমানেই উন্নত নহওক কিয় শিশুৰ জীৱনৰ এনে জৈৱিক প্ৰয়োজন পূৰণ কৰিব নোৱাৰে। জৈৱিক সম্বন্ধৰ দ্বাৰা বান্ধ খোৱা পৰিয়ালৰ মৰম-চেনেহ, আদৰ যত্ন আদিৰ প্ৰভাৱ শিশুৰ ভৱিষ্যত জীৱনৰ বাবে সুদূৰ প্ৰসাৰী হৈ উঠে। পৰিয়ালৰ জৈৱিক প্ৰভাৱে শিশুৰ ভৱিষ্যত জীৱনৰ বিকাশৰ সম্ভাৱনীয়তা নিৰ্ণয় কৰে। পৰিৱেশৰ মাধ্যমেৰে শিশুৱে নিজৰ ধৰ্ম অনুসৰি নৈতিক জ্ঞান আহৰণ কৰে। পিতৃ-মাতৃ তথা পৰিয়ালৰ আন সদস্যৰ যোগেদিয়ে শিশুৱে পূজা অৰ্চনা, আচাৰ-ব্যৱহাৰ আদিৰ লগত ওতঃপ্ৰোতঃভাৱে জড়িত হৈ পৰে। ঘৰৰ যাৱতীয় ধৰ্মানুষ্ঠানৰ জৰিয়তে শিশুৰ মনত আধ্যাত্মিকতাৰ বীজ ৰোপন কৰা হয়। পৰিয়ালৰ সদস্যৰ তত্বাৱধানতে, সজ অভ্যাস, মূল্যবোধ, সুদৃষ্টিভংগী আদি শিশুৰ মনত গঢ়ি উঠে। শিশু অনুকৰণপ্ৰিয় হোৱা হেতুকে পৰিয়াল তথা অভিভাৱকে সু-অভ্যাস অনুশীলনৰ প্ৰতি গুৰুত্ব দিব লাগে। পৰিয়াল বা অভিভাৱক সুস্থ, সৰল তথা শান্তিপূৰ্ণ হোৱাৰ দ্বাৰাহে শিশুৱে পূৰ্ণাংগ বিকাশ লাভ কৰিব পাৰে।

শিশু বিকাশৰ ক্ষেত্ৰত পৰিয়ালৰ লগতে মাতৃৰ ভূমিকাও অপৰিসীম। মাতৃয়ে সন্তান গৰ্ভ ধাৰণ কৰাৰ পৰা জন্ম দি ডাঙৰ-দীঘল কৰালৈকে মাকৰ যথেষ্ট দায়িত্ব থাকে। সন্তানৰ শাৰিৰীক, মানসিক, আবেগিক তথা সামাজিক বিকাশৰ প্ৰথম পাঠ মাকৰ পৰাই আৰম্ভ হয়। সেয়ে মাতৃয়ে হ'ল সন্তানৰ প্ৰথম শিক্ষয়িত্ৰী, মেডাম মেৰিয়া মণ্টেছৰীয়ে কৈছিল, "ঘৰখনেই হ'ল শিশুৰ আটাইতকৈ ভাল পঢ়াশালি আৰু মাতৃয়ে হ'ল প্ৰথম শিক্ষয়িত্ৰী।" মাতৃৰ মৰমৰ পৰা বঞ্চিত হোৱা শিশু সঁচাকৈয়ে দুৰ্ভগীয়া। সন্তানক প্ৰকৃত মানুহ হিচাবে গঢ় দিয়াতো মাতৃৰ শক্তি আটাইতকৈ গুৰুত্বপূৰ্ণ। প্ৰতিগৰাকী, মাতৃ সুশিক্ষিতা, স্বাস্থ্যৱতী আৰু দায়িত্বশীল হোৱাটো বাঞ্চনীয়। মাতৃ শিক্ষিত হ'লে ঘৰৰ বাহিৰ-ভিতৰ দুয়োটা পৰিৱেশেই উপকৃত হয়। আৰ্থিক স্বাৱলম্বিতা অৰ্জন কৰাটোৱে মাতৃ শিক্ষাৰ উদ্দেশ্যে নহয়, বৃহত্তৰ সমাজৰ কল্যাণ সাধনৰ বাবে উপলব্ধি কৰোৱাটোহে,

এই শিক্ষাৰ প্ৰকৃত উদ্দেশ্যে। এই শিক্ষাই মহিলা সকলক বাহিৰে-ভিতৰে শক্তিশালী হোৱাৰ পথ প্ৰশস্ত কৰিব লাগে। সন্তান গৰ্ভত ধাৰণ কৰা আৰু জন্ম দিবৰ বাবে প্ৰকৃতিয়ে নাৰীক যি বিশেষ শক্তি আৰু সামৰ্থ প্ৰদান কৰিছে, সেই বিশেষ শক্তি আৰু সমৰ্থৰ আলোকতে জন্মৰ পিছতো মাতৃ এগৰাকী নিজৰ মহত্বৰ গুণেৰে সন্তানৰ বাবে প্ৰকৃত পথ প্ৰদৰ্শক হ'ব পাৰে। জীৱনত সাময়িক ভাৱে বিফল হ'লেও, দুখ যন্ত্ৰণাৰ মুখামুখি হ'লেও প্ৰতিটো সন্তান অৱশেষত মাতৃৰ ওচৰলৈ নতুন শক্তি আৰু সাহসৰ সন্ধান কৰি ঘূৰি আহে। মাতৃৰ অকৃপণ স্নেহ স্পৰ্শত সন্তানে দুখ-যন্ত্ৰণা অতিক্ৰম কৰি আগবাঢ়ি যোৱাৰ অনুপ্ৰেৰণা প্ৰায় মাতৃয়ে সফল-বিফল দুয়ো সন্তানকে সমান মৰমেৰে আকোৱালি লয়। সেয়েহে মাতৃক আকাশতকৈও উদাৰ বুলি কোৱা হয়।

মহৰ্ষি টলষ্টয়ৰ মতে, পৃথিৱীত সত্য আৰু ন্যায়ৰ বাহিৰে আন শ্ৰেষ্ঠ বস্তু একো নাই। ন্যায় আৰু সত্যৰ বাণী সন্তানৰ হৃদয়লৈ লৈ যোৱা এক মাতৃয়ে সন্তানক আনৰ সুখত সুখী আৰু আনৰ দুখত দুখী হ'বলৈ শিকাব পাৰে। প্ৰেম-বিশ্বাস, কৰ্মই ধৰ্ম এনে গুণসমূহৰ অনুপ্ৰেৰণাদায়ক অকল মাতৃয়েহে হ'ব পাৰে। মাডাৰ টেৰেছা, ফ্ল'ৰেন্স নাইটিংগেল বা আমি জনা-নজনা বহুতো অবিবাহিতা আৰু সন্তানহীন মাতৃ আছে তেওঁলোকেহে প্ৰকৃত মাতৃত্বৰ গৌৰৱ অৰ্জন কৰিব পাৰিছে। এখন উদাৰ, অনুভৱী আৰু লোকহিতৈষী হৃদয়েই হৈছে মাতৃত্বৰ মূল সম্পদ।◆◆

## কুইজ

১। প্ৰথম অসমীয়া সাহিত্যিক পেঞ্চনাৰগৰাকীৰ নাম কি?
উত্তৰ ঃ পদ্মনাথ গোহাঞি বৰুৱা।

২। সাহিত্য অকাডেমী বঁটা বিজয়ী প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি?
উত্তৰ ঃ ইয়াৰইংগম (১৯৬০)

৩। প্ৰথম অসমীয়া চলচ্চিত্ৰ নিৰ্মাতাগৰাকীৰ নাম কি?
উত্তৰ ঃ প্ৰথমেশ বৰুৱা (দেৱদাস, ১৯৩৪)

৪। ২০১৭ চনৰ ১৭ বছৰ অনুৰ্দ্ধ বিশ্বকাপ ফুটবল কোনখন দেশত অনুষ্ঠিত হ'ব?
উত্তৰ ঃ ভাৰতত

৫। বিশ্বৰ আটাইতকৈ প্ৰাচীন খেলবিধৰ নাম কি?
উত্তৰ ঃ ধনু বিদ্যা বা আৰ্চাৰি

৬। শচীন তেণ্ডুলকাৰে জীৱনৰ অন্তিমটো শতক কোনখন দেশৰ লগত কৰিছিল?
উত্তৰ ঃ বাংলাদেশৰ লগত

৭। ২০১৩ চনত কোনটো ধুমকেতু সূৰ্য্যৰ কাষ চাপি অহাত ধ্বংসপ্ৰাপ্ত হৈছিল?
উত্তৰ ঃ আইচন

৮। মেকুৰীয়ে দুচকুত থকা কি ধাতুৰ বাবে এন্ধাৰটো দেখা পায়?
উত্তৰ ঃ টেপেজম মুৰ্হিতাম।

৯। ৰঙা যোগচিহ্ন কিহৰ সংকেত?
উত্তৰ ঃ বিনামূলীয়া চিকিৎসা

১০। কোনগৰাকী সাহিত্যিকৰ ছদ্মনাম ৰংমন?
উত্তৰ ঃ ৰবীন দে

—শ্ৰীবনশ্ৰী কুমাৰ
প্ৰথম ষাণ্মিসিক

# নলিনীবালা দেৱীৰ কাব্য, প্ৰতিভা

—মিছ্ ওৱাহিদা বেগম (মণি)
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

আই ধৰিত্ৰীৰ সহিষ্ণুতা আৰু ধৰ্মৰ সমস্ত মহিলাৰে মহিমান্বিত নলিনীবালা দেৱী অসমৰ কাব্য-সাহিত্য জগতৰ এটি চিৰ সেউজীয়া নাম। নলিনীবালাই মধুময়ী ছন্দবাণী লৈ কবিতাৰ সন্দাকিনি ধাৰা অসমৰ বুকুলৈ নমাই আনি তাৰ ঝঙ্কাৰেৰে অসমৰ সুপ্ত বুকুত সুৰৰ কঁপনি তুলিছিল। এইগৰাকী মহীয়সীৰ জন্ম হয় ১৮৯৮ চনত। তেখেতৰ পিতৃ স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী পুৰুষ অসীম সাহসৰ প্ৰতীক, কৰ্মযোগী কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ মাতৃ হেমন্ত কুমাৰী দেৱী। সেই দিনত এতিয়াৰ দৰে ছোৱালীৰ পঢ়া-শুনাৰ কাৰণে কোনো মুকলি পৰিৱেশ নাছিল। দেউতাকৰ প্ৰবল আগ্ৰহতে ঘৰতে তেখেতে সু-সাহিত্যিক সংস্কৃত পণ্ডিত গোপালকৃষ্ণদেৱৰ তত্বাৱধানত শিক্ষা গ্ৰহণ কৰিছিল। গোপালকৃষ্ণদেৱৰ পিছত শিক্ষক নিশিকান্ত সেন আৰু যজ্ঞেশ্বৰ বৰুৱাও নলিনীবালা দেৱীক শিক্ষাদান কৰিছিল।

১৯০৯ চনত মাত্ৰ এঘাৰ বছৰ বয়সতে শিৱসাগৰৰ জীবেশ্বৰ চাং কাকতিৰ লগত নলিনীবালা দেৱীৰ বিয়া হয়। কিন্তু বিবাহিত জীৱনৰ সোমবুলীয়া আঠোটি বছৰ পিছত তেখেতৰ স্বচ্ছন্দ জীৱনধাৰাত যতি পৰে। নলিনীবালা দেৱীৰ জীৱন ফলিকাত লিখা আছিল অসীম ব্যাথা বেদনা, মৰ্মন্তুদ আঘাত। সেয়েহে পাঁচোটা সন্তানৰ মাতৃ নলিনীবালাই মাত্ৰ ১৯ বছৰ বয়সতেই বৈধব্যৰ অভিশাপৰ বিপুল বেদনা লৈ পিতৃগৃহত আশ্ৰয় ল'ব লগা হয়। তাৰ পাছতো কনিষ্ঠ পুত্ৰ পুতলী আৰু মাজু পুত্ৰ পৰিত্ৰক অকালতে চিৰদিনৰ বাবে হেৰুৱাই অসীম আঘাতত জৰ্জৰিত হৈ পৰে। পিতৃৰ সান্ত্বনা বাণীকে সাৰোগত কৰি কাব্য জগতত একান্তভাৱে মনোনিৱেশ কৰে আৰু সমাজ সেৱক জীৱনৰ ব্ৰতৰূপে গ্ৰহণ কৰে।

১৯০৮ চনৰ পৰাই নলিনীবালা দেৱীয়ে সাহিত্য জীৱনৰ পাতনি মেলিছিল। তেখেতৰ 'পিতা' আৰু 'সন্ধ্যা' নামৰ কবিতা দুটিৰে। 'আলোচনী' নামৰ ডিব্ৰুগড়ৰ পৰা প্ৰকাশ পোৱা মাহেকীয়া কাকতত কবিতা দুটি প্ৰকাশ পাইছিল। মাত্ৰ দহ বছৰ বয়সতে লিখা কবিতা দুটিয়ে নলিনীবালা দেৱীলৈ গোটেই অসমৰ ৰাইজৰ আশীৰ্ব্বাদ কঢ়িয়াই আনিছিল। অৱশ্যে স্বামীৰ অকাল বিয়োগৰ পিছতহে তেখেতৰ সাহিত্য জগতত গভীৰভাৱে মনোনিৱেশ কৰিছিল।

নলিনীবালা দেৱীৰ কাব্য-চিন্তাত বাস্তৱ জীৱনৰ নিষ্ঠুৰ অভিজ্ঞতাসমূহৰ লগতে সেই সময়ৰ ভাৰতৰ জাতীয়তাবাদী ভাৱধাৰায়ে যথেষ্ট সমল যোগাইছে। ১৯২৮ চনত তেখেতৰ প্ৰথম কবিতা পুথি 'সন্ধিয়াৰ সুৰ' প্ৰকাশ পায়। এই পুথিৰীখনত সন্নিৱিষ্ট প্ৰত্যেকটি কবিতাৰে সুৰ আছিল সন্ধ্যা-ৰাগিণীৰ দৰে করুণ। তেখেতৰ শোক আৰু দুখৰে ভৰপুৰ জীৱনৰ অন্তৰৰ পৰা নিগৰি বৈ অহা বেদনাৰ ছবি 'সন্ধিয়াৰ সুৰ'ত প্ৰতিফলিত হৈছে।

নলিনীবালা দেৱীয়ে তেখেতৰ 'সপোনৰ সুৰ' পুথিখনি প্ৰকাশ কৰি উলিয়াবলৈ প্ৰেৰণা পাইছিল প্ৰধানতঃ কলিকতাত কবিজনাৰ ওচৰলৈ আহি তেখেতৰ দ্বাৰা ৰচিত অপ্ৰকাশিত কবিতাবিলাক, এখনি কবিতাৰ পুথি প্ৰকাশ কৰিবৰ কাৰণে তেওঁলোকক দিবলৈ অনুৰোধ কৰিলে। সেই সময়ত কলিকতাত সৃষ্টি হোৱা নানান অশান্তিকৰ পৰিৱেশৰ মাজতো 'সপোনৰ সুৰ' প্ৰকাশ হৈ ওলাই। পিছত গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক মহলাৰ পাঠ্যপুথি স্বৰূপে 'সপোনৰ সুৰ'ক আদৰণি জনালে। তেখেতৰ

কাব্যৰ পৰা নিগৰি ওলোৱা তৃতীয় কাব্যপুথি 'পৰশমণি'কো গুৱাহাটী বিশ্ববিদ্যালয়ে আই এ শ্ৰেণীৰ পাঠ্যপুথিৰূপে মনোনীত কৰে।

নলিনীবালা দেৱীয়ে ১৯৫৮ চনত শ্ৰীকৃষ্ণ, ব্যাস, বাল্মীকি আদিক সুঁৱৰি কেইবাটাও কবিতা লিখি 'যুগদেৱতা' পুথিখন প্ৰকাশ কৰি উলিয়াই। 'জাগৃতি' তেখেতৰ দ্বাৰা ৰচিত পঞ্চম কবিতাপুথি। 'জাগৃতি'ত লিখা বেছিভাগ কবিতাই আছিল দেশপ্ৰেমমূলক। 'অলকানন্দ' তেখেতৰ ষষ্ঠ কবিতাপুথি। গতানুগতিকভাৱে বিভিন্ন সময়ত লিখা কিছুমান কবিতা প্ৰকাশ পাইছে অলকানন্দত। এই পুথিখনে ১৯৬৮ চনত তেখেতলৈ সাহিত্য একাডেমী বঁটাৰ সন্মান কঢ়িয়াই আনে।

নলিনীবালা দেৱীয়ে দেউতাক স্বনামধন্য নবীন চন্দ্ৰ বৰদলৈৰ মহান তথা আদৰ্শপূৰ্ণ জীৱনটিক লৈ এখনি জীৱনী গ্ৰন্থ ৰচনা কৰে। এই গ্ৰন্থখনে 'স্মৃতিতীৰ্থ' নামেৰে প্ৰকাশ কৰি তেখেতে অসমীয়া সাহিত্য ভৰাললৈ এক আপুৰুগীয়া সম্পদ দান কৰে। চৰ্দাৰ বল্লভ ভাই পেটেল, 'বিশ্বদীপা' আদি জীৱনী গ্ৰন্থৰ উপৰি ভালেমান শিশু নাটিকা, অনাতাঁৰ নাটিকা, প্ৰবন্ধ পুথি ৰচনা কৰি তেখেতে অসমীয়া সাহিত্যক চহকী কৰে। ১৯৫৪ চনত যোৰহাটত বহা অসম সাহিত্য সভাৰ ত্ৰয়োবিংশতিতম অধিৱেশনত তেখেতে সভানেত্ৰীৰ পদ অলংকৃত কৰে। সেই বছৰতেই তেখেতে ভাৰত চৰকাৰৰ পৰাও সাহিত্য বৃত্তি লাভ কৰে। ১৯৫৫ চনৰ ২৬ জানুৱাৰীত দিল্লীত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় কবি সন্মিলনলৈ আমন্ত্ৰিত হয় আৰু তেখেতে স্বৰচিত কবিতা পাঠ কৰি ভূয়সী প্ৰশংসা লাভ কৰে। সাহিত্য সাধনা আৰু নিঃস্বাৰ্থ সমাজ সেৱাৰ স্বীকৃতি প্ৰদান কৰি তেখেতক ভাৰত চৰকাৰে পদ্মশ্ৰী উপাধিৰে বিভূষীত কৰে।

কবি নলিনীবালা দেৱী আধ্যাত্মিক জগতত সুন্দৰৰ সন্ধান কৰিছিল। বাস্তৱ জীৱনত 'জনমভূমি'ৰ প্ৰতি থকা অপৰিসীম শ্ৰদ্ধা তথা প্ৰেম-প্ৰীতিকো ওজস্বী ভাষাৰে মানুহৰ অন্তৰ পৰশি যোৱাকৈ প্ৰকাশ কৰিছে।

কবিৰ সপোনৰ সুৰ গ্ৰন্থৰ সৰ্বশ্ৰেষ্ঠ কবিতা 'নাটঘৰ'। ই যেন কবিৰ বেদনাময় বুকুত নিৰাশ বীণত বাজি উঠা এটি সকৰুণ ঝঙ্কাৰ। বিশ্বৰ ৰংগমঞ্চত জনমে জনমে বিভিন্ন ৰূপত ভাও দি অন্ত নপৰা জীৱনৰ ব্যাথা-বেদনাৰ বিৰাট হুমুনিয়াহ কবিৰ বুকুৰেদি যেন এইদৰে ওলাই আহিছে—

কোন কাৰ জগতৰ কোন কাৰ মৰমৰ
চকুৰ চিনাকী মাথো দুদিনৰ
সসীমৰ ৰূপ তৃষ্ণা অসীমত বুৰ যাব
খহি গ'লে জৰী মৰমৰ।

নলিনীবালা দেৱীৰ কবিতাসমূহৰ মাজত সুন্দৰৰ অপৰূপ সৌন্দৰ্যৰ মূৰ্ত প্ৰকাশ ঘটিছে। কবিজনাই সেই সৌন্দৰ্যৰ মাজত বুৰ গৈ অনন্তকাল তেওঁৰ সন্ধানতে ব্যাকুল হৈছে। এইজনা মহীময়ী কবি নলিনীবালা দেৱীয়ে ১৯৭৭ চনৰ ২৪ ডিচেম্বৰ তাৰিখে ইহলীলা সম্বৰণ কৰে। কবিজনাই জীৱনৰ প্ৰতিটো মুহূৰ্ততে সংগ্ৰাম কৰি অৱশেষত অনন্তজনৰ চৰণতে মিলি যাবলৈ প্ৰয়াস কৰিছিল। অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল অধিক উজ্জ্বল আৰু চহকী কৰাত কবিজনাৰ অৱদান অতুলনীয়।◆◆

## পশু-পক্ষীৰ জ্ঞান

—শেইখ আছমিনা ফিৰড'ছ
পঞ্চম ষাণ্মিসিক

ঃঃ বিশ্বৰ ক'লা ৰঙৰ হাঁহ ক'ত পোৱা যায়?
— অষ্ট্ৰেলিয়াত।
ঃঃ উৰিব পৰা ভেকুলীটোৰ নাম কি?
— ৰাকুফুৰচ।
ঃঃ কি জন্তুৱে সাত নলগায়?
— জিৰাফ।
ঃঃ কি জন্তুয়ে চকু বন্ধ কৰি সকলোবোৰ দেখা পায়?
— উট।

গ
ল্প

# কৰবীৰ মালা

—শ্ৰীমধুস্মিতা নাথ
স্নাতক পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ

'মালা ঐ মালা'— মালাক মাতি মাতি যেন ভাগৰি পৰিল কৰবী। মাটিত লেপেটা কাঢ়ি বহি থকা মালাক দেখি কৰবীৰ দুচকুৰে লোতকৰ যেন নদীহে বব ধৰিলে।

'মালা' সকলোৰে এটি চিনাকী নাম। ঘৰ সোণতলী বাগিচাৰ ওচৰত থকা পুৰণি ভঙা ডাকঘৰটো। মালাক সকলোৱে চিনি পাই, কিন্তু মালা বুলি নহয়, 'মালা পাগলী' নামেৰে।

কিন্তু, কিয়? কেনেকৈ মালাৰ নামত এই পাগলী আখৰ কেইটা লগ লাগিলে? কোনে দিলে তাইক এই উপাধি? এইবোৰ কথাই যেন ভাবি নাপাই মালাৰ শৈশৱ, কৈশোৰ কালৰ নলে গলে লগা বান্ধৱী কৰবীয়ে।

তাইৰ এতিয়াও মনত পৰে, আগতে যে খেলিব যাওঁতে, স্কুললৈ যাওঁতে লগৰ সকলোৱে যে সিহঁত দুটাক জোকাইছিল.... বাঃ বাঃ বৰ মিলিছে দেই 'কৰবীৰ মালা'।

কিন্তু ক'ত হেৰাই গ'ল কৰবীৰ মালা গঠা সেই দিনবোৰ। ক'ত বিলিন হ'ল ল'ৰালিৰ সোণালী সুদিনবোৰ। এতিয়া যেন সেইবোৰ স্মৃতিৰ টোপোলাৰ মাজত। মালাৰ সেই লাহী দেহ, ঘোঁৰাৰ নেজৰ লেখিয়া এথোপা চুলি। আৰু যে হাঁহিলে গালত উঠা ডিম্পল দুটা.... চালে চাই থাকিবৰে মন।

হলধৰ মহাজনৰ একমাত্ৰ ছোৱালী আছিল মালা কামে-কাজে, শিক্ষাই-দীক্ষাই সকলোতে পাৰ্গত। সকতে মাকক হেৰুওৱা মালাই যেন একমাত্ৰ আশা-ভৰষাৰ থল হলধৰ মহাজনৰ বাবে। তেওঁ মালাৰ গাত টোপ এটাকে পৰিবলৈ নিদিয়ে। আগবাঢ়ি গৈছিল মালাৰ সোণালী দিনবোৰ। লাহে লাহে মালা শৈশৱৰ পৰা কৈশোৰ অৱস্থালৈ আগবাঢ়ি আহিল। মহাজনৰ চিন্তা আৰু বাঢ়িল কাৰণ জীয়েক ডাঙৰ হৈছে। তেওঁৰো কাম দুগুণ বাঢ়িল। গধূলী হোৱাৰ আগতে জীয়েকে ঘৰত সোমাইছেনে নাই, পঢ়া-শুনা কৰিছেনে নাই ইত্যাদি ইত্যাদি....।

এইবোৰৰ মাজতে দিন গৈ গৈ অৱশেষত কাল এন্ধাৰত ডুব যোৱা বেলিৰ দৰে হৈছিল মালাৰ জীৱন। যৌৱন বেলাৰ দুৱাৰডলিতে প্ৰেম নামৰ অজান শত্ৰুবিধে ধৰা দিছিল মালাৰ কোমল হৃদয়ত। প্ৰেমত বলিয়া হৈ পৰিছিল নিজৰ ঘৰত কাম কৰা ল'ৰা মনোজৰ। কিন্তু এই কথা গম পোৱা নাছিল মহাজন দেউতাকে।

দিন বাগৰিল। বাঢ়ি গৈছিল মনোজ-মালাৰ প্ৰেমৰ মধুৰ দিনবোৰ। লাহে লাহে কথাটো ৰাষ্ট্ৰ হৈ পৰিল। মহাজনে নিজৰ কাণ দুখনকে বিশ্বাস কৰিব পৰা নাছিল। শিল পৰা কপৌৰ দৰে ৰৈ গৈছিল তেওঁ। নিজৰ জীয়েকৰ ওপৰত কৰা বিশ্বাসত জুই লাগিছিল। পলাই গৈছিল সিহঁত দুটা বেলেগ গাঁওলৈ। কিন্তু জীয়েকে কৰা ভুলৰ লাজ অপমানে সহ্য কৰিব নোৱাৰি আত্মহত্যা কৰিছিল মহাজনে।

ইফালে কালৰ সোঁতত পৰি ধ্বংসস্তূপত পৰিণত হৈছিল মালাৰ জীৱন। নিজকে খাপ খুৱাব পৰা নাছিল মনোজৰ ঘৰত। দুখীয়া জীৱন, তাতে আকৌ সম্প্ৰদায়ো বেলেগ। মনোজ আছিল বড়ো সম্প্ৰদায়ৰ লোক। সকৰে পৰা কাম-বন কৰি নোপোৱা মালাৰ জীৱনলৈ নামি আহিছিল বাৰিষাৰ পাৰ ভঙা নদীৰ স্ৰোত।

দিন বাগৰি গৈছিল সময়ৰ সোঁতৰ লগত। অভাৱ-অনাটনত

পৰি পাঁচ বছৰতে বৃদ্ধ মানুহৰ দৰে হৈ গৈছিল মালা। পাহাৰত খৰি কাটি, গাঁহৰি পুহি কোনোমতে পোহপাল দি ৰাখিছিল মনোজে। সিহঁতৰ মাজলৈ তৃতীয়জনৰ আগমণ হ'ল— পুত্ৰ উজ্জ্বল।

কিন্তু নিষ্ঠুৰ ভগৱানে মালাৰ এইকণ শান্তিও সহ্য কৰিব নোৱাৰিলে। পাহাৰত খৰি কাটিবলৈ যাওতে এটি বিষাক্ত সাপে প্ৰাণ কাঢ়ি নিলে মনোজৰ।

কান্দি কান্দি কেইবাদিনো পৰি আছিল মালা। চকুৰ আগত ভাহি আছিল গাঁৱৰ ৰাইজে ল'গ হৈ মনোজৰ দেহটো জ্বলাই দিয়াৰ দৃশ্য। মুখাগ্নি কৰিব দিছিল এবছৰীয়া কণমানি পুত্ৰ উজ্জ্বলক। নতুনকৈ 'দেউতা' শব্দটো ওলাব পৰা হোৱা উজ্জ্বলৰ মুখৰ পৰা আঁতৰি গৈছিল 'দেউতা' মাতষাৰ।

দিন বাগৰিল...। নিজৰ জীৱন, লগতে কণমানি পুত্ৰ উজ্জ্বল। কি ক'বি, কি নকৰিব একো ভাবি পৰা নোপোৱা হৈছিল মালাই। মুখেৰে একো নকয়, একো নকৰেওঁ... মাত্ৰ ঘুৰি ফুৰে এখন ফটো লৈ সিঁহত তিনিওৰে। নিজে গমকে নাপাই ক'ত থাকে তাইৰ মৰমৰ পুত্ৰ উজ্জ্বল। কেতিয়াবা ইনাই বিনাই কান্দে, আৰু কেতিয়াবা চিঞৰি চিঞৰি হাঁহে...

আৰু গায়...

'আহ্ ঐ আহ্ আহ্ আহ্...

পোণাকণ ঐ আহ্ আহ্ আহ্...।'

হঠাৎ বাজি উঠা স্কুলৰ ঘণ্টাৰ শব্দ শুনি কৰবী উচ্‌প খাই উঠিল। ল'ৰা-ছোৱালী বিলাকে চিঞৰি আছে বাইদেউ যাওঁ, বাইদেউ যাওঁ বুলি। ওচৰতে ৰখি আছে সহকাৰী শিক্ষক বন্ধুসকল। কিন্তু মালা... তাইৰ এইবোৰ কাৰো প্ৰতি ভ্ৰূক্ষেপ নাই। একেথিৰে চাই আছে কৰবীৰ মুখলৈ। হয়তো তাইৰো আজি মনত পৰিছে ল'ৰালিৰ সুমধুৰ দিনবোৰৰ কথা। কৰবীৰ মালা গঠা দিনবোৰৰ কথা।◆◆

# মহৎ লোকৰ বাণী

১। জীৱন জুখিবা হাঁহিৰে। বয়স জুখিবা কৰ্মৰে।

— লক্ষ্যধৰ চৌধুৰী।

২। চৰিত্ৰ হেৰালে জীৱনত সকলোখিনি হেৰায়।

— ছক্ৰেটিছ।

৩। তোমাৰ যদি আত্মবিশ্বাস আছে তেন্তে লোকৰ সন্দেহলৈ ভয় নকৰিবা। তোমাৰ জয় অনিবাৰ্য।

— মহাত্মা গান্ধী।

৪। তুমি যদি জ্ঞানী হ'ব খোজা, তেন্তে তোমাৰ জিভাক শাসন কৰা।

— লেডষ্টাৰ।

৫। দুখত কেতিয়াও ভাগি পৰিব নালাগে, কাৰণ দুখৰ পিছত সুখ অনিবাৰ্য।

— কোৰাণ।

—শ্ৰীকৰবী ডেকা
তৃতীয় ষাণ্মাসিক

গল্প

# স্মৃতি

—শ্ৰীঅৰ্পনা বৈশ্য
স্নাতক তৃতীয় ষান্মাসিক,বুৰঞ্জী বিভাগ

অকলশৰীয়া এই ক্ষণত তোমালৈ আজি মোৰ নিবিৰভাৱে মনত পৰিছে।

আমাৰ মৰমৰ অনুভৱবোৰ মোৰ বুকুখন খুন্দা মাৰি ধৰিছে। বছৰবোৰ কিদৰে পাৰ হৈ গ'ল গমেই নাপালো। সৌ সিদিনাৰ কথা মনত আছেনে তোমাৰ?

চিনাকি অচিনাকি দুটি মন,
চাও-নেচাও কৰা দুটি চকু
মনত আছেনে তোমাৰ অতীতৰ সেই সুমধুৰ দিনবোৰ।
মোৰ মনত আজিও জিপাল হৈ আছে সেই দিনবোৰ।

সুখ-দুখৰ উপৰিও আমাৰ ভালপোৱা দিনৰ আন বহুতো ঘটনা। সেইবোৰে মোক আজি বৰকৈ আমনি কৰি আছে।

কাৰণ আজি ৯ তাৰিখ, হিৰচিমা আৰু নাগাচাকিত যিদিনা কাল আন্ধাৰে আৱৰি ধৰিছিল সেই তাৰিখতো আমাৰ বাবে এটা নতুন জীৱনৰ আৰম্ভণি হৈছিল। তুমি হয়তো এই দিনটো কোনোবা দিনাই পাহৰি গ'লা। পাহৰি গ'লা সকলো সপত।

কিন্তু মই মৃত্যুৰ মুহূৰ্তলৈ পাহৰিব নোৱাৰো এইদিনটো হয়তো সেই বাবেই মই আগ্ৰহেৰে বাট চাই থাকো এই দিনটোলৈ। তুমি হয়তো পাহৰিলা সেই ধুনীয়া গধূলি লগণ

তোমাৰ আৰু মোৰ প্ৰথম মিলন।
লেখৰ জিলমিল পোহৰত পাৰ ভঙা গধুলি
দুবাহুত সাবতি যে মৰম দিছিলা মোক দুটি ওঠৰ মিঠা-মিঠা পৰশলৈ
মনত পৰেনে তোমাৰ সেই দিনটোলৈ
যিদিনা আমি দুয়ো জনম-জনমলৈ মিলন হৈছিলো
তুমি হয়তো পাহৰি গ'লা সেই সীমাহীন
মৰমৰ আকুলতা।
এই অকলশৰীয়া সময়ত তোমাৰ 'পাছপোৰ্ট' ফটোখন
মোৰ বুকুৰ মাজত সাৱতি ধৰি তোমালৈ মনত কৰিছো
তুমি মোৰ লগত আছা
মই অনুভৱ কৰিছো
ব্যায়াকুল হৈ পৰিছো মই আজি তোমাৰ বাবে।
তুমি আহা না 'প্লিজ' মাথো এবাৰ আহা 'অ' মোৰ ওচৰলৈ।
মই বৰ অকলশৰীয়া হৈ পৰিছো 'অ'

এতিয়া তোমাৰ সান্নিধ্য বিচাৰিছো। মাত্ৰ এবাৰ মোৰ ওচৰলৈ আহা। কিয় তুমি মোৰ পৰা আঁতৰি যাব বিচাৰিছা?

মোক বেয়া পোৱা নে খং কৰা?

মোৰ বৰ ভয় লাগে জানা তুমি যদি মোক এৰি থৈ যোৱা জীৱন বাটত দিশহাৰা হৈ মই কিদৰে জিয়াই থাকিম তুমি অবিহনে।

মোৰ আশা-ভৰষা সকলো তোমাৰ আগত ব্যক্ত। তুমি অবিহনে মোৰ জীৱনৰ কোনো মূল্যই নাই তথাপি কিয় মোক এৰি যাব বিচৰা। তোমাৰ বাবে মোৰ মৃত্যুও ক্ষুদ্ৰ, কাৰণ মোৰ দেহখন সকলোতে তুমি সন্নিবিষ্ট হৈ আছা। তোমাৰ মৰমে মোক বাউলি কৰিছে, মই আৰু অকলে থাকিব নোৱাৰো। সঁচা প্ৰেমত হেনো যিমান অপমান, যিমান গৰিহণা পালেও সকলো পাহৰি যাই।

মই সকলো পাহৰিছো সেয়ে তোমাৰ লগত থাকি জীৱনৰ বাকি থকা দিনবোৰ কটাব বিচাৰিছো।

য'ত থাকিব মাথো আমাৰ সুখৰ অনুভূতিবোৰ আৰু আমাৰ মৰমৰ প্ৰমাণ। আৰু বেচিকৈ লিখি তোমাক আমনি নকৰো দিয়া 'ইণ্টাৰনেট'ৰ যোগত চিঠি পঢ়ি কিজানি আমনিয়ে পাবা। তুমি হয়চো 'ফেচবুক', 'ৱাট্‌ছ আপ্' আদিত ব্যস্ত তথাপি আশা কৰো মোৰ মৰমৰ অনুভূতিবোৰ এইখন চিঠিৰ যোগেদি তোমাৰ অন্তৰ স্পৰ্শ কৰিব পাৰিব, কাৰণ মৰম ইমান নিষ্ঠুৰ নহয়।

'অ' মোৰ তোমাৰ ওচৰত এটা সৰল প্ৰাৰ্থনা জীৱনৰ বিয়লি বেলাত যদি কেতিয়াবা মোক সঁচাকৈ পাহৰি যোৱা অনুগ্ৰহ কৰি এই চিঠিখন এবাৰ পঢ়ি চাবা। তোমাৰ প্ৰতি থকা মোৰ মৰম, ভালপোৱা, আশা-আকাংশা, তোমাৰ আগত ব্যক্ত সকলো কথাই মাত্ৰ এবাৰ দুচকু মুদি মনত পেলাবা—

তুমি য'তেই নাথাকা কিয়
মই তোমাৰ লগত সদায় আছো।
মাত্ৰ এবাৰ তুমি মৰমেৰে মাতিবা (মাইনা)
ইতি—
...........

# নিস্তব্ধ মৰম

—শ্ৰীৰিমা ভড়ালী
স্নাতক প্ৰথম ষান্মাসিক

আজি মাঘৰ উৰুকা, গাঁওখনৰ ইটো মূৰত সজা মেজিৰ তলত আজি সকলোৱে মিলি জুলি উৰুকাৰ ভাতখাজ খাব কি যে এ অনাবিল আনন্দময় পৰিৱেশ। ইফালে আকৌ সকলোৱে ঘৰে ঘৰে পিঠা-পনা বনোৱা, চিৰা-সান্দহ কিমান যে কাম কি যে এক মায়াৱী পৰিৱেশে বিৰাজ কৰেহি গাঁওখনত। বিশেষকৈ মাঘৰ এই উৰুকা নিশা মেজিৰ তলত সকলোৱে একেলগে ভাতখাজ খোৱাৰ কিযে আনন্দ। হাড় কপোৱা ঠাণ্ডাত কপি কপি ভাত খাবলৈ যোৱাৰ দৃশ্য। আজি এই বিলাক কথাই নিশাৰ মনত বৰকৈ খুন্দিয়াইছেহি লগতে মনত পৰিছে খাবলৈ। সিহঁতৰ ঘৰখনত এক নিস্তব্ধ পৰিৱেশ। আগতে এইদিনটোত আনন্দত মতলীয়া হৈ পৰা নিশা আৰু ভায়েকৰ কাৰণে আজিকালি বৰ অসহনীয় হৈ পৰিছে। মাকৰ স্মৃতি বিজড়িত এই দিনটোলৈ সিহঁতৰ ঘৃণা ওপজে। গাঁৱৰ বুঢ়া-মেথা, সিহঁতৰ লগ সমনীয়া সকলো যেতিয়া উৰুকাৰ ভাত খাবলৈ যায়। মেজিৰ উম ল'বলৈ যায় তেতিয়া নিশাৰ খুব খং উঠে। হঠাতে ইৰ্ষাপৰীয়া হৈ উঠে তাইৰ মনতো। পিছমুহূৰ্ততে এই আকৌ উপলব্ধি কৰে তায়োতো গৈছিল এদিন এনেকৈ মেজিৰ তলত ভাত খাবলৈ, তেন্তে এতিয়া....? আনবাৰৰ দৰে সেইবাৰো সিহঁতৰ গাঁৱত সিহঁতৰ ঘৰত ভোগালীৰ আয়োজন চলিছিল। লগতে সিহঁতৰ অজানিতেই যেন অন্য এক আয়োজন চলিছিল দুখৰ আয়োজন। আকস্মিকভাৱে মৃত্যু হৈছিল সেইদিনা নিশাৰ মাকৰ। সেইদিনাৰ পৰা দুবেলা দুমুঠি খাই সুখে সন্তোষে থকা ঘৰখনত এক নিস্তব্ধ পৰিৱেশে বিৰাজ কৰিছিল। সহজ সৰল দেউতাকৰ মনতো ভাগি পৰিছিল মৰম আলগুৱা ভায়েকেও যেন এক অবুজ বেদনাত চিঞৰি উঠিছিল। সলনি হৈছিল পৰিৱেশ ঘৰখনৰ সলনি হৈছিল জীৱনৰ গতিপথ জীৱনৰ। বাপেকেও যেন সকলো হেৰুৱাই পেলাইছিল। মাকৰ সহযোগত সাহসত তেওঁ যিখিনি কৰিছিল সেয়া কৰিবলৈ যেন তেওঁ পাহৰি গৈছিল। মাকৰ অবিহনে ঘৰখনত যি শূণ্যতাৰ সৃষ্টি হৈছিল সেই শূণ্যতাই তেওঁৰ সকলো কাঢ়ি লৈ গৈছিল। ল'ৰা-ছোৱালী দুটাৰ চিন্তা অভাৱে লগ নেৰিবলৈ ধৰা ঘৰখনৰ চিন্তাই তেওঁক মানসিকভাৱে জুৰুলা কৰি পেলাইছিল। লগতে শৰীৰৰো অৱনতি ঘটিছিল। অৱশেষত মানুহজন মানসিক ৰোগীত পৰিণত হ'বলৈ লৈছিল। এইবিলাকৰ নিৰৱ সাক্ষী হৈ ৰৈছিল নিশা।

এতিয়া আৰু সিহঁতৰ ঘৰত সেই উৎসৱ মুখৰ পৰিৱেশ নাই। এতিয়া নিশাহতে মাঘৰ উৰুকাত পিঠা-পনা নবনায়। মাক ঢুকুৱাৰ দিনৰে পৰা সিহঁতে মেজিৰ তলত ভাত খাবলৈ নাযায়। সেয়ে নিশাই সত্য কৰিব নোৱাৰে মেজিৰ তলত ভাত খাবলৈ যোৱা মানুহৰ উৎসৱমুখৰ পৰিৱেশ চিঞৰি চিঞৰি ক'বলৈ মন যায় চা, আমালৈ চা আমি কেনেকৈ জীয়াই আছো।

এতিয়া আৰু নিশা আগৰ সেই সৰলমনা নিশাজনী হৈ থকা নাই। তাই এতিয়া পৰিৱেশৰ সৈতে খোজ দিবলৈ শিকিছে। পৰিস্থিতিয়েও তাইক বহুখিনি শিকাইছে। সীমাহীন ব্যস্ততাই যেন তাইক কোঙা কৰি পেলাইছে। উপায়তো নাই ৰোগীয়া বাপেক আৰু ভায়েকৰ কাৰণে তায়ে যে এতিয়া একমাত্ৰ সমল হৈ পৰিছে। পুৱা-গধূলি নিশাই নিজৰ শিক্ষাখিনিৰে শিকাব পৰাকৈ দুই-এটা সৰু ল'ৰা-ছোৱালীক টিউচন কৰে। ঘৰৰ কাম-বন অতাই তাই কাপোৰো বয়। কাপোৰ বেছি পোৱা আৰু টিউচনৰ পইচাকেইটাৰে দুবেলা দুমুঠি খাবলৈ আৰু ভায়েকৰ পঢ়া খৰচ দিবলৈ যেন অসুবিধা হয়। তথাপিতো নিশাই আপত্তি নকৰে তাই কামলৈ ভয় নকৰে যিকোনো কামৰ লগতে তাই ফেৰ মাৰিবলৈ শিকিছে। কিন্তু ইয়াৰ মাজতো যে তাইক এক অবুজ চিন্তাই এক নুবুজা ভয়ে কোনেই নজনাকৈ তাইক খুলি খুলি খাবলৈ ধৰিছে। গধূলি হ'লেই তাই ভয়ত পেপুৱা লাগে। গাঁৱৰ কেইটামান পশুসদৃশ মানুহৰ কাৰণে পশুবোৰৰ চকু তাইৰ গাভৰু দেহটোলৈ। এই বিলাকৰ বৰ বেছি আত ভাত নুবুজা ভায়েককে সাৰথি কৰি তাই অপেক্ষা কৰে দিনৰ পোহৰলৈ। দিনৰ পোহৰেই যেন তাইৰ বাবে সুৰক্ষা কবচ।

মাক ঢুকুৱাৰ তিনি বছৰ হ'ল এই সময়খিনিয়ে তাইক বহুত

শিকালে। পৰিৱেশে যেন তাইক বহুত অভিজ্ঞ কৰি তুলিলে। জীৱন সংগ্ৰামৰ অভিজ্ঞতাৰে তাই এতিয়া অভিজ্ঞ। তাই শিকিছে মানুহ কিমান স্বাৰ্থপৰ। জীৱন বাটত যে কোনেও বিনা স্বাৰ্থত কাকো লগ নিদিয়ে। সেয়ে তাই সহজতে কাকো বিশ্বাস নকৰে। তাইৰ নিসংগতাৰ সুবিধা লৈ কেতিয়াবা কেতিয়াবা মুখা পিন্ধা নায়ক আগবাঢ়ি নহা নহয়। কিন্তু তাই বৰ বেছি সুবিধা নিদিয়ে বেয়াকৈ নকয় সেয়াও বিপদ হ'ব পাৰে। সকলো জানি বুজি তাই তাইৰ বুদ্ধিমত্তাৰে কোনোমতে আঁতৰি আহে। তাইৰ বাপেকৰ বয়সৰ মানুহে যেতিয়া তাইক বিদ্ৰূপৰ দৃষ্টিৰে চায় তাইৰ ঘৃণা ওপজে এই জাতিটোলৈ কিন্তু সকলো পুৰুষোতো এনেকুৱা নহয়। হয়তো এই ঘৃণাৰ বাবেই তাইৰ এই পুৰুষ নামৰ জাতিটোৰ লগত বৰ বেছি সম্পৰ্ক নাই আগতেও তেনেকৈ নাছিল। তাইৰ সৰুকালৰ খেলৰ লগৰীয়া বুলিবলৈ জিনা, মমী, প্ৰিয়াৰ লগতে পল আৰু নিবিড় আছিল। ইহঁতকেইজনীতকৈ পল আৰু নিবিড় বয়সত অলপ ডাঙৰ আছিল। শ্ৰেণীতো সিহঁতকেইটা দুটা শ্ৰেণী আগত আছিল। হ'লেও সিহঁত যেন সমনীয়াৰ নিচিনাই আছিল। সেই সময়ত সিহঁতকেইটা এৰা এৰি নহৈছিল। আনকি হাইস্কুলত পঢ়োঁতেও সিহঁতে একেই আছিল। তাৰ পিছত আৰু সিহঁতে বন্ধুত্বৰ এনাজৰীডাল ধৰি ৰাখিব পৰা নাছিল। নিশাৰ বাহিৰে বাকী কেইটাৰ পঢ়াৰ খাতিৰত বেলেগে বেলেগে থাকিবলৈ লৈছিল। বন্ধুত্বৰ মাজতো যে নিশাৰ মনত অন্য এক সম্পৰ্কই গজালি মেলিবলৈ আৰম্ভ কৰিছিল। ভালপোৱা নামৰ চৰাইজনীয়ে বুকুত বাহ ল'বৰে পৰাই তাই নিবিৰক লৈ বহুতো সপোন দেখিছিল। আকাশ চুই চোৱাৰ সপোন ৰামধেনুৰ ৰঙেৰে জীৱন বোলোৱাৰ সপোন। সেইবিলাক সকলো কালক্ৰমত বিলিন হৈ গৈছিল কিয়নো তাই ভয়, লাজ আৰু সংকোচত সেই ব্যাথা কোনোদিনেই প্ৰকাশ কৰা নাছিল। শৈশৱ কৈশোৰৰ স্মৃতি বিজড়িত অপ্ৰকাশিত প্ৰেমৰ সপোন এতিয়াও সপোন হৈয়ে ৰ'ল। আৰু নিবিড় সি বা কি ভাবিছিল তাই এইবিলাক একো জনা নাছিল।

এদিন হঠাৎ নিশাহঁতৰ দুৰ সম্পৰ্কীয় পেহীয়েক এজনী সিহঁতৰ ঘৰ ওলালহি লগত এজন প্ৰায় চল্লিশৰ ডেওনা পাৰ হোৱা মানুহ। মানুহজনক নিশাই চিনি নাপায় পেহীয়েকৰ মুখৰ পৰা জানিব পাৰিলে মানুহজন হেনো খুব ডাঙৰ বিজনেচমেন। আৰু খুব ভালো। তেওঁৰ ধেৰ টকা-পইচা থকা বুলি অলপো অহংকাৰ ভাৱ নাই। দুখীয়া নিচলাক তেওঁ সহায় কৰি খুব ভাল পায়। পেহীয়েকে মানুহজনৰ বিষয়ে আৰু বহুত কিবা কিবিয়ে ক'লে আৰু ক'লে আচলতে কথাটো কি জানা নিশা মানুহজনৰ যদিও অলপ। বয়স হৈছে তেওঁ এতিয়াও বিয়া বাৰু কৰোৱাই নাই। বয়স অলপ হ'বই দেচোন ইমান ডাঙৰ বিজনেচমেন অনবৰতে ব্যস্ত হৈ থাকিব লাগে। তাতে আৰেগ তেওঁৰ পৰিয়ালৰ আপোন বুলিবলৈও তেনেকুৱা কোনো নাই বিয়া বাৰৰ ক্ষেত্ৰত জোৰ দিবলৈ। তেওঁ এতিয়া নিজে অনুভৱ কৰিহে মোক ছোৱালী এজনী চাবলৈ ক'লে তেওঁক হেনো দুখীয়া ঘৰৰ ছোৱালী লাগে যিয়ে আদৰ, সন্মান, মৰমৰ মূল্য বুজি পায়। মই ভাবিলো মানুহজনৰ কাৰণে তয়ে উপযুক্ত হ'বি আৰু তহঁতৰ ঘৰখনৰ কাৰণেও মংগল হ'ব দেচোন। মানুহজনৰ যিহেতু আপোন কোনো নাই তয়েতো হৰ্ত্তা কৰ্ত্তা হবি। আৰু তোৰ ভায়েৰৰ কথাও অলপ ভাবচোন তাৰোতো পঢ়া-শুনা, জীৱনতো গঢ় দিয়াৰ কথা আছে। টকা-পইচা অবিহনে তই এইবিলাক কেনেকৈ কৰিবি তাতে আকৌ তই অকলে। অৱশ্যে মই নিজৰ মানুহ হ'লেও তোক জোৰ নকৰো। সেইটো তোৰ কথা। তোৰ ভালৰ কাৰণে এনেকুৱা এটা প্ৰস্তাৱ তোৰ ওচৰলৈ আনিছো। ইমান সময়ে পেহীয়েকৰ কথা শুনি থকা নিশাই কি উত্তৰ দিব তাই ভাবি নেপালে। ৰোগীয়া বাপেক, মৰমৰ ভায়েকক এনেকৈ এৰি থৈ তাই.....। পেহীয়েকে আকৌ ক'লে নিশা, তই কি ভাবিছ নেজানো কিন্তু এটা কথা তই বিয়াৰ কাৰণে টকা-পইচাৰ কথা একো নেভাবিবি। তেওঁ একেবাৰে সাধাৰণভাৱে দুজন বন্ধুৰ সৈতে আহি তোক লৈ যাবহি। বাৰু আমি এতিয়া যাওঁ তই সিদ্ধান্ত ল'বি মই দুদিন পিছত আহি খবৰ কৰিমহি মানুহজনেও আহিছো বুলি কই নিশাক মাতষাৰ দিলে তাৰ বাহিৰে মানুহজনৰ লগত নিশাৰ বিশেষ একো কথা নহ'ল।

নিশা যেন বিবুদ্ধিত পৰিল কি কৰিব এতিয়া তাই বাপেকতো অনবৰতে অন্যমনস্ক হৈ চিন্তাতে ডুব গৈ থাকে বোবাৰ নিচিনা হৈ গৈছে কিবা ক'লেও তাৰ উত্তৰ একো নিদিয়ে। আৰু ভায়েক ভায়েকক দেখোন ক'বলৈ তাইৰ বেয়া লাগিছে। যি সিদ্ধান্ত ল'ব লাগে তাই নিজেই ল'ব লাগিব। পেহীয়েকৰ কথাখিনি ভাবি ভাবি তাই ওৰ পোৱা নাই। ইমানদিনে কোনো খা-খবৰ নোলোৱা মানুহজনীৰ হঠাৎ... তাতে আকৌ মানুহজনো ইমান.... তাই নিজে নিজকে প্ৰবোধ দিবলৈ গৈ ভাবিলে এইবিলাক যিয়ে নহওঁক সেই বিলাকৰ প্ৰতি তাইৰ কোনো আগ্ৰহ নাই। পেহীয়েকৰ সেই কথাষাৰিয়েহে তাইক আপ্লুত কৰিছে। ভায়েকৰ জীৱনতো তাই গঢ় দিব লাগিব। ৰোগীয়া বাপেকক দুবেলা দুমুঠি খুৱাব লাগিব। গতিকে ইয়াৰ বাবে তাই যিকোনো সিদ্ধান্ত ল'বলৈ সাজু। তাৰোপৰি মানুহজন যদি সঁচাকৈ সহানুভূতিশীল হয়। ইয়াতকৈ আৰু তাইৰ বাবে সৌভাগ্যৰ কথা কি হ'ব পাৰে। ভায়েকক মানুহ কৰাৰ আনন্দই যেন তাইৰ মনতো সলনি কৰি পেলালে।

ইফালে আকৌ নিবিড়ে কথাটো গম পোৱাৰে পৰা এক

অবুজ বেদনাত চতফতাই আছে। মানুহজনিক সি ভালকৈয়ে জানে আৰু মানুহজনীয়েও ঠিকে কৈছে তেওঁ ডাঙৰ বিজনেচমেন। হয়, তেওঁ বিজনেচমেন মানুহৰ বিজনেচমেন। তেওঁ সেইখন বজাৰৰ বিজনেচমেন য'ত মানুহ কিনা বেচা হয়। কিছুমান মিছা প্ৰলোভনেৰে যুৱক-যুৱতীসকলো আপ্লুত কৰি তেওঁলোকৰ অজানিতে আন এখন বজাৰত টকাৰ বিনিময়ত বিক্ৰী কৰা হয়। যিটোক তথাকথিত ভাষাত মানৱ সৰবৰাহ বুলি কোৱা হয়। নিশাও যে এই চক্ৰান্তৰ বলি হ'ব সেয়া ধ্ৰুৱ। সি তাৰ মনটোক বুজনি দিব খুজিও বুজনি দিব পৰা নাই। সিদিনা পলে সেই মানুহজন নিশাহঁতৰ ঘৰলৈ অহা বুলি কোৱাৰে পৰা সি ভালকৈ একো এটা কৰিব পৰা নাই। বুকুখনত কিবা এক অবুজ বেদনাই খুন্দা মাৰি ধৰেহি। পলৰ মুখৰ পৰা কথাটো শুনাৰে পৰাই তাক কিছুমান পাৰাপাৰহীন চিন্তাই আগুৰি ধৰিছেহি। সি জনাত এনে কিছুমান ঘটনাতো বস্তুতৰ ক্ষেত্ৰতে হয় আৰু সিটো একে প্ৰতিক্ৰিয়া অনুভৱ নকৰে। কিন্তু নিশাৰ ক্ষেত্ৰত কিয় তাৰ এনেকুৱা হৈছে। নিশা তাৰ সৰুকালৰ লগৰী সঁচা ঠিক সৰুকালৰ বুলি ক'লেও ভুল হ'ব হাইস্কুলীয়া জীৱনলৈকে সিহঁতে একে আছিল কিন্তু তেতিয়াতো সি এনেকুৱা একো অনুভৱ কৰা নাছিল। ইমানদিনে সমস্যাৰে ভাৰাক্ৰান্ত হৈ থকা নিশালৈকেতো তাৰ বিশেষভাৱে একো দৰদ ওপজা নাছিল। এইবিলাকৰ উত্তৰত সি এতিয়া লাহে লাহে অনুভৱ কৰিবলৈ লৈছে হয়তো তেতিয়াই তাৰ অজানিতে তাৰ বুকুৰ কোনোবাতো নিভৃত কোণত ভালপোৱাবোৰ থুপ খাবলৈ লৈছিল আৰু সেয়া যেন এতিয়া উথলি উঠিছে। কিন্তু কিন্তু সি কেনেকৈ আগবাঢ়ে নিশাই বা কিভাৱে। নহয় সি আগবাঢ়িব সি আগবাঢ়িবই লাগিব নিশাই যিয়ে নাভাবক কিয় সি নিশাক বাধা দিব লাগিব, বুজাব লাগিব, দেখুৱাব লাগিব তাৰ বুকুত ইমানদিনে থুপ খাই থকা এতিয়া গলিবলৈ ধৰা ভালপোৱাবোৰ। সি কথাটো ভাবিয়ে আনন্দত মতলীয়া হৈ পৰিল। সি অনুভৱ কৰিলে তাৰ বুকুত কিবা টুপ্ টুপ্ শব্দ হৈছে। হয়তো গলিবলৈ আৰম্ভ কৰা ভালপোৱাবোৰ এতিয়া টুপ্ টুপকৈ সৰিবলৈ আৰম্ভ কৰিছে বৰষুণৰ নিচিনাকৈ। হয়। বৰষুণ ভালপোৱাৰ বৰষুণ হয়তো অলপ পিছতে বৈ যাব তাৰ বুকু ভেদি নিশাৰ বুকুলৈ ভালপোৱাৰ নৈ।◆◆

# তিনিৰ মহত্ব

—শ্ৰীসবিতা ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

১। তিনিটা বস্তুৱে জীৱনত কালৈকো অপেক্ষা নকৰে।
— জন্ম, মৃত্যু আৰু সময়।
২। তিনিটা বস্তুৰ পৰা নিজকে বঁচাই চলিব লাগে।
— কুসংগ, আত্মস্বাৰ্থ আৰু পৰনিন্দা।
৩। তিনিটা বস্তু সদায় নিজৰ অধীনত ৰাখিব লাগে।
— কাম, ক্ৰোধ আৰু মোহ।
৪। তিনিটা বস্তু জীৱনত এবাৰহে আহে।
— পিতৃ, মাতৃ আৰু যৌৱন।
৫। তিনিটা বস্তুৱে আয়ুস কমায়।
— অসৎ চিন্তা, পৰৰ অনিষ্ট আৰু পৰচৰ্চা।
৬। তিনিটা বস্তুৱে জীৱন মহৎ কৰি তোলে।
— সৎ চিন্তা, পৰিশ্ৰম আৰু অধ্যয়ন।
৭। তিনিটা কথা কেতিয়াও পাহৰিব নেলাগে।
— কৰ্তব্য, ঋণ আৰু আত্মসন্মান।
৮। তিনিজনৰ প্ৰতি সদায় দয়াশীল হ'ব লাগে।
— নাবালক, ভোকাতুৰ আৰু পাগল।

# কুইজ

—চিনুমা বেগম
স্নাতক প্ৰথম বৰ্ষ

১) অসমৰ বৰ্তমান মুঠ জনসংখ্যা কিমান?
উত্তৰ ঃ ৩১,১৬৯,২৭২জন (২০১১ চনৰ লোকপিয়ল মতে)।
২) অসমৰ কোন দুগৰাকীয়ে প্ৰথম মাউণ্ট এভাৰেষ্ট আৰোহণ কৰিছিল?
উত্তৰ ঃ মনীষ ডেকা আৰু তৰুণ শইকীয়া।
৩) প্ৰথম অসমীয়া মহিলা পাইলট গৰাকী কোন?
উত্তৰ ঃ ধীৰা হাজৰিকা।
৪) উৰা জাহাজ কোনে, ক'ত আৰু কেতিয়া আৱিষ্কাৰ কৰিছিল?
উত্তৰ ঃ উইলবাৰ আৰু ওৰভিল ৰাইট ১৯০৩ চনত আমেৰিকাত।
৫) শাখামৃগ কি?
উত্তৰ ঃ বান্দৰ।
৬) পূৰ্ণবয়স্ক মানুহৰ মস্তিষ্কৰ ওজন কিমান?
উত্তৰ ঃ প্ৰায় ডেৰ কিলোগ্ৰাম।
৭) ডায়নামো কি?
উত্তৰ ঃ বিজুলী শক্তি উৎপন্ন কৰা যন্ত্ৰ।

গল্প

# এনেকৈয়ে ভাঙে সপোন

—শ্ৰীদীপজ্যোতি দাস
প্ৰাক্তন ছাত্ৰ

বৰ্ণালীয়ে ঘড়ীটোলৈ চালে, ৰাতিপুৱা সাত বাজিছে। তাই খৰধৰকৈ উঠি সকলো কাম বন কৰি টিউচনলৈ যাবলৈ ওলায়।

বৰ্ণালী ঘৰৰ ডাঙৰ ছোৱালী আৰু এজন ভায়েক আছে। নাম অপু, সিহঁত সৰু থাকোতে মাক ঢুকাইছে। দেউতাকে আনৰ ঘৰত কাম কৰি সিহঁত দুটাক ডাঙৰ-দীঘল কৰিছে। বৰ্ণালীৰ ভায়েক অপু দশম শ্ৰেণীৰ ছাত্ৰ। বৰ্ণালীয়ে বি এ পঢ়িছিল, এম এ কৰিম বুলি কিন্তু টকাৰ অভাৱত পঢ়া নহ'ল। এইফালে দেউতাকৰ বেমাৰ আনফালে ভায়েকক পঢ়ুৱাবলৈ টকাৰ প্ৰয়োজন। সেইবাবে বৰ্ণালীয়ে দুটামান টিউচন ব্যৱস্থা কৰিছে। মাকৰ এটাই ইচ্ছা আছিল একমাত্ৰ ল'ৰা অপুক পঢ়ুৱাই ডাঙৰ মানুহ কৰাৰ, কিন্তু বিধাতাই মাকৰ ইচ্ছা পূৰাব নিদিলে। মাকৰ ইচ্ছা পূৰণ কৰিবলৈ বৰ্ণালীয়ে বহু কষ্ট কৰি অপুক পঢ়ুৱাইছে।

আনফালে দেউতাকৰ অৱস্থা একেবাৰে বেয়াৰ ফালে যোৱা কাৰণে দেউতাৰ চিন্তা অধিক বাঢ়ি গৈছে। বৰ্ণালী ডাঙৰ হৈছে তাইক আন এখন ঘৰলৈ উলিয়াই দিব পাৰিলে...।

দেউতাৰ বন্ধু প্ৰভাত কলিতাৰ ল'ৰা অমৰ কলিতা তেওঁ এজন চৰকাৰী চাকৰিয়াল, প্ৰভাতে বৰ্ণালীক অমৰলৈ বিয়া দিয়া নে নিদিয়ে বৰ্ণালীৰ দেউতাকক সুধিছিল। কিন্তু বৰ্ণালীয়ে এই প্ৰস্তাৱ গ্ৰহণ কৰা নাছিল। তাই ভাবিছিল যে মই বিয়া হৈ যোৱাৰ পিছত দেউতাকক কোনে চাব, আৰু মাকৰ কল্পনা কোনে পূৰণ কৰিব? সেই ভাবি তাই বিয়াত নবহিল।

লাহে লাহে অপুৰ পৰীক্ষাৰ কাষ চাপিল। অপু পঢ়াত চোকা, সেইকাৰণে স্কুলৰ শিক্ষকসকলেও অপুক বহুত ভাল পায়। তেওঁলোকৰ এটাই আশা অপুয়ে এটা ভাল ফলাফল দেখুৱাব।

দিন গ'ল অপুৰ পৰীক্ষা শেষ হ'ল। এদিন পৰীক্ষাৰ ৰিজাল্ট ওলাল, অপুয়ে অসমৰ ভিতৰত তৃতীয় স্থান লাভ কৰিছে। অপুৰ পৰীক্ষাৰ খবৰ শুনি বৰ্ণালী, বৰ্ণালীৰ দেউতাক, শিক্ষক সকলোৰে মুখত আনন্দৰ জ্যোতি উজ্বলি উঠিছে, কিন্তু অপুৰ মুখত আনন্দৰ ছাঁ সমূলি নাই। অপুয়ে ভাবিছে, ইমান দিনে সি বায়েকৰ বোজা হৈ আছে, সি আৰু বায়েকৰ বোজা হ'ব নিবিচাৰে।

বৰ্ণালীয়ে এইবাৰ টিউচন কৰিয়েই নহয় দিন হাজিৰা কৰি টকা গোটাই ভায়েকক কলিকতালৈ পঢ়িব পঠালে। দিন, মাহ কৰি অপু যোৱা এক বছৰ হ'ল। দেউতাকৰ ৰোগ আৰু বেছি হ'ল। বৰ্ণালী দেউতাকক এনেকৈ ৰোগত ভুগি থকা চাব নোৱাৰি এজন চিকিৎসকৰ ওচৰলৈ লৈ গ'ল। তাৰ পিছত গম পালে দেউতাকৰ ব্ৰেইন টিউমাৰ হৈছে। চিকিৎসকে সোনকালে বাহিৰলৈ লৈ যোৱাৰ কথা ক'লে। বৰ্ণালীয়ে জানে যে এই বেমাৰ সহজে ভাল হোৱা বেমাৰ নহয়। ভাল হ'লেও কেইদিন মানুহে বাছি থাকিব।

আনফালে বৰ্ণালীৰ ইমান টকাও নাছিল। সেইবাবে দেউতাক নিব নোৱাৰিলে।

হঠাৎ এদিন নিশা বৰ্ণালী অপু সকলোকে মায়াৰ সাগৰত এৰি দেউতাক গুচি গ'ল। মৃত্যুৰ খবৰ বৰ্ণালীয়ে অপুক নজনালে। দেউতাকৰ মৃত্যুত বৰ্ণালী শোকত ভাগি পৰা নাছিল। তাই ভাবিছিল যদি তাই ভাগি পৰে তেতিয়াহ'লে ভায়েকক কোনে চাব।

লাহে লাহে তিনিটা বছৰ পাৰ হ'ল। অপুয়ে সুখ্যাতিৰে ইঞ্জিনিয়াৰিঙৰ ডিপ্লমা পাৰ কৰিলে আৰু অপু এতিয়া এজন সুদক্ষ ইঞ্জিনিয়াৰ।

এতিয়া তেওঁলোকৰ ঘৰত বৰ্ণালী আৰু অপু। ভায়েক অপুয়ে এতিয়া বাইদেউয়েক বিয়া দিয়াৰ কথা ভাবিছে আৰু এজন ল'ৰাও ঠিক কৰিছে। বৰ্ণালীয়ে এইবাৰ আপত্তি নকৰিলে।

এদিন অপু চাকৰিৰ কামত কলিকতালৈ যাব লগা হ'ল। যাবৰ ইচ্ছা নাছিল যদিও বৰ্ণালীয়ে যাবলৈ কোৱাত অপু গ'লগৈ।

কিন্তু এয়া কি?

ফেঁচা চৰাই এটাই বিকট শব্দ কৰি বৰ্ণালীৰ মুখৰ ওপৰেৰে উৰি গ'ল। বৰ্ণালীয়ে নিজকে বিশ্বাস কৰিবলৈ টান পাইছিল। তাই গ'ম পালে কলিকতালৈ যোৱা গাড়ীখন দুৰ্ঘটনাত জ্বলি গ'ল।

তাইৰ ভৰিৰ তলৰ মাটিখিনি যেন আঁতৰি গ'ল। নিষ্ঠুৰ নিয়তিয়ে দুখৰ সমভাগি ভায়েক অপুকো লৈ গ'ল।

অপু গ'লগৈ স্বৰ্গসুখ বিচাৰি আৰু বৰ্ণালী এই মায়াৰ পৃথিৱীত পংগু হৈ অকলে ৰৈ গ'ল আৰু এনেকৈয়ে ভাঙি গ'ল সপোনবোৰ।

গল্প

# দুৰ্নীতি, আমি আৰু বৰ্তমান সমাজ

—শ্ৰীদীপক কুমাৰ
প্ৰাক্তন ছাত্ৰ

বৰ্তমান সমাজৰ এক অশুভ শক্তি হ'ল দুৰ্নীতি। প্ৰাচীন কালৰে পৰা এতিয়ালৈকে আমাৰ সমাজত শুভ শক্তিসমূহৰ লগতে কিছুমান অশুভ শক্তিয়ে ক্ৰিয়া কৰি আছে। আৰু এই শক্তিয়ে সমাজখনক গ্ৰাস কৰি আহিছে। সেইবোৰৰ ভিতৰত এটি প্ৰাচীন সমস্যা হ'ল দুৰ্নীতি। সমাজ এখনৰ সৰ্বাংগীন সম উন্নতিৰ বাবে নিকা আৰু স্বচ্ছ কাম-কাজ। তথা নিঃস্বাৰ্থৰ মনোভাৱৰ প্ৰয়োজন। কিন্তু জীৱনৰ প্ৰকৃত পৰম তত্ত্ব উদ্ভাৱনৰ দোমোজাত পৰি সৰহ সংখ্যক ব্যক্তিয়েই এক বিলাসী জীৱন আৰু আৰ্থিক ক্ষমতাৰ মোহত পৰে। যাৰ বাবে সমাজৰ দায়ৱদ্ধতাৰ কথা পাহৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰাত ব্যস্ত হৈ পৰে। ভাৰতীয় দৰ্শনৰ নীতি-দৰ্শনৰ নীতি-আদৰ্শ ত্যাগ কৰি, কম শ্ৰম কৰি, কম সময়তে চহকী হ'বলৈ দুৰ্নীতিৰ আশ্ৰয় গ্ৰহণ কৰে। বৰ্তমান সময়ত প্ৰাকৃতিক দুৰ্যোগ, সন্ত্ৰাসবাদ আদি সমস্যাই পৃথিৱীত যিমান অপকাৰ কৰি আহিছে ঠিক সম পৰিমাণে দুৰ্নীতিয়েও সামাজিক উন্নয়নত আঘাত হানিছে। আপোনাৰ বা মোৰ ঘৰৰ পৰিৱেশ ভাল হ'লে কি হ'ব, যদিহে ওচৰৰ লোকজন বেয়া কামৰ বাবে ওস্তাদ। যেনেকৈ এক বস্তা ভাল আলুৰ মাজত থকা এটা পঁচা আলুৱে গোটেই আলু নষ্ট কৰিব পাৰে, ঠিক তেনেদৰে এজন বেয়া মানুহে বা এটা বেয়া ঘটনাই গোটেই গাঁওখনৰ বা আমাৰ জাতিটোক ধ্বংসৰ মুখলৈ নিব পাৰে। গৱেষকসকলে ইতিমধ্যে তথ্য প্ৰকাশ কৰিছে যে স্বচ্ছ-নিকা কাম-কাজেৰে জীৱন-যাপন কৰা সকলে যি পৰিশ্ৰমেৰে সামাজিক উন্নয়ন সাধি আহিছে, বৰ্তমান দুৰ্নীতিত লিপ্ত লোকৰ সংখ্যা বৃদ্ধি পোৱাৰ কাৰণে তাৰ প্ৰভাৱত সামাজিক উন্নয়নৰ হাৰ ক্ৰমাৎ কমিব ধৰিছে।

সমাজ উন্নয়নৰ প্ৰধান সমস্যা দুৰ্নীতি নিবাৰণত প্ৰশাসনৰ লগতে সমাজখনৰ সহযোগিতা একান্তই প্ৰয়োজনীয়। কাৰণ আপোনাৰ আৰু মোৰ পৰিয়ালটোৰ পৰা আৰম্ভ কৰি ৰাষ্ট্ৰভৱন পৰ্যন্ত সকলো স্তৰতে কেৱল দুৰ্নীতি।

কিন্তু আপুনি বা মই আজি সহযোগ কৰিছো যদিও কিছু কিছু সময়ত আমি আগুৱাই যাবলৈ ভয় কৰো। কাৰণ আমাৰ অন্তৰত দেশভক্ত তৰুণৰাম ফুকনৰ দৰে মহান আত্মা জন্ম লোৱা নাই। আমি কেৱল ব্যস্ত নিজৰ আমোদ-প্ৰমোদত। আজিৰ একবিংশৰ সময়ত আপুনি, আপোনাৰ মা-দেউতা, ভণ্টি-ভাইটিৰ লগত একেলগে বহি টিভিৰ অনুষ্ঠান চাব ভয় বা লাজ কৰে। ইয়াৰ মূলতে হ'ল আপুনি আৰু মই। পাশ্চাত্য সংস্কৃতিৰ কিছুমান সাজ-পোচাকে নৱ-প্ৰজন্মক কামাতুৰ কৰি তোলে। যাৰ ফলত প্ৰতিদিনে আপুনি টিভিৰ স্কিনত দেখা পায় ধৰ্ষণ, নাৰী নিৰ্যাতন আদিৰ দৰে 'বিগ ব্ৰেকিং নিউজ'। বৰ্তমান সময়ৰ এইটো দৈনন্দিন দুৰ্নীতি নহয়নে। অন্য ৰাজ্যৰ তুলনাত আমাৰ অসমত তুলনামূলকভাৱে দুৰ্নীতি বেছি নহয়নে? তেন্তে কিয় আমি নিজক লৈ ব্যস্ত? আমি কিয় সমাজৰ কামত সময় দিব নোৱাৰা হ'লো। যিহেতু আমি গৌৰৱ কৰো, এইখন মোৰ দেশ, আমাৰ দেশ। গতিকে মোৰ দেশৰ কাৰণে কৰিবলগীয়া কাম বহুতো আছে।

এখন সমাজ দুৰ্নীতিমুক্ত কৰিবলৈ সকলো শ্ৰেণীৰ লোকৰে মননশীলতা, সামাজিক সচেতনতাবোধ আৰু নৈতিক বলৰ প্ৰয়োজন। কিন্তু দেখা যায় যে অতীতৰ পৰা বৰ্তমানলৈ সমাজত দুৰ্নীতি ভাল কামৰ বাবে সদায়েই হেঙাৰ হৈ আহিছে। দুৰ্নীতিৰ কাৰণেই পৃথিৱীৰ বহু সভ্যতা বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ উদাহৰণ আছে। যেতিয়া দুৰ্নীতিগ্ৰস্তজনে সৎ এজনৰ সন্মুখত আৰ্থিক স্বচ্ছলতাৰে সমাজৰ আগশাৰীৰ ব্যক্তিৰূপে ঘূৰি ফুৰে, তেতিয়া স্বাভাৱিকতে সৎলোকজন হতাশাগ্ৰস্ত হৈ পৰে। ফলত সৎ লোকজন সামাজিক উন্নয়নৰ এক প্ৰধান অন্তৰায় হৈ পৰিছে। ঠিক একেদৰে দুৰ্নীতিগ্ৰস্ত লোকৰ প্ৰভাৱত সমাজখনৰ মূল আন্তঃগাঁথনিও মোলোক-তোলোক হৈ পৰে। ইয়াৰ প্ৰধান কাৰণ

হ'ল মানুহে দুৰ্নীতি কৰে অৰ্থনৈতিক ক্ষমতা আৰু সামাজিক প্ৰতিপত্তি লাভৰ বাবে। ধন ৰাষ্ট্ৰৰ ধনৰ ভঁৰালত এই ধন 'ক'লা ধন' হিচাপে ব্যৱহৃত হয়। ফলত দেশৰ উৎপাদিত এটা অংশ কোনো কোনো ঠাইত মূল অৰ্থনীতিত অৱিহণা নিদিয়াকৈ থাকি যায়। আনকি চৰকাৰক আয়কৰ ফাঁকি দি বৃহৎ জালিয়াতিবো আশ্ৰয় লোৱা বিভিন্ন উদাহৰণ আমাৰ দেশত বিৰাজমান। আনহাতে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে গাদী দখলৰ স্বাৰ্থত নাইবা আন শক্তিশালী অনুষ্ঠান আদিৰ ক্ষমতা দখলৰ বাবে বহুতে দুৰ্নীতিৰ আশ্ৰয় লয়। ৰাজনৈতিক সমাজ, অফিচ-কাছাৰি, বিভিন্ন কাৰ্যালয়, মহাবিদ্যালয় আনকি বিদ্যালয়ৰ দৰে শিক্ষাৰ মন্দিৰসমূহতো দুৰ্নীতি কৰি থকা লোকসকল আমাৰ চকুত জল-জল, পত-পতকৈ ভাহি উঠে। দুৰ্নীতিৰ পৰা মুক্ত এখন সমাজত বাস কৰাৰ বাবে প্ৰত্যেক নাগৰিকেই সচেতন হোৱাটো অতি প্ৰয়োজনীয়।

ভাৰতৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে দুৰ্নীতিগ্ৰস্ত লোকসকলক বিজুলী বাতিৰ খুঁটাত ফাঁচী দিয়া উচিত বুলি মন্তব্য কৰিছিল। দুৰ্নীতিৰ কবলৰ পৰা সমাজখন উদ্ধাৰ কৰাৰ প্ৰথম উপায় সামাজিক দায়বদ্ধতা আৰু মানৱীয়তাৰ প্ৰতি নাগৰিকৰ মনোযোগ বৃদ্ধি কৰা। সেয়ে নিজে সৎ পথত থাকি বন্ধু-বান্ধৱ, আনকি কন-কন ছাত্ৰ-ছাত্ৰী সকলকো সামাজিক মূল্যবোধৰ প্ৰতি সচেতন আৰু সন্মানশীল হ'বলৈ শিকোৱা উচিত। দুৰ্নীতিত লিপ্ত অভিভাৱকে নিজ সন্তানক কেতিয়াও সুপথেৰে পৰিচালিত কৰিব নোৱাৰে। চৰকাৰেও দুৰ্নীতি নিবাৰণৰ বাবে কঠোৰ আইন-প্ৰণয়ন কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। চীন দেশত দুৰ্নীতিত লিপ্তসকলক মৃত্যুদণ্ড পৰ্যন্ত শাস্তি দিয়াৰ আইন আছে। আমিও আমাৰ চৰকাৰক এই দিশত আবেদন কৰা উচিত। কাৰণ এখন দুৰ্নীতিমুক্ত স্বচ্ছ আৰু নিকা সমাজ আমাৰ সকলোৰে কাম্য।◆◆

*(বিঃদ্ৰঃ- লেখক শ্ৰীদীপক কুমাৰ বৰ্তমান শংকৰদেৱ শিশু নিকেতন, পাতিদৰং (মুক্তাপুৰ)ত আচাৰ্য্য হিচাপে কাম কৰি আছে।)*

# মহৎ লোকৰ বাণী

—শ্ৰীপম্পী গোস্বামী
স্নাতক দ্বিতীয় বৰ্ষ

১) মানুহে তেতিয়াহে ভৱিষ্যতৰ কথা চিন্তা কৰিবলৈ আৰম্ভ কৰে যেতিয়া চিন্তা কৰিবলৈ ভৱিষ্যৎ বুলি একো বস্তু নাথাকে।

— জৰ্জ বাৰ্ণাৰ্ডশ্ব।

২) আনৰ নিন্দা শুনিও শান্ত আৰু নীৰৱ হৈ থাকিব পৰাটো জ্ঞানী মানুহৰ লক্ষণ। মানুহৰ বিচাৰে শেষ কথা নহয়।

— টমাছ একেম্পিছ।

৩) মানুহৰ প্ৰিয় হোৱাতকৈ বিশ্বাসৰ পাত্ৰ হোৱাটো বেছি গুৰুত্বপূৰ্ণ।

— জৰ্জ মেকড'নাল্ড।

৪) পাপক ঘিন কৰিবা; পাপীক ঘিন নকৰিবা।

— যীশুখ্ৰীষ্ট।

৫) যাৰ চকু ফুটিল সি অন্ধ নহয়, যি নিজৰ দোষ তাকে সিহে অন্ধ।

— মহাত্মা গান্ধী।

গল্প

# সঁচা প্ৰেম

—শ্ৰীডিকু কলিতা
প্ৰথম ষান্মাসিক

নিপ এজন কলেজৰ প্ৰথম বৰ্ষৰ ছাত্ৰ কলেজলৈ যোৱাৰ আগলৈকে সি কোনো ছোৱালীৰ প্ৰেমত পৰা নাছিল। কিন্তু কলেজত যোৱাৰ তিনি মাহমান পিছত তাৰ স্বভাৱ চৰিত্ৰবোৰ সলনি হ'ল। তাৰ বন্ধুবোৰে তাক সুধিলে তই কি কাৰোবাৰ প্ৰেমত পৰিচ নেকি? নিপে ক'লে হয়! মই এজনী ছোৱালীৰ প্ৰেমত পৰিছো। বন্ধুবোৰে সুধিলে নাম কি? সি ক'লে নাজানো তহঁতে অলপ সহায় কৰি দে না। তাইৰ নামটো সুধি দে না। বন্ধুবোৰে ক'লে হ'ব বাৰু বন্ধুকেইজনে ছোৱালীজনীৰ নাম সুধি আহি নিপক ক'লে যে তাইৰ নাম হেনো পল্লৱী।

এনেকৈ দিন বাগৰিল নিপৰ পল্লৱীৰ প্ৰতি আকৰ্ষণ বাঢ়িল। সি পল্লৱীৰ কাষে কাষে ঘুৰা-ফুৰা কৰিবলৈ ধৰিলে কিন্তু তাৰ মনৰ কথা ক'বলৈ সাহস নহ'ল। নিপে বহুবাৰ চেষ্টা কৰিছিল তাৰ মনৰ কথা পল্লৱীক ক'বলৈ কিন্তু সন্মানৰ ভয়ত সি নক'লে। কাৰণ তাৰ ভয় লাগিছিল যদি পল্লৱীয়ে তাৰ প্ৰস্তাৱ গ্ৰহণ নকৰি তাক অপমান কৰে তেন্তে তাৰ বৰ লাজ পাব। সি লাজে ভয়ে দিনবোৰ পাৰ কৰিব ধৰিলে।

চাওতে চাওতে কলেজৰ নিৰ্বাচনৰ সময় আহিল। নিপে নিৰ্বাচনত সাধাৰণ সম্পাদকত প্ৰতিদন্দ্বিতা কৰিলে। যাৰ বাবে সি এইবোৰ প্ৰেম-চেমৰ কথা নাভাবিল কাৰণ নিৰ্বাচনৰ সময়ত বন্ধুত্বৰ দৰকাৰ। সেয়েহে সি পল্লৱীৰ লগত বন্ধুত্ব কৰাৰ কথাতে চিন্তা কৰিলে। সি পল্লৱীৰ লগত বন্ধুত্ব কৰিলে। কলেজৰ নিৰ্বাচনৰ দিন আহিল। কিন্তু ভাগ্যই নিপৰ লগ নিদিলে। নিপ নিৰ্বাচনত হাৰিল। এনেকৈয়ে নিপৰ প্ৰথম বৰ্ষ শেষ হ'ল। সি দ্বিতীয় বৰ্ষত ভৰি দিলে কিন্তু তাৰ মন সলনি নহ'ল পল্লৱীৰ প্ৰতি দুৰ্বলতা থাকি গ'ল। তাৰ পল্লৱীৰ প্ৰতি দুৰ্বলতা বেছি হ'ল। সি ভাবিলে এইবাৰ মই পল্লৱীক মোৰ মনৰ কথাবোৰ ক'ম। মোৰ নিজৰ সাহস নাই গতিকে মই মোৰ বন্ধু মনোজকে কথাটো কওঁ আৰু মনোজেই তাইক ক'ব। কথা মতে কাম মনোজে পল্লৱীক কথাটো ক'লে। কিন্তু পল্লৱীয়ে মনোজক প্ৰশ্ন কৰিলে যে মোক ভাল কোনে পাব বিচাৰিছে এই নে নিপে? মনোজে ক'লে নিপে তেতিয়া হ'লে নিপক মোৰ ওচৰলৈ পঠাই দে। কিন্তু নিপৰ পল্লৱীৰ কাষলৈ যাবলৈ ভয় লাগিল।

এদিন হঠাৎ নিপে গম পালে যে পল্লৱীয়ে হেনো নতুনকৈ মোবাইল লৈছে, কথাটো শুনি তাৰ ভাল লাগিল যদিও সি চিন্তা কৰিলে যে পল্লৱীৰ নম্বৰ সি ক'ত পাব। এইফালে পল্লৱীৰ কোনো বান্ধৱীৰ লগতো তাৰ ভাল নাই। ক'ত পাব কি কৰিব তাকে ভাবিবলৈ ধৰিলে। সি আকৌ তাৰ বন্ধু মনোজক ক'লে। কিন্তু এইবাৰ মনোজে তাৰ ওলোটাতো কৰিলে আৰু ক'লে যে নিপ এতিয়া এইবোৰ ভাব বাদ দিয়া আৰু পঢ়াত মনোযোগ দিয়া কাৰণ ফাইনেল পৰীক্ষালৈ মাজত আৰু তিনি মাহে আছে। গতিকে চিন্তা ক'ৰ। নিপৰ কথাটো শুনি বেয়া লাগিছিল যদিও তাৰ পিছত সি চিন্তা কৰিলে আৰু মনোজে কোৱা কথাটো ওপৰত দিলে আৰু পঢ়া-শুনাত লাগিল।

এনেকৈয়ে দিনবোৰ পাৰ হৈ গ'ল নিপৰ ফাইনেল পৰীক্ষা শেষ হ'ল। তাৰ পিছত নিপৰ কলেজ অহা বন্ধ হ'ল আৰু তাৰ দুখ লাগিল। যিজনী ছোৱালীৰ লগত দুবছৰ পঢ়ি তাইৰ কাষে কাষে থাকিও পল্লৱীক তাৰ মনৰ কথাবোৰ ক'ব নোৱাৰিলে।

কিন্তু এদিন সি মনোজক লগ পালে আৰু মনোজক পল্লৱীৰ ফোন নম্বৰ সুধিলে। মনোজে তাৰ তাই নাই বুলি ক'লে কিন্তু সি আনি দিম বুলি ক'লে। নিপেও তাক অলপ জোৰ দি আনিব দিলে। মনোজে এদিন পল্লৱীৰ পৰা নম্বৰটো সুধিলে আৰু নম্বৰটো নিপক লাগে বুলি ক'লে। পল্লৱীয়ে প্ৰথমতে বেজাৰ পাইছিল যদিও নম্বৰটো দিলে। মনোজে অলপো পলম নকৰি নিপক নম্বৰটো দিলে। নম্বৰ পোৱাৰ পিছদিনাই নিপে পল্লৱীক ফোন কৰি তাৰ মনৰ কথাবোৰ ক'লে। পল্লৱীয়ে নিপৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে।

এনেকৈয়ে নিপ আৰু পল্লৱীৰ প্ৰেম হ'ল।

# ড° এ পি জে আব্দুল কালামৰ আত্মকথা

—ৰিজাউল হক
স্নাতক তৃতীয় ষান্মাসিক

তেখেতে ১৯৩১ চনত তামিলনাডুৰ ৰামেশ্বৰম নামৰ ঠাইত এটা অল্পশিক্ষিত পৰিয়ালত তেখেতৰ জন্ম হৈছিল। তেখেতৰ পিতৃ প্ৰদত্ত সম্পূৰ্ণ নামটো আছিল আবুল পকিৰ জয়নাল আবেদীন আব্দুল কালাম, আৰু তেখেতক চমুকৈ এ পি জে আব্দুল কালাম বুলি কৈছিল। তেখেতৰ পিতৃ জয়নালআবেদীন, তেখেতৰ কোনো আনুষ্ঠানিক শিক্ষা-দীক্ষা নাছিল— আঢ্যৱন্ত ব্যক্তিও নাছিল তেওঁ। তেওঁ অৱশ্যে বুদ্ধিমান আৰু প্ৰকৃতাৰ্থত, এজন উদাৰমনা লোক আছিল। তেখেতৰ মা আছিল আচিয়াম্মা, তেওঁ এগৰাকী আদৰ্শ ধৰ্মপত্নী আছিল। তেখেতৰ পৰিয়ালটোত যিমানবোৰ মানুহ আছিল, তাতোকৈ বহু বেছি সংখ্যক মানুহে তেখেতসকলৰ ঘৰত খোৱা বোৱা কৰিছিল। সাধাৰণ মানুহবোৰে তেখেতৰ মা-দেউতাক আদৰ্শ দম্পতী জ্ঞান কৰিছিল। তেখেতৰ মাতুল বংশটোৰ সমাজত ভাল মান-মৰ্যাদা আছিল। সেই বংশৰে এজন লোকক বৃটিছবিলাকে বাহাদুৰ উপাধিৰে সন্মানিত কৰিছিল। উনবিংশ শতিকাৰ মাজভাগ মানতে বনোৱা পৈত্ৰিক ভেটীতে তেখেতসকলে বাস কৰিছিল। ৰামেশ্বৰমৰ মছজিদ গলিত চুণশিল আৰু ইটাৰে বনোৱা তেখেতসকলৰ সেই ঘৰটো বেছ আহল-বহল ডাঙৰ আছিল। ঘৰৰ লাগতিয়াল সামগ্ৰীবোৰ, যেনে— দৰব-জাতি, কানি-কাপোৰ আদি পৰ্যাপ্ত পৰিমানেহে পাইছিল। তেখেতৰ শৈশৱ কালটো পাৰ্থিৱ আৰু আবেগিকভাৱে বৰ নিৰাপদ আছিল। আচলতে তেখেতে মাকৰ লগত পাকঘৰৰ মজিয়াতে বহি লৈ ভোজন কৰিছিল। মাকে তেখেতৰ আগত কলপাত এখন পাৰি দি তাৰ ওপৰত কোৰাচেৰে ভাত, চম্বৰ, ঘৰতে বনোৱা মলমলাই থকা এবিধ মুখত লগা আচাৰ আৰু তাতকা নাৰিকলৰ এজেৰা চাটনি দিয়ে। তীৰ্থযাত্ৰীৰ বাবে স্বৰ্গধাম স্বৰূপ ৰামেশ্বৰমৰ প্ৰসিদ্ধ শিৱ মন্দিৰলৈ তেখেতৰ ঘৰৰ পৰা খোজকাঢ়ি গ'লে মাত্ৰ দহ মিনিটৰ বাট। তেখেতসকলে থকা এলেকাটো মুছলমান বসতি প্ৰধান। অৱশ্যে তাত কেইঘৰমান হিন্দু মানহো আছিল। তেওঁলোকে থকা এলেকাটোত এটা আওপুৰণি মছজিদ আছিল আৰু প্ৰতিদিনে সন্ধিয়া দেউতাই তাত হোৱা নামাজলৈ কালামক লগত লৈ গৈছিল। আৰবী ভাষাতে তাত যি নামাজ পঢ়া হৈছিল তাৰ অকনমান অৰ্থও তেওঁ বুজি পোৱা নাছিল। তথাপিও সেই প্ৰাৰ্থনাই ভগৱানক ঢুকি পাইছিল বুলি তেওঁ সম্পূৰ্ণ পতিয়ন গৈছিল। নামাজৰ শেষত দেউতাক ওলাই অহালৈ বাট চাই ভিন ভিন ধৰ্মৰ ভিন ভিন লোকে মছজিদৰ বাহিৰতে ৰখি থাকিছিল। তাৰ ভিতৰত কিছুমান পানীৰ বাতি একোটা দেউতাকৰ আগত ধৰে দেউতাকে নিজৰ আঙুলিকেইটা পানীত ডুবাই দি মুখেৰে কিবা মাতে। তাৰ পিছত জৰা পানীৰ বাতিবোৰ নৰিয়া মানুহৰ ঘৰে ঘৰে লৈ যায়গৈ। নৰিয়াপাটিৰ পৰা গা টঙাই উঠি মানুহবোৰে দেউতাকক ধন্যবাদ জনাবৰ বাবে তেওঁলোকৰ ঘৰলৈ আহিছিল। আনহাতে দেউতাকে মিচিকিয়া হাঁহি একোটা মাৰি করুণাময় আল্লাহকে ধন্যবাদ জনাবলৈ মানুহবোৰক কৈছিল।

ৰামেশ্বৰম মন্দিৰৰ প্ৰধান পূজাৰী পক্ষী লক্ষণা শাস্ত্ৰীদেৱ তেওঁৰ দেউতাকৰ ঘনিষ্ঠ বন্ধু আছিল। দুয়ো সদায় নিজৰ নিজৰ পৰম্পৰাগত পোছাক পিন্ধি আধ্যাত্মিক আলোচনাত মগ্ন হৈ থাকে। তেখেতৰ দেউতাকে জটিল আধ্যাত্মিক কথাবোৰো তামিল ভাষাত পানীৰ দৰে সহজ কৰি বুজাই দিব পাৰিছিল। তেওঁৰ দেউতাকে ৰামেশ্বৰমৰ পৰা ধনুস্কোডিলৈ তীৰ্থযাত্ৰীবোৰক অনা-নিয়া কৰাৰ বাবে কাঠৰ নাও বনোৱা কামত এটাত হাত দিছিল তেতিয়া কালামৰ বয়স আছিল মাত্ৰ দুবছৰ। আহমেদ জালালুদ্দিন বোলা স্থানীয় ঠিকাদাৰ এজনৰ লগত দেউতাকে সাগৰৰ উপকূলত নৌকা বনোৱা কাম কৰিছিল। পিছত আহমেদ জালালুদ্দিনেই কালামৰ ভনী জোহৰাক বিয়া কৰাইছিল। দেউতাকে সেই নাৱেৰে ভাল ব্যৱসায় কৰিছিল। কিন্তু এদিনাখন ঘণ্টাত শ মাইল বেগত অহা ধুমুহাই ভুখণ্ডৰ লগতে তেওঁলোকৰ নাওবোৰ উটুৱাই লৈ গ'ল। সেই ধুমুহাতে পাৰবনৰ দলংখন ভাঙি পৰি যাত্ৰীভৰ্তি ৰে'ল এখনো দুৰ্ঘটনাত পতিত হ'ল। বয়সত ডাঙৰ হ'লেও জালালুদ্দিন কালামৰ ঘনিষ্ঠ বন্ধু হৈ পৰিল। জালালুদ্দিন কালামতকৈ পোন্ধৰ

বছৰে ডাঙৰ. কালামৰ সেই সময়ত তেওঁলোকৰ সৰু দ্বীপটোত একমাত্ৰ জালালুদ্দিন এই আছিল ইংৰাজী লিখিব পৰা লোক। কাৰোবাৰ দৰকাৰ হ'লে তেৱেঁই চিঠি-পত্ৰ দৰখাস্ত আদি লিখি দিছিল। ল'ৰা কালতে কালামৰ জীৱনত আন এজন ব্যক্তিৰ প্ৰভাৱ পৰিছিল, তেওঁ হ'ল কালামৰ খুৰাদেউৰ প্ৰথম ল'ৰা চামচুদ্দিন। গোটেই ৰামেশ্বৰমত একমাত্ৰ তেৱেঁই আছিল খবৰ কাগজ বিলনীয়া। ১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধ হয়। কালামৰ তেতিয়া বয়স আঠ বছৰ। সেইসময়ত বজাৰত তেতেলী টেঙাৰ গটিৰ ৰজাৰ হঠাতে বাঢ়ি গৈ জুইৰ দৰে হ'ল। তাৰ পিছত কালামেও তেতেলিৰ গুটি গোটাই আনি মছজিদ গলিৰ গেলামালৰ দোকান এখনৰ বেচি দি দিলে এক অনাকৈ অৰ্জন কৰিছিল। সেই সময়ত তেখেতৰ বাবে এক অনা বহু বেছি। সৰুতে কালামৰ তিনিজন ঘনিষ্ঠ বন্ধু আছিল, ৰামানন্দ শাস্ত্ৰী, অৰবিন্দন, আৰু শিৱপ্ৰকাশন। তেওঁলোক তিনিওজন বেলেগ বেলেগ ধৰ্মৰ আছিল। কালামৰ পঢ়াশালি জীৱনত আৰু সৰু কালত চামচুদ্দিন, জালালুদ্দিন এই শিক্ষক ইয়াদুৰাই চলমন, আৰু ৰামকৃষ্ণ আয়াৰ তেওঁলোকে যথেষ্ট উৎসাহ উদ্দীপনা যোগাইছিল। কালামৰ আজোককা আবুল, ককা পকিৰ আৰু পিতৃ জয়নাল আবেদীন তেজৰ সম্পৰ্কৰ লগত জড়িত থকাকৈ তেখেতৰ নামটো আবুল পকিৰ জয়নাল আবেদিন আবুল কালাম নামে গঠিত হৈছিল।

# মহৎ লোকৰ অমৰ বাণী

—**শ্ৰীহিতেশ দাস**
তৃতীয় ষান্মাসিক

১। জীৱনৰ সময় বৰ কম। পঢ়িলে ভাল কিতাপ পঢ়িবা আৰু লিখিবা।

— কৃষ্ণকান্দ সন্দিকৈ।

২। জীৱন হ'ল এটা খেলা, যি খেলত প্ৰত্যেকে হাৰে।

— লিও চাৰ্কাদিশ্বুলাৰ।

৩। মানুহৰ হাতত অহিংসা শক্তিয়েই সৰ্বশ্ৰেষ্ঠ শক্তি।

— মহাত্মা গান্ধী।

৪। বেয়া কামৰ বাহিৰে মই আন একোলৈকে ভয় নকৰো।

— ষ্টাৰ্ণ।

৫। ভূল কথা জনাতকৈ একো নজনাই ভাল।

— শ্বেক্সপিয়েৰ।

গল্প

# অমানিশাত জোনাকৰ সাধু

— শ্ৰীমৰমী নাথ
স্নাতক তৃতীয় বৰ্ষ, প্ৰথম ষান্মাসিক

ফাগুনৰ মোহময়ী বৰ্ণিল আবেলি। অস্তগামী বেলিয়ে শীৰ্ণ কাঞ্চনমতীৰ বুকুত ফাকু ছটিয়াই লুকাব খুজিছে দূৰণিৰ পৰ্বত মালাৰ আঁৰত।

ৰবি আৰু স্বতিকা আছিল কলেজৰ দিনৰ পৰাই ভাল বন্ধুত্ব। স্বতিকা ঘৰৰ একমাত্ৰ আছিল। তাই এজনী সহজ সৰল আৰু ধুনীয়া ছোৱালী। গাঁৰ পৰা চহৰলৈ পঢ়িবলৈ আহিছে। আকৌ ৰবি আছিল এজন বিখ্যাত ব্যৱসায়ী ৰঞ্জন চলিহাৰ একমাত্ৰ ল'ৰা। দুয়ো প্ৰথম চিনাকীৰ পৰা বন্ধুত্ব হৈ পিছলৈ সেই বন্ধুত্ব প্ৰেমলৈ ৰূপান্তৰিত হৈছিল। ৰবিৰ অবিহনে স্বতিকা থাকিবই নোৱাৰে। ৰবিয়েও কোনো কথা স্বতিকাক নোকোৱাকে থাকিবই নোৱাৰে।

এনেকৈয়ে ৰবি স্বস্তিকাৰ প্ৰেম গভীৰ হ'বলৈ ধৰিলে। এটা এনেকুৱা দিন আহিল যিটো দিনত স্বস্তিকাই ৰবিৰ সংগ বিচাৰিছিল। স্বস্তিকা ঘৰৰ একমাত্ৰ যিহেতু ঘৰত স্বস্তিকাৰ বিয়াৰ কথা ওলাইছিল। সেয়ে স্বস্তিকাৰ মোমা ............ তেওঁৰে এজন বন্ধু স্বস্তিকাৰ বাবে উপযুক্ত হ'ব বুলি ঘৰলৈ নিছিল। দেখাই শুনাই ল'ৰাজন ভদ্ৰ মাৰ্জিত আছিল আৰু ভাল চাকৰিও কৰিছিল। ঘৰৰ সকলোৱে এই ল'ৰাজনৰ লগত অৰ্থাৎ ৰাজিপৰ লগত স্বস্তিকাক বিয়া দিবলৈ একপ্ৰকাৰে মান্তি হৈছিল। কিন্তু স্বস্তিকাৰ মনৰ ভিতৰখনত কি চলি আছিল কোনেও বুজা নাছিল। তাই এই মুহূৰ্তত কি কৰিব ভাবি পোৱা নাই। মোমায়েকৰ কথাও পেলাব নোৱাৰে। উপায়হীন হৈ তাই ৰবিলৈ ফোন কৰিলে ভাগ্য ভাল ফোনতে ৰবিক তাই সকলো কথা ভাঙি পাতি ক'লে। যে তাইক সোনকালে কিবা এটা কৰিব লাগে নহ'লে তাই আৰু ধৈৰ্য্য ধৰিব নোৱাৰা হৈছে মাক, দেউতাক, মোমায়েকহঁতৰ কথাবোৰ লৈ। ৰবিয়ে তাইক ক'লে যে তুমি ধৈৰ্য্য ধৰা স্বস্তি মই গধূলীকৈ যাই তোমাক লৈ আহিম।

কিন্তু কিমান সময় স্বস্তিকাই ৰবি অহালৈ বাট চাব। চাওতে চাওতে গধূলী গৈ ৰাতি হ'ল। সি নাহিল ৰবি আৰু কেতিয়াও নাহিল। স্বস্তিকাই ঘৰত কথাটো জনাই দিলে যে তাই এতিয়া বিয়া নহয়। ইউনিভাৰচিটিৰ পঢ়া শেষ হ'লেহে বিয়াৰ কথা ভাবিব। তাই পঢ়া শুনাতো ভাল আছিল। সেয়ে তাইৰ পঢ়াৰ প্ৰতি থকা ধাউতীৰ কথা মাক, দেউতাক, মোমায়েকে বুজিছিল আৰু বিয়াৰ কথা পিছত মানে পঢ়া শেষ হ'লেহে ভাবিব বুলি তাইক আশ্বাস দিছিল। কিন্তু বিয়া হ'ব সেই ল'ৰাজনৰ লগতেই। দিন নাযায় নুপুৱায়। স্বস্তিকা কিমান ৰাতি অকলে অকলে কান্দিব লগা হৈছিল। কিমান ভাল লগা মুহূৰ্ত কিছুমান পাহৰি যাবলৈ চেষ্টা কৰিছিল কিন্তু নাই তাই জানো ৰবিক সঁচাকৈয়ে পাহৰিব পাৰিব।

ভাগ্যৰ কি নিয়তি আজি সম্পূৰ্ণ তিনি বছৰৰ মূৰত ইউনিভাৰচিটিৰ প্ৰথম দিনটোতে ৰবি স্বস্তিকাৰ দেখা দেখি হ'ল। ৰবিয়ে তাইৰ ওচৰলৈ গ'ল আৰু তাইক অনুৰোধ কৰিলে যে স্বস্তি তুমি মোৰ কথাবিলাক শুনা। স্বস্তিকাই ৰবিৰ কথা শুনাৰ ধৈৰ্য্য নাছিল তাই উচাত মাৰি গুচি যাবলৈ চেষ্টা কৰিছিল— কিন্তু ৰবিয়ে তাইৰ হাতত ঠাপ মাৰি ধৰিলে। কোনো দিনে কান্দি নোপোৱা ল'ৰাজনে তাইক কান্দি কান্দি তাৰ তিনি বছৰৰ অভিজ্ঞ তাৰ কথা ক'বলৈ ধৰিলে। দেউতাকে দুজনী ছোৱালীৰ সৈতে আন এগৰাকীক পত্নী বুলি সাঙুৰী লোৱা। মাক আৰু ৰবিক অবেহেলা কৰি পাহৰি যোৱা, মাকৰ টকাৰ অভাৱত মৃত্যু হোৱা, সি কেইপইচা উপাৰ্জন কৰি কোনোমতে ইউনিভাৰচিটিত পঢ়িবলৈ অহা আদি বিভিন্ন কথা স্বস্তিকাক কান্দি কান্দি ক'বলৈ ধৰিলে। মই জানো স্বস্তি তুমি মোক পাহৰিব নোৱাৰা। মই এই তিনি বছৰ কেৱল দুখৰ মাজতে পাৰ কৰিলো। বিছনাত চটফটাই থকা মাক ৰাতি নুশুৱাকে ৰখি থাকিবলগীয়া হয়। দেউতাই যদি আমাক চালাহেঁতেন আজি মায়ে মোক এৰি যাব নালাগিলেহেঁতেন। কিন্তু মোৰ কি দোষ আছিল আজিও যে দেউতাক মোলৈ নাচালে। সেয়ে মই আজি সংকল্প লৈছো যে দেউতাই নাচালেও মই নিশ্চয় ভালকৈ পঢ়া-শুনা কৰি এজন ভাল মানুহ হ'ব পাৰিম ন স্বস্তি। মায়ে মোক শেষবাৰলৈকে এই কথাটোৱে কৈছিল। ৰবিৰ এই কথাবোৰ শুনি স্বস্তিকাৰ দুখ লাগিছিল বহুতো। ৰবিৰ এই কথাবোৰ

গম পালে তাই নিশ্চয় ৰবিক অলপ হ'লেও সহায় কৰিলেহেঁতেন। তুমি মোক এইবিলাক কথা আগতে কিয় কোৱা নাছিলা। মই তোমাক এৰি কেতিয়াও থাকিব নোৱাৰো। আৰু এটা কথা কওঁ শুনা মোৰ বিয়া ঠিক হৈছে যদি তুমি মোক হেৰুৱাব নোখোজা আজিয়ে গৈ মোৰ ঘৰত কথাটো কবা। মা-দেউতাই তোমাৰ কথাবোৰ বুজাই ক'লে নিশ্চয় বুজি পাব। আৰু ৰাজিব দা বেয়া মনৰ ল'ৰা নহয় তেওঁ আনক উপকাৰ কৰি ভাল পায়। সেয়ে তোমাৰ মোৰ কথাটো ভালদৰে ক'লে তেওঁ বুজি পাবই।

এইদৰে ৰবি আৰু স্বস্তি স্বস্তিকাই দুয়ো দুয়োৰে সুখ-দুখৰ কথাবোৰ কৈ দুয়োৰে মন পাতল কৰিব বিচাৰিলে যদিও ৰবি আৰু স্বস্তিকাৰ দুচকুয়েদি চকুলো নিৰবে বৈ আহিল। এবাৰ আনন্দতে ৰবিয়ে ডাঙৰকৈ কৈ পেলালে স্বস্তি তোমাক মই বহুতো ভাল পাওঁ। তোমাৰ অবিহনে মোৰ জীৱন।

অপেক্ষাৰ মুহূৰ্তবোৰ দীঘলীয়াই নহয় অসহনীয়। এই অসহনীয় হয়তো কেতিয়াবা আন্ধাৰৰ দিন কিছুমান পোহৰাব পাৰে।◆◆

# কৰ্তব্য

—শ্ৰীস্বপ্না কুমাৰ
স্নাতক প্ৰথম বাৰ্ষিক

অতীতৰ পৰা বৰ্তমানলৈ কেৱল কৰ্তব্য পালনৰ কথাই শুনি আহিছো। প্ৰকৃততে কৰ্তব্য অৰ্থ কি?

তিনিটা অক্ষৰেৰে গঠিত 'কৰ্তব্য' শব্দটি তেনেই সাধাৰণ যেন লাগে। কিন্তু ইয়াৰ অৰ্থ বিশাল। মানুহ জীৱশ্ৰেষ্ঠ। কাৰণ মানুহৰ বুদ্ধি শক্তি আছে। এখন ভাল সমাজ আৰু ভাল মানুহৰূপে স্বীকৃতি পাবলৈ হ'লে সকলো মানুহে নিজৰ কৰ্তব্য পালন কৰা উচিত। প্ৰকৃতাৰ্থত মানুহ হোৱাই আমাৰ জীৱনৰ কৰ্তব্য। আমাৰ সমাজখন আগবাঢ়িবলৈ হ'লে মানুহৰ শ্ৰদ্ধা, ভক্তি, দয়া, প্ৰেম, সত্যবাদিতা আদি মানৱীয় গুণবোৰৰ প্ৰয়োজন। এই গুণবোৰ ব্যৱহাৰ কৰাটো প্ৰত্যেক নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্য।

বৰ্তমান যুগত দেখা যায় যে মানুহবোৰে নিজস্বাৰ্থৰ বাবে মানৱীয় গুণবোৰ পৰিহাৰ কৰি শাৰীৰিক আৰু মানসিক শক্তি ব্যৱহাৰ কৰিব বিচাৰে। ফলত ইজনে সিজনক অহিংসাৰ দৃষ্টিত চাবলৈ ধৰে। আমাৰ মাজত লুকাই থকা লোভ, মোহ, কাম, ক্ৰোধ, মদ, মাৎসৰ্য এই ছয় ৰিপুক দমন কৰিব পাৰিলে আমাৰ মাজৰ পৰা হিংসা ভাৱবোৰ চিৰদিনলৈ দূৰ হ'ব। এই ছয় ৰিপুই হৈছে অহিংসা পথৰ কাইটস্বৰূপ।

যান্ত্ৰিকতাৰ যুগে মানুহৰ মাজত থকা শিষ্টাচাৰ, আচাৰ ব্যৱহাৰ, সন্মান আদি গুণবোৰ নাইকিয়া কৰিব ধৰিছে। নৱপ্ৰজন্মই অতীতৰ সাংস্কৃতিক গুৰুত্ব নিদিয়া বাবে বৰ্তমান হত্যা, ধৰ্ষণ আদি হৈছে।

'চৰিত্ৰবান মানুহ এখন উকা কাগজৰ দৰে।' 'নম্ৰতা চৰিত্ৰৰ ভূষণ'। সৎচৰিত্ৰৰ অধিকাৰী হ'বলৈ আশীৰ্বাদ পাই। কামবোৰ পিছুত কৰিম বুলি থ'ব নালাগে সেয়ে কৰিয়েও কৈছে— 'পিছলৈ থ'লে কাম পিছপৰি যায়, হেনজানি সাহ কৰি, প্ৰাণটাকি কৰা, একবাৰত নোৱাৰিলে এশবাৰত কৰা।'

গল্প

# সঁচা প্ৰেম

—শ্ৰীপ্ৰাণজিৎ ৰাজবংশী
বি এ, প্ৰথম বৰ্ষ

প্ৰেম, প্ৰেম কোনো খেলাৰ সামগ্ৰী নহয়। প্ৰেম এক অনুভূতি প্ৰেম কৰা নাযায় প্ৰেম হৈ যায়। প্ৰেম দুটা আত্মাৰ মিলন, দুখন হৃদয় মিলন প্ৰেম এক পবিত্ৰ বান্ধোন প্ৰেম সকলোৱে কৰিব পাৰে। প্ৰেমৰ লগত বয়সৰ সময়সীমা নাই। এনে এক প্ৰেম কৰিছিল ৰাজ আৰু মায়াই।

গাঁওখনৰ নাম আছিল ৰংপুৰ আৰু এইখন গাঁৱতে মায়াই বাস কৰিছিল। মায়া বৰ দুখীয়া ঘৰৰ ছোৱালী আছিল। তাইৰ ঘৰত কেৱল তাই আৰু তাইৰ দেউতাক। তাইৰ মাক তাই সৰু থাকোতে ঢুকাইছিল। দেউতাকে তাক বহুতো কষ্ট কৰি ডাঙৰ কৰিছে আৰু এখন কলেজত নাম লগাই দিছে। আজি তাইৰ কলেজৰ প্ৰথম দিন আৰু তাই তাইৰ ৰুমটো চিনি পোৱা নাছিল। বাহিৰতে দুজনমান ল'ৰা থিয় হৈ থকা দেখিলে তাই সুধিলে, শুনাচো H.S. 1st year ৰ ৰুমটো কোনফালে বাৰু। তেতিয়া ৰাজ নামৰ ল'ৰা এজনে তাইৰ ৰুমটো দেখুৱাই দিলে আৰু তাই Thank you কৈ ৰুমৰ ফালে সোমাই গ'ল। সিহঁতো ৰুমলৈ গ'ল। কিছু সময়ৰ পিছৰ Class টো শেষ হ'ল তাই ৰুমৰ পৰা বাহিৰত ওলাই আহিল। তেতিয়া ৰাজে তাইক দেখিলে আৰু তাইৰ কাষলৈ গৈ তাইৰ নামটো সুধিলে তাই তাইৰ নামটো মায়া বুলি ক'লে আৰু এনেকৈ দুইও চিনাকী হ'ল। ৰাজ বেচ ধনী ঘৰৰ ল'ৰা আৰু এইটো কথা মায়াই প্ৰথমতে গম পোৱা নাছিল। পিছত তাই সকলো কথা গম পালে আৰু ৰাজেও সিহঁতৰ ঘৰৰ অৱস্থাৰ কথা গম পালে। তথাপিও ৰাজে তাইৰ লগত Friendship কৰিছিল।

এদিন সিহঁতৰ কলেজত নৱাগত আদৰণি সভা পাতিলে। সেইদিনা সকলোৱে চাদৰ-মেখেলা পিন্ধি আহিছিল আৰু মায়াইও পিন্ধি আহিছিল। তেতিয়া সিহঁত বন্ধুৱে হৈ আছিল। মায়া ৰাজৰ কাষলৈ গৈ ৰাজক সুধিলে, মোক কেনেকুৱা লাগিছে ৰাজ। তেতিয়া ৰাজে উত্তৰ দিলে তোমাক আজি বেচ ধুনীয়া লাগিছে মায়া। কথাৰ মাজতে ৰাজে তাইক ক'লে মায়া I love you. Do you love me? মায়াই প্ৰথমতে No বুলি ক'লে, কাৰণ মায়াই জানিছিল আৰু এইটো কথাত কিবা Problem কৰিব, সেই কাৰণে মায়াই No বুলি ক'লে। তেতিয়া ৰাজে তাইক সুধিলে, তুমি মোক কিয় ভাল নোপোৱা? মায়াই তেতিয়া ক'লে, চোৱা ৰাজ তোমালোক হ'ল ধনী মানুহ আৰু আমি হ'লো দুখীয়া। আমাক কেতিয়াও তোমাৰ মা-দেউতাই আদৰি নলয়। তেতিয়া ৰাজে মায়াক ক'লে ঘৰত কথা মই পাতিম তুমি চিন্তা কৰিব নালাগে। মায়াই ৰাজৰ পৰা অলপ সময় বিচাৰিলে। ৰাজেও হ'ব বুলি ক'লে। মায়া দুই দিন কলেজত অহা নাই ৰাজৰ অলপ চিন্তা হ'ল। কিন্তু তৃতীয় দিনা তাই কলেজ আহিল। ৰাজ মায়াৰ ওচৰলৈ দৌৰি আহিল আৰু মায়াক সুধিলে। কোৱা এতিয়া তুমি কি চিন্তা কৰিলা। মায়াই হ'ব বুলি ক'লে আৰু এনেকৈ বহুতো দিন পাৰ হৈ গ'ল সিহঁতে ইজনে সিজনক বহুত ভাল পাইছিল আৰু এদিন নেদেখিলে থাকিব নোৱাৰিছিল সিহঁতে। ৰাজে বি এ পাছ কৰিলে আৰু এটা ভাল চাকৰিও কৰিলে কিন্তু মায়াই পইচাৰ অভাৱত আধাতে পঢ়া সামৰিব লগা হ'ল।

এদিন হঠাৎ ৰাজৰ ঘৰত বিয়াৰ কথা উলিয়ালে আৰু ৰাজে তেতিয়া মায়াৰ কথা ক'লে। ৰাজে মায়াক লগ ধৰি কথাটো ক'লে আৰু সিহঁতৰ ঘৰত কেতিয়া তাইক চাব যাব ক'লে। আজি মায়াক ৰাজ আৰু ৰাজৰ মা-দেউতাকে চাব আহিছে। মায়াৰ ঘৰৰ অৱস্থাটো দেখি ৰাজৰ মা-দেউতাকে ভাবিছে ৰাজে এইখন ঘৰৰ ছোৱালী পছন্দ কৰিছে। ৰাজৰ মা-দেউতাকহঁত যাব ওলাল আৰু তেতিয়া একো সিদ্ধান্ত নকৰিলে পিছত কম বুলি ক'লে। মায়া আৰু দেউতাকে কথাটো অলপ গম অৰ্থাৎ ধৰিব পাৰিছিল। তেওঁলোকে কিয় তেনেকৈ কৈছিল। তেওঁলোকৰ পৰা একো খবৰ নাহিল মাহে। এটা খবৰ আহিল যে ৰাজৰ মা-দেউতাকে তাইক মাতিছে বুলি। মায়া গ'ল কিন্তু ৰাজ সেই সময়ত ঘৰত

নাছিল ৰাজ অফিচত আছিল মায়াক তেওঁলোকে চাহ-পানী দিয়াৰটো দূৰৰ কথা আনকি তাইক তেওঁলোকে বহিবই নিদিলে আৰু তাইক বহুতো অপমান কৰিলে। তাই এই অপমান কৰা কথাটো চিন্তা কৰি আহি থাকোতে হঠাৎ তাইক গাড়ী এখনে খুন্দিয়ালে আৰু তাইৰ ভৰি এখন কাটিব লগা হ'ল ৰাজে তাৰ মা-দেউতাকে কৰা অপমানৰ সকলোবোৰ কথা গম পালে। ৰাজ তাইৰ খবৰ ল'ব আহিল আৰু সি বহুতো দুখ পালে। ৰাজে তাইক বিয়া কৰাম বুলি প্ৰস্তাৱ দিলে। কিন্তু মায়াই এই প্ৰস্তাৱটো মানি ল'ব পৰা নাছিল। কাৰণ তাৰিখটো এতিয়া বৰ্তমান ভৰি এখন নাই আৰু তাই বিয়াত কেনেকৈ বহিব। কিন্তু ৰাজে তাইৰ একো কথাই নামানিলে আৰু তাইক বিয়া কৰাম বুলি কৈ আহিল। ৰাজে এইটো কথাৰ কাৰণে মা-দেউতাকৰ লগত কাজিয়া কৰিলে আৰু মায়াক বিয়া পাতি ঘৰৰ পৰা ওলাই যাব বুলিও ক'লে। ৰাজ আৰু মায়াই এটা মন্দিৰত বিয়া পতিব গ'ল, সিহঁতে বিয়া পাতিলে আৰু বিয়া শেষ হ'ল। হঠাৎ ৰাজৰ মা আৰু দেউতা সিহঁতক ঘৰলৈ নিবলৈ আহিল। তেওঁলোকে মায়াৰ ওচৰত ক্ষমা বিচাৰিলে আৰু তাইক তেওঁলোকে বোৱাৰী ৰূপত বিচাৰিলে আৰু ঘৰলৈ যাবলৈ অনুৰোধ কৰিলে। মায়াও সকলো কথা পাহৰি তেওঁলোকৰ পৰা আশীৰ্বাদ ল'লে আৰু ঘৰলৈ যাবলৈ মান্তি হ'ল।

এবছৰ হৈ গ'ল আৰু সিহঁতৰ মাজলৈ আন এটি নতুন সদস্য আহিল।

প্ৰেমে ধনী-দুখীয়া, কণা-খোৰা বিচাৰ নকৰে এইটো আছিল মায়া আৰু ৰাজৰ সঁচা প্ৰেম। So, Friends I request you কেতিয়াও মিছা প্ৰেম নকৰিবা এইটো এটা অপৰাধৰ দৰে।◆◆

# মহৎ লোকৰ মহানবাণী

—শ্ৰীপন্সী গোস্বামী
স্নাতক দ্বিতীয় বৰ্ষ

১) প্ৰেমৰ আনন্দ ক্ষণস্থায়ী, কিন্তু প্ৰেমৰ বেদনা চিৰস্থায়ী।

— **ৰবীন্দ্ৰ নাথ।**

২) ঈশ্বৰ মন্দিৰত নাই, অৰণ্যত নাই, গুহাত নাই, ঈশ্বৰ আছে মানুহৰ অন্তৰত বিচাৰিব জানিলেই হ'ল।

— **তুলসী দাস।**

৩) বিদ্যা মানৱ মনৰ দীপ্তি, তাৰ ৰশ্মিৰ পোহৰত কাম কৰি মানুহে ধন, মান আৰু যশস্যা লাভ কৰে।

— **সত্যনাথ বৰা।**

৪) বিনা চিন্তাই কৰা অধ্যয়ন মাথোঁ পশুশ্ৰম।

— **কনফুচিয়াচ।**

৫) প্ৰেম বিহীন জীৱন শলিতা নোহোৱা চাকিৰ দৰে।

— **মহাত্মা গান্ধী।**

৬) যিজনে নিজকে জ্ঞানী লোক বুলি ভাবে তেওঁতকৈ মুৰ্খ লোক পৃথিৱীত দ্বিতীয়জন নাই।

— **ভলটেয়াৰ।**

৭) তুমি নিজকে দৰিদ্ৰ বুলি দুখ নকৰিবা, কাৰণ ধন মানেই পৰাক্ৰম নহয়। সাধুতা আৰু পৱিত্ৰতাহে প্ৰকৃত পৰাক্ৰম।

— **স্বামী বিবেকানন্দ।**

# সভ্য সমাজত নাৰীৰ স্থান

—শ্ৰীউষা বৰুৱা
স্নাতক পঞ্চম ষান্মাসিক, দৰ্শন বিভাগ

সৃষ্টিৰ আদি কাৰণ হৈছে নাৰী। প্ৰত্যেক ব্যক্তিৰ কৃতকাৰ্যৰ আঁৰত এগৰাকী নাৰী থাকে বুলি কোৱা হয়। তথাপিও নাৰী পুৰুষৰ হাতত উৎপীড়িত, শোষিত, অপমানিত হৈ আহিছে। তেওঁলোকক কেৱল মাত্ৰ সন্তানৰ জন্মৰ এক যন্ত্ৰ হিচাপে মানি লোৱা হয়। পৰম্পৰাগত ধ্যান-ধাৰণা অনুসৰি নাৰী সদায় পুৰুষ নিৰ্ভৰশীল। কাৰণ পুৰুষৰ তুলনাত নাৰী সদায় কম দুৰ্বল, কম শক্তিশালী, কম বিচাৰশীল কম সৃজনশীল, কম কৰ্মপ্ৰৱণ। প্ৰথাগত মত অনুসৰি নাৰী বাল্যকালত পিতাৰ অধীন, যৌৱন কালত স্বামীৰ অধীন আৰু বৃদ্ধকালত পুত্ৰৰ অধীন। ইয়াৰ অৰ্থ হ'ল সিহঁতৰ দৈহিক দুৰ্বলতাৰ বাবে পুৰুষ নিৰ্ভৰশীল। পুৰুষৰ ইচ্ছাৰ বস্তু হিচাপে নাৰীক চিহ্নিত কৰা হয়। নাৰীৰ গুণসমূহ নিৰ্ধাৰণ কৰা হয় পুৰুষৰ গুণবোৰৰ বিপৰীতে।

খ্ৰীঃ পূ ৩য় শতিকাৰ পিছৰ পৰা নাৰী যথেষ্টভাৱে পুৰুষৰ বলি হৈ আহিব লগা হৈছে। সেই সমাজত কেৱল পুৰুষকেই আগস্থান দিয়া হৈছিল। অতীতত নাৰীক কেৱল গৃহ কৰ্ম, স্বামীৰ সেৱা-শুশ্ৰূষা, পৰিয়ালৰ সেৱা কৰা, সন্তান জন্ম দিয়া আৰু তাৰ প্ৰতিপালন কৰা ইত্যাদি কামতে নাৰীক আৱদ্ধ কৰি ৰখা হৈছিল। শিক্ষাৰ ক্ষেত্ৰতো ছোৱালীবোৰতকৈ সদায় ল'ৰা সন্তানক অগ্ৰাধিকাৰ দিয়া হয়। বৰ্তমান সমাজত একাংশ শিক্ষিত লোকেই কন্যা সন্তান জন্ম হোৱাৰ আগতেই হত্যা কৰে। ভ্ৰূণ অৱস্থাতে যদি নাৰী জাতিটোক এনেদৰে ধ্বংস কৰা হয় তেনেহ'লে পৃথিৱীত জীৱ সৃষ্টি হ'ব কেনেকৈ?

যৌৱনত ভৰি দিয়াৰ লগে লগে প্ৰতিগৰাকী নাৰীয়ে এখন সুখৰ সংসাৰৰ সপোন দেখে। যিখন সংসাৰত মাৰ মৰম দিব পৰা এগৰাকী শাহু, দেউতাৰ মৰম দিব পৰা এজন শহুৰ, ভাই-ভনীৰ মৰম দিব পৰা দেওৰ বা ননদ আৰু সকলো সময়তে সুখ-দুখৰ সমভাগী হ'ব পৰা এজন পতি বিচাৰে। পিতৃ-মাতৃ যেতিয়া সৰুৰে পৰা ৰাতি কষ্টৰে ডাঙৰ দীঘল, কৰি এখন ঘৰলৈ বিয়া দি উলিয়াই দিয়ে। নাৰী এগৰাকীয়ে যেতিয়া এখন সপোন ঘৰলৈ ওলাই যাওঁতে দামী ফাৰ্ণিচাৰ, গাড়ী, ফ্ৰিজ, টি ভি, বেংক বেলেন্স আদি উপযুক্ত বস্তু আনিব নোৱাৰাৰ ফলত শাহু-শহুৰ বা স্বামীৰ শাৰীৰিক তথা মানসিক অত্যাচাৰৰ বলি হ'ব লগা হয়। যি নিৰ্যাতনে আত্মহত্যাৰ নিচিনা এক জঘন্য পথ বাচি ল'ব লগা হয়। এনে কিছুমান প্ৰতিপতিশালী ব্যক্তিয়ে যৌতুকৰ নামত যি নিৰ্যাতন চলায়, তেওঁলোকে ভাবি নাচায় যে এগৰাকী নাৰীৰ অন্তৰত কিমান আশা থাকিব পাৰে।

বৰ্তমান শিক্ষিত সমাজত ৰাষ্ট্ৰীয় মহিলা আয়োগ তথা নাৰী সৱলীকৰণ কৰাৰ ফলত নাৰী উন্নত দিশত আগুৱাই যায় যদিও সু-শিক্ষাৰে চৰকাৰে দেশত অন্ধবিশ্বাস, কু-সংস্কাৰ আদি আঁতৰাব পৰা নাই। যাৰ বাবে ডাইনী হত্যাৰ নিচিনা এক জঘন্য কাৰ্য আমাৰ দেশত এতিয়াও সংঘটিত হৈ আছে।

শিক্ষাৰ অধিকাৰ, ভোটাধিকাৰ, সমতাৰ অধিকাৰ, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি সকলো ক্ষেত্ৰতে নাৰীসকলে অংশগ্ৰহণ কৰিব পাৰিছে যদিও বৰ্তমান সভ্য সমাজত নাৰী অৱহেলিত— এই কথা স্বীকাৰ কৰিবই লাগিব। নাৰী-স্বাধীনতা, নাৰী মুক্তি, নাৰী অধিকাৰ ইত্যাদি কথাবোৰ শূণ্যগৰ্ভ ধ্বনি মাত্ৰ। সামগ্ৰিকভাৱে মানৱ সমাজ আজিও পুৰুষ শাসিত। গতিকে এনে সমস্যা সদায় হৈ থাকিবনে?

এনেবোৰ সমস্যাৰ সমাধান কৰিবলৈ নাৰীসকলে উঠি পৰি লগা উচিত। নাৰীসকল ঘৰৰ চাৰিবেৰৰ বান্ধ চিঙি নিৰ্যাতনৰ বিৰুদ্ধে ওলাই আহিব লাগিব। কু-সংস্কাৰ, অন্ধবিশ্বাস, ডাইনী হত্যা আদি আঁতৰাবলৈ হাতে কামে চেষ্টা কৰিব লাগিব। তেতিয়া অসম তথা ভাৰতত হাজাৰজনী ঝান্সী ৰাণী, ইন্দিৰা গান্ধী, কল্পনা চাওলা, সুনীতা উইলিয়ামছ, কনকলতা, মূলা গাভৰুৰ জন্ম হ'ব।◆◆

গল্প

# আবেলিৰ ৰ'দালি

— শ্ৰীচুমি নাথ
স্নাতক দ্বিতীয় বৰ্ষ, বুৰঞ্জী বিভাগ

ৰাতিপুৱা ৭ বা ৭.১৫ মান সময় (তেতিয়া মোৰ ঘড়ী চোৱা হোৱা নাই) কম্পলখন মুৰে গাঁৰ মেৰিয়াই থৈ বেছ আৰামেৰে শুই আছো। তাতে মাঘৰ কুঁৱলী সনা উমাল পুৱা। ক'বলৈ হ'লে একপ্ৰকাৰৰ স্বৰ্গীয় অনুভৱ। বিছনাৰ পৰা উঠিবৰ মনে নাযায়। ঠিক তেনেসময়তে ভন্টিয়ে আহি কম্বলখন টানি দিলে। খঙে একেবাৰে মোৰ চুলিৰ আগপালে পাৰিলে গালত কানতলীয়া এটা শোধাবৰ মন। কিন্তু, মোৰ খং নৌমাৰ যাওঁতেই তাই দিলেই নহয় খবৰটো। বাইদেউ, অ বাইদেউ উঠচোন, তোক শুৱলৈ পালে একোকে নালাগে। দেশখনৰ ক'ত কি হৈছে খবৰ আছেনে নাই? এইখন চাচোন আজিৰ বাতৰিত কি লিখিছে? এই বুলি কৈ তাই আঁতৰি গ'ল। দিকবিদিক হেৰুৱা চৰাইজনীৰ নিচিনা হ'ল মোৰ। মেলো নেমেলো কৈ চকুহাল মোহাৰি বাতৰিখন হাতত উঠাই ল'লো। হাতত বাতৰিখন লৈ প্ৰথম পৃষ্ঠাতে ডাঙৰ ডাঙৰ হৰফৰে লিখা হেডলাইনটো দেখি থতমত খালো। হায়! কি নিষ্ঠুৰ সময়? এয়া মই কি দেখিলো? মোৰ প্ৰিয় কবিজনৰ আকস্মিক মৃত্যু? কথাটো মোৰ অবিশ্বাস্য যেন লাগিল। কিন্তু সেইটোৱে সত্য আছিল।

পুৱাৰে পৰা মনটো ভালে নথকাৰ বাবে কলেজলৈও নগ'লো। ১০ মান বজাত ওচৰতে থকা নদী চাপৰিতোলৈ ওলায় গ'লো। জানোচা মোৰ চিনাকী ঠাই ডোখৰলৈ গ'লেই মোৰ মনতো পাতল হয় সেই বুলিয়ে ঢাপলি মেলিলো অকলেই। তাত গৈ দেখিলো যে চাপৰিতো একেবাৰে নিৰৱ-নিজান নৈখনৰ সিপাৰে মানুহৰ জুম দেখি মনত কৌতুহ'ল উপজিল। সেয়েহে আগবাঢ়ি গ'লো। মানুহৰ ভিৰ ঠেলি সোমায় গৈ দেখিলো যে এখন বগা কাপোৰেৰে ঢাকি থোৱা আছে। মনত অকমান উৎসাহ মানুহজন কোন জানিবৰ বাবে? এই মনোভাবেৰে মই ইফালে সিফালে দুবাৰমান চালো। তেনেতে দুজন মানুহৰ আলোচনা শুনিলো যে মানুহজন বৰ ভাল আছিল। এতিয়া তেওঁৰ আকস্মিক মৃত্যুত তেওঁক সৎকাৰ কৰিবলৈ তেওঁৰ আপোন বুলিবৰ কোনো নাই। কথাটো শুনি মোৰ মেলামুখখন মেলা হৈয়ে থাকিল। বগা কাপোৰেৰে ঢাকি ৰখা মুখখনো কাৰ জানিবৰ বাবে মোৰ মনটো অস্থিৰ হ'ল। মই লাহে লাহে আগবাঢ়ি গৈ মানুহজনৰ মুখখন দেখি আচৰিত হ'লো।

সেইজন মানুহ যাক মই সদায়ে নৈ পাৰত লগ পাওঁ। আনকি যোৱা কালিও তেখেতক দেখা পাইছো। নৈ পাৰৰ সেই ডাঙৰ শেলুৱৈ ধৰা শিলটোত বহি সূৰ্যাস্তলৈ চাই থাকে আপোন মনে আৰু মাজে দুই-এটা চিগাৰেট জ্বলায়। শিলটোৰ কাষৰ বালিখিনিত কিবা আঁক বাঁক কৰি থাকে। তেওঁক সদায়ে লগ পাইছিলো যদিও এদিনো তেওঁৰ লগত মোৰ বাৰ্তাপাল হোৱা নাছিল। হয়তো প্ৰয়োজন বোধ কৰা নাছিলো।

মোৰ পৰা কিছু নিলগত গাড়ী ৰখাৰ শব্দ শুনি মোৰ চিন্তাত যতি পৰিল। আৰু মই ঘুৰি চায় দেখিলো যে এখন ৰঙা ৰঙৰ মাৰুতিৰ পৰা এজনী ধুনীয়া মহিলা নামি আহিছে। তাইৰ পাছে পাছে এজনী চাৰি-পাঁচ বছৰীয়া মৰম লগা ছোৱালী আৰু দেখাত ভদ্ৰ যেন লগা এজন মানুহ। সম্ভৱতঃ মানুহজন সম্ভ্ৰান্ত ঘৰৰ। মহিলাগৰাকীয়ে মানুহৰ ভিৰ ফালি মৃতদেহটোৰ ফালে আগবাঢ়ি গ'ল আৰু মোৰ চকুৰ পচাৰতে মৃতদেটো সাৱতি ধৰি চিঞৰি উঠিল।

কিছুসময়ৰ পাছতে মানুহৰ মাজত এক আজব গুণগুণনিৰ আৰম্ভ হ'ল। মোৰ ওচৰতে থকা আধবয়সীয়া মানুহ এজনীয়ে ক'লে যে— তাৰি নাম নন্দিনী, নন্দিনী গোস্বামী। বৰ্তমান প্ৰবাল বৰুৱাৰ পত্নী আৰু এগৰাকী ছোৱালীৰ মাতৃ আৰু মৃত মানুহজনৰ পূৰ্বৰ প্ৰেয়সী। দুয়োৰে হেনো ঘৰ একেখন চহৰতে আছিল। পঢ়ি থকা সময়ৰে পৰা দুয়োৰে চিনাকী আছিল আৰু সেই চিনাকীয়ে আহি এদিন প্ৰেমৰ ৰূপ লৈছিল। নন্দিনীৰ মাক-দেউতাকে হেনো উচ্চ বংশৰ বুলি গৌৰৱ কৰিছিল। আৰু তাইৰ প্ৰেমিক তেতিয়াও

সংস্থাপনহীন আছিল। দুই এখন চিত্র আঁকি আৰু মাজে সময়ে কবিতা লিখি কোনোমতে টুক টাক চলি আছিল। তেওঁৰ ঘৰত আপোন মানুহ বুলিবলৈ কোনো নাছিল। কোনোবা এখন অনাথ আশ্ৰমৰ পৰা আহি তেওঁ জীৱন যুদ্ধত নামি পৰিছিল। নন্দিনী আছিল তেওঁৰ প্ৰেৰণা, জীয়াই থকাৰ হেঁপাহ সপোন সকলো।

কিন্তু, যেতিয়াই নন্দিনীৰ কলেজীয়া জীৱনৰ অন্ত পৰিছিল তেতিয়াই আহি পৰিছিল অন্য এক মুহূৰ্ত। যিটো হয়তো তেওঁলোকে কল্পনাই কৰা নাছিল। নন্দিনীৰ ঘৰত তাইৰ বিয়াৰ যো-জা আৰম্ভ হৈছিল। অন্যফালে তেওঁৰ এটা ভাল সংস্থাপনৰ অভাৱ। বহু বুজাই পৰাইয়ো নন্দিনীয়ে মাক-দেউতাকক সৈমান কৰাব নোৱাৰিলে যাৰ ফলত এদিন নন্দিনীৰ বিয়া হৈ গ'ল ধনী ঘৰৰ একমাত্ৰ ল'ৰা, প্ৰখ্যাত ব্যৱসায়ী প্ৰবাল বৰুৱাৰ লগত। বহু কষ্টৰে নন্দিনীয়ে এদিন যুগ্ম জীৱনৰ পাতনি মেলিলে। অন্যফালে জীৱনত আকৌ এবাৰ বেয়াকৈ আঘাতগ্ৰস্ত হ'ল তাইৰ প্ৰেমিকে? এদিন সেই চিনাকী ঠাই ডোখৰ এৰি তেওঁ গুচি আহিল বৰ্তমানৰ এই ঠাইলৈ অকলে। লগত কিছুমান অতীতৰ ভগা স্মৃতি আৰু এবুকু যন্ত্ৰণাক সংগী কৰি। তেওঁৰ দিনলিপিত লাহে লাহে মদ, ভাং, চিগাৰেটে আহি ঠাই ল'লে আৰু অতি কম সময়ৰ ভিতৰতে এইবোৰ জীৱনৰ বাবে এক অবিচ্ছেদ্য অংগ হৈ পৰিল।

নন্দিনীৰ বিয়াৰ এবছৰমান পিছতে হেনো তাইৰ প্ৰেমিকে বিশেষ সুখ্যাতি লাভ কৰিলে। তাৰ চিত্ৰবোৰে বিদেশী বজাৰ চুই গ'ল। অতি কমসয়তে তেওঁ এজন নামজ্বলা চিত্ৰকাৰ আৰু খ্যাতনামা কবি হৈ পৰিল। এইবোৰৰ প্ৰতি তেওঁ উচ্চাকাংশা নাছিল। এইবোৰ যেতিয়া প্ৰয়োজন আছিল তেতিয়া তেওঁ কেৱল চকুলোহে টুকিছিল। আৰু এতিয়া তেওঁৰ চৌপাশে সকলো আছে অথচ তেওঁৰ অতি আপোন, অতি মৰমৰ নন্দিনীজনী নাই। সেয়েহে তেওঁ সুখী হ'ব পৰা নাছিল।

এই সকলো যন্ত্ৰণা পাৰ কৰাৰ পাছতো নন্দিনী একে আছিল। তেওঁৰ প্ৰতি তাই সদায়ে আগৰ নিচিনাই আছিল। তাই কেতিয়াও তাৰ প্ৰতি বেয়া ভাৱ ৰখা নাছিল। নন্দিনীৰ দায়িত্ববোধ, মৰমেও যেন তেওঁক ক্ষান্ত কৰিব পৰা নাছিল। প্ৰায়ে তেওঁ নদীৰ পাৰৰ শিলটোত বহি কিবা এটা চিন্তা কৰি আছিল। আৰু যোৱাৰাতিয়ে হেনো তেওঁ আত্মহত্যা কৰিলে।

মহিলাগৰাকীৰ কথা শুনি মই হতভম্ব হ'লো। তাৰ মানে মোৰ যে প্ৰিয় কবিগৰাকী ঋতুপূৰ্ণ কাশ্যপ। যিজনৰ যোৱাৰাতি মৃত্যু হ'ল তেওঁ এইজনে? মোৰ প্ৰিয় কবি গৰাকী মোৰ ওচৰতে পায়ো মই চিনিব নোৱাৰিলো। অথচ হিয়াৰ কোনোবা এটা কোনত তেওঁৰ প্ৰতি শ্ৰদ্ধাভাৱ কঢ়িয়াই লৈ ফুৰে। ইমান ওচৰতে পায়ো তেওঁক মই চিনিব নোৱাৰিলো।

মই লাহে লাহে তাৰ পৰা আঁতৰি আহিলো আৰু আহিয়েই তেওঁ বহি থোৱা সেই নিৰ্দিষ্ট শিলটোলৈ আগবাঢ়িলো। আৰু শিলটোৰ ওচৰতে দেখিলো এইমাত্ৰ মই শুনি অহা নামটো। ধুনীয়াকৈ বালিত লিখি থোৱা আছে **Nandini I Love You. Do You Love me?** মই এতিয়াহে বুজিব পাৰিছো তেওঁৰ প্ৰতিটো কবিতাৰে কথা। যাৰ প্ৰত্যেকটো কবিতা 'নন্দিনীকা' নামৰ এজনী কাল্পনীক নাৰীক লৈ লিখা আৰু জনপ্ৰিয়ও। আৰু তেওঁ লিখা মোৰ সেই প্ৰিয় কবিতাতো—

'নন্দিনীকা গোস্বামী' কুশলে
আছানে তুমি?
হয়তো মোৰ দৰে তুমিও
সুখী নহয়?
তোমাৰ চেৰত যে এই
দুৰ্ভগীয়া কবিজন নাই...।
আৰু ময়ো...?

মই এইবোৰ ভাবি থাকোতে বহু সময় পাৰ হ'ল। নৈ পৰীতয়া এছাতি শীতল বতাহে আহি মোক কোৱাই গ'ল। মোৰ প্ৰিয় কবিজন অবিহনে আজি মই অকলশৰীয়া এই ঠাই ডোখৰত। অইন দিনা হোৱা হ'লে তেওঁ ইমান সময়ে ডুবিবলৈ ধৰা বান্ধনি বেলিটো চায় আপোন পাহৰা হৈ থাকিলে হয়। ক'ৰবাৰ পৰা এটা চিনাকী গীতৰ কলি আহি মোৰ কাণত স্পৰ্শ কৰিলে। আৰু ময়ো ধীৰ খোজেৰে ঘৰমুৱা হ'লো—

'ধীৰে ধীৰে হেৰাই যায়
আবেলিৰে বদালি...।' ◆◆

# মিচাইলমেন এ পি জে আব্দুল কালাম ছাৰলৈ মোৰ অশেষ শ্ৰদ্ধাঞ্জলি

—শ্ৰীহীৰক দাস
প্ৰথম ষান্মাসিক, স্নাতক মহলা

কালাম ছাৰ আপুনিটো এজন নিজেই বৈজ্ঞানিক যিদৰে এটা পৰমাণু বোমাৰ জীৱন্ত শক্তিৰূপ দিয়া। আপুনী নিজৰ জীৱনটিক কিয় কিয় জীৱন্ত হৈ থাকিবলৈ একো নকৰিলা। কিয় কি ছাৰ? মই জানো যে এবাৰ হেৰাই গ'লে ইয়াক বিচাৰি নাপায়, মানুহ জন্মিলে মৃত্যু অনিবাৰ্য। কিন্তু তথাপিটো মোৰ মনটোৱে নেমানে আপুনি হেৰাই যোৱা বুলি। কাৰণ আপোনাৰ কৰ্মৰাজীয়ে আমাৰ ভৱিষ্যতৰ প্ৰজন্মও নাভাবে যে আপুনি আজি আমাৰ মাজত নাই। আপুনি সদায় আমাৰ মাজত জীয়াই থাকিব, আপোনাৰ কৰ্মৰাজী আপোনাৰ মানুহৰ প্ৰতি কৰা ব্যৱহাৰ ইত্যাদিয়ে।

আপোনাকটো গোটেই বিশ্বখনেই মিচাইলমেন বুলিয়েই জানে আৰু তাৰ উপৰিও ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি। আপোনাক যেতিয়া এখন উচ্চমানৰ আসনত বহিবলৈ দিয়া হয় তেতিয়া আপুনি কিয় আনবোৰৰ লগত সমান আসন কৰি লয়। আৰু আপোনাৰ ঘৰৰ পৰিয়ালটো যেতিয়া দিল্লী চাবলৈ গৈছিল তেতিয়া আপোনাৰ মাহিলী দৰমহাৰ পৰাহে খৰচ বহন কৰিছিলে কিয়? আপুনি তেতিয়া ভাৰতবৰ্ষৰ এজন ৰাষ্ট্ৰপতি আছিলে আপুনি এবাৰ হুকুম দিলেই হৈয়ে যায় এওঁলোকৰ থকা-খোৱাৰ ব্যৱস্থা কৰি দিয়ক বুলি। আপোনাৰ নিজৰ পকেটৰ পইচা খৰচ নকৰিলেই হ'লহেঁতেন। আৰু মই যিমান দূৰ সম্ভৱ জানো ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ মাহিলী দৰমহা এক লাখৰো অধিক পায়, আৰু আপুনি এই গোটেবোৰ টকা এন জি অ'ক দান কৰি দি দিলে কিয়? কাৰণ আপোনাৰ নিজৰ পত্নী-ল'ৰা-ছোৱালী নাছিল কাৰণে নে অইন কিবা কাৰণত হে? মোৰ দ্বাৰাই সম্ভৱ নহ'ল এইবোৰ প্ৰশ্নবোৰ আপোনাক কৰিলে মোৰ মনত এইটো এটা বৰ বহুতো ডাঙৰ দুখ। আৰু আপুনি আপোনাৰ সুৰক্ষাবাহিনীক থিয় দি ডিউটি দিয়াৰ পৰিবৰ্তে আপুনি আপুনি বহি থাকিয়েই ডিউটি দিবলৈ কৈছিলে কিয়? কাৰণ আপুনি জানে যে এইটো কিমান কষ্টকৰ। কাৰণ আপুনি তিনি-চাৰে তিনি বজাত উঠি ৰে'ল-জংছনৰ পৰা বাতৰি কাকতবোৰ আনি ঘৰে ঘৰে ডেলিভাৰী কৰাটো কিমান কষ্টকৰ নহয় জানে? এনেকে আপোনাৰ পঢ়াৰ খৰচ পাতি উলিওৱাৰ বাবে নহয় জানো ছাৰ। আন আপুনি হেনো আপোনাৰ ভণিৰ সোণ বিক্ৰী কৰি বিজ্ঞান শাখাত নামভৰ্তি কৰিছিলে আপুনি ইমান দৰিদ্ৰ আছিল নে?

সি যি কি নহওঁক আপোনাৰ মৃত্যুৱেও প্ৰমাণ কৰিলে যে আপুনি কিমান ভাল পায় উত্তৰ-পূৱ ভাৰতবৰ্ষক। কাৰণ মোৰ এতিয়াও মনত আছে যে ৰাস্তাৰ কাষৰ গছ-গছনিবোৰত কাৰোবাৰ দোকানৰ বেৰত লগাই থোৱা পোষ্টাৰ কেইখন। আৰু পোষ্টাৰবোৰত লিখা আছিল যে বাইহাটা চাৰিআলিৰ পূৱ-কামৰূপ মহাবিদ্যালয় মাননীয় এ পি জে আব্দুল কালাম ছাৰ আহিব উক্ত সভাত সমূহ ৰাইজৰ সহায় সহযোগ কৰিব নে?

কালাম ছাৰ আপোনাক মই মোৰ ফালৰ পৰা আপোনাক মৰোনন্তৰ হিচাপে ধন্যবাদ জ্ঞানন কৰিছো। কাৰণ ৰাছিয়াৰ সহযোগত ভাৰত আৰু ৰাছিয়াই এটা মিছাইল তৈয়াৰ কৰিছিলে আৰু সেই মিছাইলটোৰ এটা নাম দৰকাৰ হোৱাত তেতিয়া ৰাছিয়াই মস্কোভা নদীৰ নামেৰেই নামাকৰণ কৰা হ'ব বুলি কৈছিল যিহেতু মস্কোভা নদীৰ পাৰতেই এই ক্ষেপণাস্ত্ৰটো স্থাপন কৰা হৈছিল। আৰু তেতিয়া কালাম ছাৰ আপুনি কৈছিল যে আমাৰ ভাৰতবৰ্ষৰ উত্তৰ-পূৱ ভাৰতত এটা নদী আছে যাৰ নাম হৈছে ব্ৰহ্মপুত্ৰ আৰু আমি ব্ৰহ্মপুত্ৰ আৰু মস্কোভা নদীৰ দুয়োটাৰে পৰা আধা আধা অংশ আনি ইয়াক আমি নামটো দিও ব্ৰহ্মজ। যিহেতু দুয়োখন দেশৰে মিছাইলটো তৈয়াৰ কৰাত সহায়ৰ হাত আগবঢ়াইছে। যাৰ বাবে আজি ভাৰতবৰ্ষখন অন্য দেশৰ লগত ফেৰ মাৰিব পাৰিছে। আমেৰিকা, জাপান, ৰাছিয়া আদিৰ কথা মই কোৱা নাই কাৰণ আমেৰিকাই সৰ্বপ্ৰথমে এই পৰমাণু বোমা পৰীক্ষণ কৰিছে। ইয়াৰ তুলনাত ভাৰতবৰ্ষ তেনেই নগন্য। আপুনি সকলো কামেই,

সময়ৰ আগতহে উপস্থিত বা কাম-কাজ কৰিছিলে। আপুনি যি সময়ত ৰাষ্ট্ৰপতি হৈ আছিলে বা চৰকাৰী চাকৰীৰ দৰমহাবোৰ এন জি অ'ক দান দিয়াৰ পৰিবৰ্তে আপোনাক মজ, মন্তি আৰু এছ কৰিবলৈহে আপোনাক এই দৰমহা দিয়া হৈছিল। আন কোনেওটো তেনেকুৱাটো নকৰেই মই জানো কাৰণ নিজৰ দৰমহা আৰু আপোনাৰ নিচিনা নতুন নেতাবোৰে যদি নিজৰ বাবে ধনবোৰ আত্মসাৎ নকৰি যদি দেশখনৰ হিতৰ কাৰণে কাম কৰে তেনেহ'লে কালামা ছাৰ আপোনাৰ দুচকুত ভাহি থকা স্বপ্নদ্ৰষ্টা দেশ এখন গঢ়ি তোলাৰ সপোনটি পূৰণ হ'ব আপোনাৰ।

আপোনাক যেতিয়া এজনী ছাত্ৰীয়ে প্ৰশ্ন কৰিছিলে যে আপুনি নিজক গোটেই বিশ্বখনৰ আগত কি বুলি চিনাকী দিব বিচাৰে? এজন বৈজ্ঞানিক হিচাপে, এজন দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি হিচাপে নে অইন কিবা বুলি? তেতিয়া আপোনাৰ পৰা উত্তৰ আহিছিলে যে 'এজ এ গ্ৰেট হিউমেন' বুলি।

সদৌ শেষত আপোনাৰ দেশবাসীলৈ এটাই মেছেজ আহিছিল যে মই শ্বিলঙলৈ গৈ আছো। তাৰ পিছত আপোনাৰ কোৱা মতেই কাম হ'ল আৰু তাত সোমাই ভাষণ দিব আৰম্ভ কৰিছিলে হে মাথো। সেই দুই লাইনটো হ'ল—

হাই গাইচ! আৰ ইউ দুইও ওৱেল। তাৰ পিছত আপুনি ঢলি পৰিল আৰু লগে লগে হাস্পতালত ভৰ্তি কৰোৱা হয় আৰু তাতেই আপুনি শেষ নিঃশ্বাস ত্যাগ কৰে।

সদৌ শেষত মই ভগৱানৰ ওচৰত এটাই প্ৰাৰ্থনা জনাইছো যে আপুনি য'তেই থাকক বহুতো সুখ, শান্তিৰে ৰাখে যেন। আৰু দ্বিতীয়বাৰ তেওঁৰ যদি জন্মও হয় ভগৱান প্লিচ তেওঁক আকৌ ভাৰতবৰ্ষৰ এজন সু-মহাকাশ বৈজ্ঞানীক হিচাপেহে জন্ম গ্ৰহণ কৰাৰ সুবিধা দিয়ে যেন।

ধন্যবাদ কালাম ছাৰ, চেলুট আপোনাক।
জয় হিন্দ।
জয় আই অসম। ◆◆

## কৌতুক

—শ্ৰীসংগীতা কুমাৰ
তৃতীয় যান্মাসিক

ক) শিক্ষক ঃ যদি সঁচা অন্তৰেৰে ভগৱানক প্ৰাৰ্থনা কৰা যায় তেন্তে আশাবোৰ পূৰণ হয়।
ছাত্ৰ ঃ সেইবোৰ কথা বাদলৈ দিয়ক ছাৰ। যদি এনেকুৱাই হয় তেন্তে আজি আপুনি মোৰ ছাৰ নহৈ শহুৰ হ'ল হয়।
খ) ঘৈণীয়েকে গিৰিয়েকক কোবাই আছে এনেতে
প্ৰতিবেশী ঃ তেওঁক কিয় কোবাই আছা।
ঘৈণীয়েক ঃ এওঁক যেতিয়া ফোন কৰিলো তেতিয়া সেই ফালৰ পৰা এজনী ছোৱালীয়ে উত্তৰ দিলে— আপুনি বিচাৰি থকা গ্ৰাহকজন বৰ্তমান ব্যস্ত আছে ক্ষন্তেক পাছত ফোন কৰিব।

গল্প

# মৰহা অনুভূতি

—শ্ৰীকিশোৰ তালুকদাৰ
তৃতীয় ষান্মাসিক

ডাঠ বগা ছেমছাং মোবাইল ছেটটোৰ ডিজিটবোৰৰ ওপৰত আঙুলি বোলাই গ'ল বিভানে এটা অচিনাকি নাম্বাৰলৈ ফোন কৰাৰ প্ৰয়াসৰে। সিটো মূৰৰ পৰা ভাহি আহিল এক নাৰীকণ্ঠ।

ঃ হেল্ল'।

ঃ মই বিভান শইকীয়াই কৈছো।

ঃ হয় মই গ'ম পাইছো। আপোনাৰ ফোন নাম্বাৰ ছেভ কৰা আছে। হ'লো। আপোনাৰ উৎসাহ ভৰা এচ এম এচটোৰ বাবে ধন্যবাদ।

ঃ বেয়া নাপায় যদি আপোনাৰ নামটো জনাব নেকি?

ঃ নিশ্চয়! ৰিয়া তালুকদাৰ।

ঃ ধন্যবাদ! আকৌ লগ পাম।

ফোনৰ লাইনটো কাটি বিভানে বিচনাখনত দীঘল দি শুই পৰিল। যোৱা কালিৰে পৰা সি এক অস্তিৰ ৰোগত ভুগি আছিল। ৮ আগষ্ট সংখ্যা আলোচনীত প্ৰকাশিত তাৰ গল্প এটি পঢ়ি মুগ্ধ হৈ বহুতেই ফোন কৰি উৎসাহ যোগাইছিল। এচ এম এচ প্ৰেৰণ কৰিছিল। তাৰ মাজত এটি এচ এম এচে বিভান শইকীয়াৰ মনত এক আনন্দৰ সৃষ্টি কৰিছিল। এটা প্ৰেৰণা পূৰ্ণ এচ এম এচ অথচ প্ৰেৰকে নাম ঠিকনা প্ৰকাশ কৰা নাছিল।

বিভান শইকীয়া এজন ভাল গল্পকাৰ হিচাপে নিজকে ৰাইজৰ মাজত চিনাকি দিবলৈ সক্ষম হৈছে বিভিন্ন কাকত, আলোচনীত তেওঁৰ যথেষ্ট গল্প প্ৰকাশ পাইছে। আজিৰ পৰা প্ৰায় পোন্ধৰ বছৰ আগৰ কথা। বিভান এজন চফল ডেকা। সুখ্যাতিৰে এম এত উত্তীৰ্ণ হৈ বিভান শইকীয়া চৰকাৰী হাইস্কুল এখনত নিযুক্তি লাভ কৰিছিল। এক মহান পদত নিয়োজিত হৈ বিভান শইকীয়া আৰম্ভ কৰিলে কৰ্মময় জীৱন। তাৰ মাজতেই এজনী দশম শ্ৰেণীৰ ছাত্ৰী, তৰা। সমভ্ৰান্ত ঘৰৰ ছোৱালী। দেউতাকৰ অনুৰোধত বিভান শইকীয়া তাইক ঘৰতে পঢ়ুৱাবলৈ বাধ্য হ'ল।

....কিন্তু সেইজনী তৰায়েই বিভান শইকীয়াৰ জীৱনলৈ আনিলে ধুমুহা। প্ৰেমৰ বৃত্ত পৰিধিৰ বিশালতা নুবুজা তৰা সোমাই পৰিল বিভানৰ হৃদয় বৃত্তত। কিন্তু এজন অভিজ্ঞ শিক্ষক, বয়সৰ ইমান তাৰতম্য থকা নিবোধ ছোৱালৱীৰ প্ৰেমত পৰে কেনেকৈ? বিভান শইকীয়াই তাইক মনৰ সমস্ত শক্তিৰে পুজাবলৈ চেষ্টা কৰিলে। কিন্তু নিষ্ফল হ'ল সেই চেষ্টা। ব্যৰ্থ হ'ল বিভান শইকীয়া।

তৰাৰ প্ৰেম চৰম সীমাত উপনীত হ'ল। আত্ম স্বজনৰ বুজনিয়েও তাইক কাম নিদিলে। বিভান শইকীয়াৰ উদাসীনতাত আঘাতপ্ৰাপ্ত হৈ তাই আত্মহত্যাৰ দৰে ঘৃণনীয় পথ বাছি ল'লে। ইয়াৰ পিছত বিভান শইকীয়াই নিজৰ মহান বিত্তি এৰি আত্মসন্ধান ৰক্ষা হেতুকে কৰবাত অদৃশ্য হৈ গ'ল। সেইয়া এতিয়া অতীত। এতিয়া বিভান শইকীয়া পুনৰ শিক্ষকতাৰে কৰ্মময় জীৱন আৰম্ভ কৰি বিচাৰিছে সৃষ্টি মাজেৰে নতুনত্ব।

আজি দুদিন হ'ল বিভান শইকীয়াৰ মন অশান্ত। ক্লান্ত শৰীৰ যেন কিবা এটা বিচাৰি মনটোৱে অহৰহ হাহাকাৰ কৰিব লাগিছে। ৰিয়াৰ এ এম এচটোৱেই যেন বিভান শইকীয়াৰ বাবে কিবা এটা হোৱাৰ কাৰণ হৈ পৰিছে। ৰিয়াৰ কণ্ঠই তাক বাৰু বিব্ৰত কৰিছে নেকি? সি বাৰু বিয়াৰ প্ৰতি দুৰ্বলতা অনুভৱ কৰিছে নেকি? বিভান শইকীয়া তাৰ গল্পৰ খাতিৰত ৰিয়াক পুনৰ ফোন কৰিলে। ৰিয়াৰ বিষয়ে কিছু কথা বিভান শইকীয়াই তাইৰ মুখৰ পৰা জানি ল'লে। ভাল লাগিল বিভান শইকীয়াৰ ৰিয়ায়ো গল্প, কবিতা লিখে বুলি জানি। বিভান শইকীয়াৰ দৰে তাইয়ো শিক্ষকতা কৰে। ৰিয়াক লৈ গল্পৰ সৃষ্টিৰ কামত লাগি গ'ল বিভান। তাৰ লগে লগে আৰম্ভ হ'ল বিভান শইকীয়া আৰু ৰিয়াৰ মাজত সঘনাই মোবাইলেৰে গল্প, কবিতাৰ আলোচনা। মানুহৰ জীৱনলৈ হয়তো প্ৰেম এনেকৈয়ে আহে, গোপনে জাগ্ৰত হয় হৃদয়ত তাৰ সুকোমল অনুভূতি। যাক চুই যাব নোৱাৰি মাথো অনুভৱহে কৰিব পাৰি।

এই শুভদিনত বিভান শইকীয়া আহিল ৰিয়াক দেখা কৰিবলৈ কোনোদিনেই দেখা দেখি নোহোৱা বিভান শইকীয়া আৰু ৰিয়া লগা-লগি হ'ল। এখন অট'ৰিক্সা ভাড়া কৰি দুয়ো অগ্ৰসৰ হৈছিল ৰিয়াহঁতৰ গাঁওখনিলৈ। ৰাতিটো ৰিয়াহঁতৰ ঘৰতে কটালে। ৰিয়াৰ হাতত হাত থৈ বিভান শইকীয়াই প্ৰতিশ্ৰুতি দিলে খুব সোনকালে আমাৰ দুয়োৰে যুগ্ম জীৱন আৰম্ভ হ'ব। তৃষ্ণা আনন্দত আত্মহাৰা

হৈ পৰিছিল। দিনবোৰ গৈ থাকিল, ৰিয়াই আশাৰে ৰৈ থাকে বিভানৰ ফোনলৈ। বৈ থাকে মৰম ভৰা এচ এম এচলৈ। কিন্তু বিভান যেন কৰবাত হেৰাই গ'ল। ৰিয়াই দুখত ভাঙি পৰিল। ৰিয়াই ঠিক কৰিলে, তাই নিজেই সুধিব বিভানক কিয় সি খবৰ ল'বলৈ এৰি দিছে। ৰিয়াই ফোন কৰিলে—

ঃ হেল্ল'- বিভানৰ কণ্ঠ ভাহি আহিল।

ঃ তুমি যে মোৰ খবৰ ল'বলৈ এৰি দিলা কিয়? পাহৰি গ'লা নেকি তুমি মোক?

ঃ মই লিখা-মেলাত ভীষণ ব্যস্ত। সেয়ে...

ঃ তুমি এক মিনিটৰ বাবে মোক ফোন কৰিব পাৰা। পাহৰি গলা নেকি তোমাৰ প্ৰতিশ্ৰুতি?

ঃ প্লিজ ৰিয়া। Live me alone! মোক তুমি পাহৰি যোৱা। মই ঘৰৰ অমতত বিয়া হ'ব নোৱাৰো। মোক ক্ষমা কৰি দিয়া। ৰিয়াৰ হাতৰ মুঠিৰ পৰা মুক্ত হৈ কেতিয়া মোবাইলটো পকাত পৰি ভাঙি গ'ল তাই টলকিবই নোৱাৰিলে। মোবাইলটোৰ দৰেই তাইৰো কোমল হৃদয়খন বিভান শইকীয়াই ভাঙি থান-বান কৰিলে। তাইৰ সঁচা ভালপোৱাক বিভানে অবজ্ঞা কৰিলে।

বিভান এতিয়া ব্যস্ত লেখিকা তৃষ্ণাকলৈ। ৰিয়াৰ স্মৃতি মানস পটৰ পৰা চিৰদিনলৈ মুচি দিলে। তৃষ্ণাৰ প্ৰথম গল্প পঢ়িয়েই প্ৰেমত ডুবি গ'ল বিভান। গুৱাহাটীৰ এখন প্ৰাইভেট নাৰ্চিংহোমত কাম কৰে তৃষ্ণাই। বিভান ব্যগ্ৰ হৈ পৰিল তৃষ্ণাক লগ পাবলৈ। তৃষ্ণাৰ সৈতে চিনাকি হ'বলৈ বিভানৰ মনটোৱে হাহাকাৰ কৰিবলৈ ধৰিলে। কিন্তু তৃষ্ণাৰ ফোন নাম্বাৰ নাই। গল্পৰ শেষত মাথো তেওঁৰ ঠিকনাটো। বিভান কিন্তু শান্ত নহ'ল তৃষ্ণাক সি যেনেকৈয়ে নহওক লগ কৰিবই। বিভানে এখন চিঠি লিখিলে, তৃষ্ণালৈ, তেওঁৰ গল্পই তাক অতিশয় মুগ্ধ কৰাৰ কথা। এবাৰ হ'লেও তেওঁক দৰ্শন কৰিবলৈ সুযোগ দিয়ে যেন। বহুদিনৰ মূৰত বিভানলৈ চিঠি আহিল তৃষ্ণাৰ মোক নিশ্চয় লগ কৰিব পাৰে আপুনি। ...কিন্তু ধুমুহা কেতিয়া আহে কোনেও নাজানে। হয়তো আপুনি মোক লগ কৰিব অহাৰ দিনা এজাক ধুমুহা আহিবও পাৰে। আপুনি ধুমুহাৰ সৈতে মিলি নাযাব।

বিভানে তৃষ্ণাৰ কথাখিনিৰ অৰ্থ বুজিবলৈ টান পালে। এটা বন্ধৰ দিন লৈ বিভান ওলাল তৃষ্ণাক লগ কৰিবলৈ। তৃষ্ণাৰ ঠিকনা মতে সি গুৱাহাটীয় প্ৰাইভেট নাৰ্চিংহোমটো উলিয়াবলৈ সক্ষম হ'ল। বিভানে প্ৰথম মহলাৰ বাৰান্দাত থিয় হৈ চাৰিওফালে এবাৰ চকু ফুৰালে। কেনেকৈ সি এতিয়া তৃষ্ণাক উলিয়াই। দুজনী নাৰ্চ অহা দৃষ্টিগোচৰ হ'ল বিভানৰ। বিভানে নাৰ্চ দুজনীক সুধিলে তৃষ্ণা দাসক লগ কৰিব পাৰিমনে। ইয়াতটো কোনো তৃষ্ণা দাস নামৰ ছোৱালী নাই— নাৰ্চ এজনীয়ে আচৰিত হৈ ক'লে।

ঃ নহয় মানে তেওঁ এগৰাকী ভাল লেখিকা। এই নাৰ্চিংহোমত কাম কৰে। তেওঁৰ ঠিকনা লিখা আছে যে তেওঁ ইয়াতে কাম কৰে।

ঃ Sorry আমি কোনো তৃষ্ণা দাসক চিনি নাপাওঁ। নাৰ্চ দুগৰাকী বিভানৰ কাষেৰেই আঁতৰি গ'ল।

বিভান ভীষণ সমস্যাত পৰিল। তেনেকৈ সি তৃষ্ণাক লগ কৰে?

ঃ বিভান! এক শান্ত নাৰীকণ্ঠই তাৰ হৃদয় চুই গ'ল। বহুতো যেন চিনাকি এই নাৰীকণ্ঠ কোনে বাৰু? বিভানে লাহেকৈ মূৰ দাঙি চালে। বিভানে এয়া কি দেখিছে? সন্মুখত শিলৰ মূৰ্তিৰ দৰে থিয় হৈ আছে একালৰ প্ৰেমীকা ৰিয়া তালুকদাৰ।

ঃ ৰিয়া তুমি?

ঃ ৰিয়া নহয়, তৃষ্ণা, তৃষ্ণা দাস, যাক তুমি লগ কৰিবলৈ ব্যাকুল হৈ আছিলা।

বিভান মাথো বোবা হৈ ৰিয়াৰ মুখলৈ নীৰৱে চাই আছে। কি ক'ব ৰিয়াক এতিয়া সি? মনৰ গভীন বহনত বলিলে এজাক প্ৰচণ্ড ধুমুহা। তাৰ মনত পৰি গ'ল চিঠিত লিখা তৃষ্ণাৰ কথাখিনি হয়তো এজাক ধুমুহা...।

ঃ বিভান ক্ষমা কৰিবা। মোৰ ডিউটিৰ সময় হৈ গৈছে। মই এতিয়া যাব লাগে। তোমাৰ কিবা ক'বলগীয়া আছে যদি কোৱা। কিমান নীৰৱ মুহূৰ্ত পাৰ হৈ গ'ল বিভান আৰু ৰিয়াৰ। কোনেও কাকো একো ক'ব পৰা নাই মাথো নীৰৱতা।

বুকুত সাহস গোটাই ৰিয়াক কিবা ক'বলৈ বিভানে মূৰ দাঙিলে। কিন্তু ৰিয়াচোন তাৰ সন্মুখত নাই। ক'লৈ গ'ল ৰিয়া? চিঞৰি চিঞৰি ৰিয়াক মাতিবলৈ মন গ'ল তাৰ। কিন্তু কিবা এক অদৃশ্য শক্তিয়ে তাক বাধা দিলে। ৰিয়াক সি ক্ষমা খুজিব নোৱাৰে। ৰিয়াৰ প্ৰকৃত ভালপোৱাক সি কাপুৰুষালিৰ পৰিচয় দি থৈছে। ৰিয়া যেনেদৰে আছে, তেনেদৰেই থাকক। বিভানে আৰু ৰিয়াক আমনি নকৰে।

গল্প

# মা

—শ্রীনয়ন দাস
পঞ্চম ষান্মাসিক

সৰু সৰু কিছুমান ঘাঁহ বনৰ মাজেৰে পথটো আগুৱাই গৈছে। কিছুদূৰ আগুৱাই যায়ে পথটোৰ দাঁতিয়েদি নামি যাব লাগে। অলপ অলপ পানীৰে উপচি আছে আলিটো । ভালদৰে মন নকৰি ধৰিবকে নোৱাৰি।

মাছুৰৈ ঘাত বুলি ওচৰ পাজৰৰ মানুহখিনিয়ে যানে, যি ঘন ঠাইৰ মাছ সৰু বৰ চহৰবোৰত বিক্রীৰ বাবে দিয়া হয়। তাৰে মানুহখিনিৰ মাছ মাৰী উপাৰ্জন কৰা বাহীৰে আৰু কোনো ধৰণৰ উপায় নাই। কোনো ধৰণৰ কাৰেন্তৰ ব্যৱস্থা নাই আজি পৰ্যন্ত কেৰাচিন তেলৰ চাকী ব্যৱহাৰ কৰে। অন্নথা লেম্প ব্যৱহাৰ কৰি পোহৰৰ ব্যৱস্থা কৰে। কেৰাচিনখিনিও সংগ্ৰহ কৰিব লাগে কুৰি মাইল দূৰৰ পৰা। মাক দেউতাকৰ চিনস্বৰূপে ভ্ৰমণ সন্তন সংস্কৃতি। স্থানীয় ৰাইজে মিলি পাতি দিয়া প্ৰাথমিক বিদ্যালয়খনত নাম লিখাই দিলে। শিক্ষক বুলিবলৈ মাত্ৰ তিনিজন প্ৰধান শিক্ষক, সহকাৰী শিক্ষক আৰু শিক্ষয়িত্ৰী এগৰাকী। হাতত কলি মাটি পেঞ্চিল ডাল লৈ সমনিয়াৰ স'তে উধাতু খাই দৌৰ মাৰে পেটত পৰিল কি নপৰিল। এটা দুটা কৰি ওপৰৰ শ্ৰেণীলৈ উন্নতি কৰিব ধৰিলে। কোমল মাটিয়া ছোৱালী সংস্কৃতি যিগৰাকী ছোৱালী সমনীয়াৰ স'তে খেলে দৰা, কইনা খেলা মনৰ মাজত অগুল যুগুল কোনোবা ৰজাৰ পুতেকৰ লগত বিয়া হোৱা দোলাত উঠি ৰাজগৃহলৈ যোৱা তেওঁলোকৰ গীতবোৰ খেলৰ মাজত গাই ৰজাই হুকুম দিছে, কি হুকুম দিছে। ৰজাক এজনী ছোৱালী লাগে ছোৱালীজনী কোন খেলৰ মাজতে খেলে ওপানতি বাইকুপ নাইন টেইন টেইচ কুপ চুলি টানা বেবি ভানা ডাক্তৰ বাবুক মাতি আনো হয়তো কাৰোবাৰ নিৰালিত মাটিত কিছুমান ঘাই আঁকি মাটি কলহৰ ভাঙি লোৱা ঘুৰনিয়া গুটিটো অকল্ন অকল্ন ভৰিৰে সৰু সেই চৰাই তোৰ দৰে জগিয়াই জপিয়াই মুখেৰে উচ্চাৰণ কৰে কুট-কুট সৰু সৰু ঘাটবোৰৰ নাম দিয়ে একটি দুইটি.... হাঠিয়া।

কেতিয়াবা কেতিয়াবা প্ৰধানৰ চাহ খাবৰ মন গ'লে তাই মাতি চাহ বনাব দিয়ে। শিক্ষক প্ৰধানে চাহ খাই তাইকো বিস্কুট চাহ খাব দিয়ে।

শিক্ষক প্ৰধানে দেউতাকে কি কৰে বুলি সোধাত তাই ক'লে মাছ ধৰে। তোমাৰ কাৰণে এটা ভাল খবৰ আছে তুমি এইবাৰ বৃত্তী পৰীক্ষাত বহিব পাৰিবা আমি আটাইকেইজনে আলোচনা কৰিছো তুমি জিলাৰ ভিতৰত প্ৰথম হ'ব লাগিব। আমাৰ বিদ্যালয়ৰ নাম উজলাব লাগিব মূৰত হাত বুলাই শিক্ষকে ক'লে কি হ'ল আইজনী মুখখন সেমেকি আছে যে চাও মুখখন দাঙি দিয়া চোন ফেকুৰিছ কিয় ভাল ছোৱালী নাকান্দে নহয়।

আই বোপায়ে কৈছে মই আৰু স্কুললৈ আহিব নালাগে কিয়? আইৰ দেহত তেজ নোহোৱা বেমাৰ হৈছে দেউতাও পানিত নামিব নোৱাৰে কফে হেঁচা মাৰি ধৰে আজি কেবা দিনো ধৰি আয়ে বিচনাৰ পৰা উঠিব পৰা নাই শুয়ে আছে কান্দি কান্দি কই থাকিল— সৰু মইনা আৰু বাবুক ময়ে চাব লাগে ইহঁত দুটাক চাউল অকনমান আৰু দালিৰ পানী অলপ কৰি খুৱাই আছো। আইৰ জাকৈখনেৰে মাছ মাৰি আবেলি বজাৰত বেচিব লাগে আহি পোৱাত পলম হয়।

ঘৰলৈ উভতি আহি এজোপা গছত এখন চিলা লাগি থকা দেখা পালে ইমান ধুনিয়া চিলাখন এবাৰ হাতত ল'বৰ মন যায়। এজন সৰু ল'ৰা দৌৰি আহি ক'লে তহতৰ ঘৰত কিবা এটা হৈছে মানুহবোৰ গোট খাইছে হুৱা দুৱা লাগি আছে। বন চোন বল। বাহিৰত বাহেৰে সজা চাঙি এখনত মাকক শুৱাই যোৱা আছে। সাৰতি ধৰি কান্দি থাকিল মা-মা বুলি চকুৰ আগেৰে লৈ গ'ল মানুহবোৰে কান্ধত কৰি। এজন এজন কৰি গুচি গ'ল মানুহবোৰ।

গছ জোপালৈ চাই থাকিল। মুক্ত বতাহত উৰি থকা চিলাখনক আজি সেই বতাহ জাকে নিঠৰুৱা কৰিলে। এটা এটাকৈ মনত পৰিল শিক্ষকে কোৱা কথাবোৰ।

আই জনি স্কুল এৰি নিদিবি এদিন এই শিক্ষাই তোমাৰ সাৰথি হ'ব।◆◆

# আমাৰ সমাজ আৰু কু-সংস্কাৰ

—শ্ৰীঅনুৰূপা দাস
বি এ, প্ৰথম বৰ্ষ

বৰ্তমান আমাৰ দেশৰ সমাজ ব্যৱস্থাৰ বহুতো উন্নতি হৈছে। ইয়াৰ মূলতে হ'ল বিজ্ঞান। বিজ্ঞানৰ প্ৰভাৱতে 'আমি বিজ্ঞান যুগৰ মানুহ' এই বুলি আজি সকলোৱে গৌৰৱ কৰো। এই বিজ্ঞানে মানুহৰ চিন্তাৰ ন-দিগন্ত উন্মোচন কৰাৰ উপৰিও পুৰণিকলীয়া অন্ধবিশ্বাস আৰু সেই অন্ধবিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত জীৱনৰ তথাকথিত প্ৰমূল্য কিছুমান সমাজৰ পৰা নাইকিয়া কৰিবলৈ সক্ষম হোৱা বুলি কোৱা হয় যদিও ই সম্পূৰ্ণৰূপে সাৰ্থক হোৱা নাই। কিয়নো বিজ্ঞানৰ এনে অগ্ৰগতিৰ ফলতো আমাৰ দেশৰ সমাজৰ কিছুমান ঠাইয়ে ঠাইয়ে বিভিন্ন ধৰণৰ অন্ধবিশ্বাস বা কু-সংস্কাৰসমূহ এতিয়াও চলি আছে।

অতীজৰে পৰা সকলো দেশৰ সকলো সমাজতে পৰম্পৰাগতভাৱে কিছুমান বিশ্বাস, আচাৰ-আচৰণ চলি আহিছে। এইবোৰৰ কিছুমানত কোনো যুক্তি বিচাৰি পোৱা নাযায়, কিছুমানৰ কোনো এটা সময়ত কিছু উপযোগিতা থাকিলেও বৰ্তমান সময়ত কোনো এখন সমাজত তাৰ উপযোগী নোহোৱা হৈ পৰিছে। পৰম্পৰাগতভাৱে চলি অহা বাবেই মানুহে সাধাৰণতে কোনো বিচাৰ-বিশ্লেষণ নকৰি অন্ধভাৱে সেইবোৰ মানি অহা দেখা যায়। পৰম্পৰা বা পূৰ্ব-সংস্কাৰ বুলি যুক্তিৰে বিচাৰ-বিশ্লেষণ নকৰাকৈ অন্ধভাৱে মানি অহা এনেবোৰ আচাৰ তথা বিশ্বাসকে অন্ধবিশ্বাস বা কু-সংস্কাৰ বোলা হয়। দেখা যায় যে এই অন্ধবিশ্বাস বা কু-সংস্কাৰসমূহ মানৱ প্ৰগতিৰ প্ৰধান অন্তৰায়। মানৱ প্ৰগতিৰ ইতিহাসৰ পৰা জনা যায় যে আমাৰ সমাজত চলি অহা অন্ধবিশ্বাস আৰু ধৰ্মৰ গোড়ামিৰ বাবে সংস্কাৰমুক্ত অনেক ব্যক্তিয়ে নানা সমস্যাৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। আৰু বহুতো লোকে নিজৰ প্ৰাণ পৰ্যন্ত বিসৰ্জন দিবলগীয়া হৈছিল। এই অন্ধবিশ্বাস বা কু-সংস্কাৰসমূহ ভালেমান আচাৰ-আচৰণ আৰু প্ৰাকৃতিক পৰিঘটনাৰ লগতে জড়িত।

আগৰ যুগত যাত্ৰাকালত কোনোবাই হাঁচিলে বা জেঠিয়ে টিক টিক কৰিলে যাত্ৰা ভংগ হোৱা বুলি ভবা হৈছিল। বেমাৰ হ'লে যথাবিধ চিকিৎসা নকৰি জৰা-ফুকা কৰা, কোনো কোনো দেৱ-দেৱীক পূজা দিয়া, ব্ৰত-উপৱাস কৰা, সত্য নাৰায়ণ পূজা কৰা, সৌভাগ্য লাভৰ বাবে ৰত্ন আঙঠি ধাৰণ কৰা আদিৰ কোনো বৈজ্ঞানিক ভিত্তি নাই আৰু সেইবোৰ অন্ধবিশ্বাসৰ বাহিৰে একো নহয়। সংস্কাৰমুক্ত দৃষ্টিত দেৱ-দেৱীলৈ বস্তু মানস কৰা, বলি-বিধান দিয়া, মৃতকৰ অস্থি-ভস্ম নদী-তীৰ্থত বিসৰ্জন দিয়া আদি কাৰ্যও একপ্ৰকাৰৰ কু-সংস্কাৰ বা অন্ধ-বিশ্বাসহে। ঠিক তেনেদৰে আলু বা কণীৰ আকৃতি শূণ্যৰ দৰে, কিছুমান মানুহে আলু বা কণী খাই গৈ পৰীক্ষাত বহিলে শূণ্য পোৱা বুলি ভবা কথাবোৰ দেখ-দেখকৈয়ে অন্ধবিশ্বাস। কিয়নো প্ৰশ্নোত্তৰ শুদ্ধ বা অশুদ্ধ হোৱাৰ লগতহে নম্বৰ পোৱা-নোপোৱাটো নিভৰ কৰে, আলু বা কণী খোৱাৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। এসময়ত বসন্ত ৰোগ হ'লে মানুহে আই অৰ্থাৎ শীতলা নামৰ এজনী দেৱীয়ে বেয়া পোৱাৰ ফলত হোৱা বুলি বিশ্বাস কৰি বসন্ত ৰোগ নিৰাময়ৰ বাবে তেওঁক পূজা-অৰ্চনা কৰিছিল, তথাপি বসন্ত ৰোগত একো একোটা অঞ্চল জুৰি অসংখ্য মানুহৰ মৃত্যু হৈছিল। এতিয়াও কিছুমান ঠাইয়ে ঠাইয়ে এই অন্ধবিশ্বাস চলি থকা দেখা যায়। সাপে কামুৰিলে মানুহে জৰা-ফুকা কৰিবলৈ বেজ মাতিছিল কিন্তু তথাপিও মানুহে মৃত্যুমুখত পৰিছিল। গতিকে এইবোৰ হৈছে কু-সংস্কাৰ বা অন্ধবিশ্বাস। এসময়ত আমাৰ সমাজত চোৰ কোনে উলিয়াব পাৰে তাৰ বাবে তেল জৰা, বাটি জৰা, কুলা জৰা আদিৰ প্ৰচলন আছিল, এইবোৰো অন্ধবিশ্বাসহে। মানুহে সপোন দেখিলে সপোনৰ বিষয়েও কিছুমান প্ৰচলিত ধ্যান-ধাৰণা কৰিছিল, যিবোৰৰ দৰাচলতে তেনে কোনো সত্যতা নাই।

বৰ্তমান আমাৰ দেশৰ সমাজৰ বিভিন্ন ঠাইত দেখা দিয়া আটাইতকৈ গুৰুত্বপূৰ্ণ কু-সংস্কাৰ বা অন্ধবিশ্বাস হ'ল ডাইনী-যখিনী, দেও-ভূত। আজি দেশত বিজ্ঞানৰ উচ্চ অগ্ৰগতিৰ পিছতো

আমাৰ সমাজৰ কিছুমান লোকে এই ডাইনী-যখিনী, দেও-ভূতক বিশ্বাস কৰে আৰু নানা অপৰাধজনিত কাৰ্যত লিপ্ত হয়। কিন্তু দেও-ভূত, ডাইনী-যখিনী আদিৰ বাস্তৱত কোনো অস্তিত্ব নাই, সেইবোৰৰ অস্তিত্ব মানুহৰ মনতহে আৰু সেইবোৰৰ কাৰ্যবোৰ মানুহৰ জটিল মনৰ বিকাৰ বুলিহে মনোবিশ্লেষকসকলে বক্তব্য দাঙি ধৰে, অথচ বেমাৰ বিয়পোৱা ডাইনী বুলি আজিও কোনো কোনো লোকক অইন লোকে জীৱন্তে প্ৰহাৰ কৰি অগ্নিদগ্ধ কৰি হত্যা কৰাৰ খবৰ বাতৰি-কাকতত, টেলিভিচনত প্ৰকাশ পোৱা দেখা যায়। যিটো সম্পূৰ্ণৰূপে অন্ধবিশ্বাস আৰু এই অন্ধবিশ্বাসৰ কাৰণে বহুতো মানুহে এতিয়াও মৃত্যুমুখত পৰি আছে। সেয়েহে সমাজৰ পৰা এই অন্ধবিশ্বাস আঁতৰাবই লাগিব।

সংস্কাৰ এনে এক মানসিকতা যাৰ শিপা অতি গভীৰলৈ বিয়পিত। সেয়ে সংস্কাৰমুক্ত হোৱাটো সহজ সাধ্য নহয়। সাধাৰণতে শিক্ষাৰ পোহৰ নোপোৱা লোকৰ মাজতে অন্ধবিশ্বাসৰ ভেটি বুলি কোৱা হয় যদিও অনেক শিক্ষিত লোককো সংস্কাৰমুক্ত বুলি ক'ব পৰা নাযায়। আদিম মানুহে প্ৰায় সকলো কথাকে সহজভাৱে মানি লৈছিল, প্ৰাকৃতিক ঘটনাসমূহৰ কাৰ্যকাৰণ বিচাৰ নকৰি মনে সজা এক ব্যাখ্যা আগবঢ়াইছিল। সেয়ে আমি সমাজতেই আছিল অনেক ধ্যান-ধাৰণা, কু-সংস্কাৰ বা অন্ধবিশ্বাসজনিত। বিজ্ঞানৰ অগ্ৰগতিৰ আৰু প্ৰসাৰৰ লগে লগে আদিম অন্ধবিশ্বাস বহুলাংশে নাইকিয়া হৈ আহিছে যদিও শিক্ষিত সমাজতেই দেখাত বৈজ্ঞানিক যেন ব্যাখ্যা আগবঢ়াই কিছুমান অন্ধবিশ্বাসক প্ৰশ্ৰয় দিয়াৰ প্ৰৱণতাও পৰিলক্ষিত হৈছে। ঐতিহ্য আৰু পৰম্পৰাৰ ভেঁটিতে সংস্কৃতিৰ সৌধ গঢ়ি উঠিছে। সেয়ে কোনো কোনোৱে সংস্কৃতিৰ দোহাই দি সকলো প্ৰকাৰৰ প্ৰচলিত জন-বিশ্বাস, আচাৰ-আচৰণ তথা পৰম্পৰা ৰক্ষা কৰাৰ পোষকতা কৰে। সন্দেহ নাই ঐতিহ্য আৰু পৰম্পৰাই অপসংস্কৃতি ৰোধ কৰি জাতীয় সংস্কৃতি জীয়াই ৰাখে, কিন্তু এইটোও অনাস্বীকাৰ্য যে সময়ৰ সোঁতত প্ৰাচীন সংস্কাৰ কিছুমান লুপ্ত হৈ নতুন সংস্কাৰৰ জন্ম হয়।

কিন্তু কেতিয়াবা অপসংস্কৃতিৰো প্ৰৱেশ ঘটে। সেয়েহে ঐতিহ্য আৰু পৰম্পৰা, সংস্কৃতিৰো বিচাৰ বিশ্লেষণৰ প্ৰয়োজন হয়। এই বিচাৰ বিশ্লেষণৰ অভাৱতে কু-সংস্কাৰ বা অন্ধবিশ্বাসৰ জন্ম হয়। অন্ধবিশ্বাস যিহেতু প্ৰগতিৰ অন্তৰায় ইয়াৰ পৰা সমাজমুক্ত হ'বই লাগিব। আনহাতে প্ৰাচীন মাত্ৰেই বেয়া আৰু আধুনিক মাত্ৰেই ভাল বা প্ৰাচীন মাত্ৰেই ভাল আৰু আধুনিক মাত্ৰেই বেয়া এনে কোনো কথা নহয়। প্ৰাচীনেই হওঁক বা আধুনিকেই হওঁক দুয়োটাৰ মাজত ভালো থাকে, বেয়াও থাকে। সেয়ে আমাৰ শাস্ত্ৰসকলে কৈছে বোলে কুমাৰে জাৰি-জোকাৰি যেনেকৈ ধানৰ মাজৰ পৰা পতান বাহিৰ কৰা হয়, তেনেকৈ যুক্তিৰ কুমাৰে জাৰি-জোকাৰি কোনো বস্তুৰ কিমানখিনি বৰ্জনীয় তাক নিৰ্ণয় কৰিব লাগে। সেয়েহে আমাৰ দেশত বিজ্ঞানৰ অগ্ৰগতি আৰু সমাজ শিক্ষিত হৈছে যদিও আমাৰ সমাজৰ পৰা এই অন্ধবিশ্বাস বা কু-সংস্কাৰমূহ সম্পূৰ্ণৰূপে বিলুপ্ত হোৱা নাই। গতিকে আমি শিক্ষিত সমাজে সমাজৰ পৰা এই কু-সংস্কাৰ বা অন্ধবিশ্বাসসমূহ আঁতৰাই এখন সুস্থ সমাজ গঢ়ি তুলিব লাগিব। কিয়নো সমাজ সুস্থ হ'লেহে আমাৰ দেশ সম্পূৰ্ণৰূপে উন্নতিৰ পথত আগবাঢ়িব।◆◆

## জানানে

'অ' মোৰ আপোনাৰ দেশ....' শীৰ্ষক গীতটো অসমৰ জাতীয় সংগীত হিচাপে স্বীকৃত। লক্ষ্মী নাথ বেজবৰুৱা ৰচিত এই গীতটো 'মোৰ দেশ' নামেৰে ১৯০৯ চনত বাঁহী আলোচনীত প্ৰথম প্ৰকাশ পাইছিল। ১৯২৭ চনত তেজপুৰত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনত ইয়াক অসমৰ জাতীয় সংগীতৰূপে গ্ৰহণ কৰা হয়। এই গীতটো বেজবৰুৱাৰ 'কদমকলি' শীৰ্ষক গ্ৰন্থখনত সন্নিৱিষ্ট হৈছে। এই গীতটোৰ সুৰকাৰ আছিল কমলা প্ৰসাদ আগৰৱালা।

—শ্ৰীডিম্পী ডেকা
প্ৰথম ষান্মাষিক

গল্প

# সীমান্তৰ পৰা তোমালৈ

—শ্ৰীকৰবি বৰা
প্ৰথম বৰ্ষ

এদিন সন্ধিয়া আকাশলৈ চাই আছিলো হঠাৎ তোমালৈ মনত পৰিল, মনত পৰি ওলাল চকুৰ পানী। চকুৰ পানীক চিয়াহী কৰি হাতৰ আঙুলিক পলম কৰি এই পত্ৰখনি লিখিবলৈ ওলাইছো।

তোমালৈ বুলি

এটা বিনুত মৰৰ পৰা আৰম্ভ হৈছিল মোৰ যাত্ৰা বহুদূৰত মোৰ স্বপ্ন যৌৱনৰ সেইটো বিন্দুত তুমি আছিলা। যিটো বিন্দুত মই তোমাক বিচাৰি পোৱা নাছিলো। ক'ব নোৱাৰো বহু কথাই বাগৰি থাকে। বিছনাখনত উশাহ, নিশাহ, লগ নোপোৱাত জোনাকে উচুপি উঠা অময় মোৰ চিনাকী, তথাপিও তোমাকে মই বুকুৰ পৰা উজাৰি দিব নোৱাৰো। বুকু উজাৰি তুমি নাথালিও কোনোবা এক অজান নিশাৰ ঘড়ীৰ গটাত লাগি আছিল। এটোপাল নিয়ৰৰ যৌৱনৰ প্ৰতিটো পৃষ্ঠাতে লিপিবদ্ধ কৰিছো, তুমি মোৰ পৰা কাঢ়ি লৈ যোৱা হৃদয়খনৰ ঠিকনা কিন্তু। নোকোৱা সময়ত বৰষুণ জাক আহি উটুৱাই নিলে হৃদয়ৰ সমস্ত সত্বা। মোৰ অৱিহনে তুমি কুশলে থাকিবা। মাথো পুহি ৰাখিম হৃদয়ৰ চাৰিটা কোঠা, শীত তুমি দি থৈ যোৱা দুখ, কষ্ট, বিষাদ, যন্ত্ৰণাৰ এখন বিশাল সামাজ্য। তথাপিও তোমাৰ সীমান্তৰ উচ্চ শিখৰত মোৰ দেহৰ প্ৰতিটো চৌপাশ ৰক্তাক্ত কনিকাই আশাহীন জীৱনৰ সপোন।

কিছুমান অব্যক্ত অনুকৰৰ সৈতে সৰৱৰাহ কৰি আছো। মই কটো এজাক বৰষুণ নাই অথচ তিতি জুৰুলা মই, কটো কলা নাই, এচাটি বতাহ আনহাতে ধুমুহাত বিধ্বস্ত মই। তোমাৰ লগত চিনাকী হোৱাৰ পৰাই বহু কথা অজীৱ কৰি ৰাখিছো।

এক নুবুজা যন্ত্ৰণাৰ অনুভৱ। তুমি সেইটো ফুলাইছিলা নুফুলা ফুলজোপা, এতিয়া বুকুৰ চিত্ৰ শালত অংকিত মাথো তোমাৰেই প্ৰতিচ্ছবি আৰু কেইদিন মানৰ পিছত মোৰ কাষৰ পৰা নোহোৱা হ'বা। তথাপিও মই জীয়াই ৰাখিম তুমি দিয়া সঁচা মৰমবোৰ আৰু মিচা প্ৰতিশ্ৰুতিবোৰ সজীৱ আৰু সযতনে।

হেৰুৱাবলগীয়া মোৰ একোৱেই নাছিল। তোমাৰেই অকিমান মই বুজি নাপালো। মই কি ভুল কৰিছিলো। নালাগে বাকী দিব পিয়লাত মোৰ পিয়াহ। তোমাৰ দুখৰ চিয়াহী পি পি মোৰ সকলোবোৰ সুখ নিথৰুৱা হৈ গ'ল।

যাৰ সঁচা হৃদয় নাই, যাৰ সঁচা মৰম নাই যাৰ সঁচা প্ৰেম নাই সি এজন নিঃস্বাৰ্থপৰ আৰু মৰম কিনা বেচা কৰা তোমাৰ দৰে। পিছত এনেকুৱা হয়, মৰমবোৰ কিনা-বেচা কৰি থাকিলে এদিন হ'লে পানীত ডুব যায় বা ডুবি মৰে।

## মহৎ লোকৰ বাণী

শিক্ষাই মানুহৰ শৰীৰ, মন আৰু আত্মাৰ অন্তৰ্নিহিত শ্ৰেষ্ঠতাৰ বহিঃ প্ৰকাশ ঘটায়। — মহাত্মা গান্ধী।

শিক্ষাই হৈছে মূল আধাৰ, যি মানৱ জীৱনলৈ সুখ শান্তিৰ নিজৰা বোৱাই আনিব পাৰে। — এৰিষ্টটল

—**শ্ৰীউৎপল কলিতা**, বি এ, তৃতীয় বৰ্ষ

গল্প

# সপোন

—শ্রীভাস্বতী ডেকা
প্ৰথম ষান্মাসিক

বসন্ত আগমনত পৃথিৱীখন নতুন ৰূপত শোভা বৰ্ধন কৰে। গছৰ লঠঙা ডাল পাতবোৰ সেউজীয়া সতেজ হৈ উঠিছে। কুলিৰ মধুৰ মাত চাৰিওফালে প্ৰতিধ্বনি হৈছে। গছ-গছনিৰে পৰিৱেশটো যেন আজি খুব সতেজ পৰিষ্কাৰ হৈছে। তাকে ভাবি ভাবি ত্ৰিদিশে বাৰাণ্ডত থকা চকীখনত বহি বাতৰি চাই আছে। ঘৰৰ ভিতৰৰ পৰা পত্নী প্ৰিয়াংশীয়ে মাতি আছে গমে নাপাই ত্ৰিদিশে যেন কিবা আকাশ পতাল ভাবি আছে গিৰিয়েক ত্ৰিদিপ আৰু পুত্ৰ অবিনাশৰ সৈতে প্ৰিয়াংশীৰ সুখী সংসাৰ ত্ৰিদিপ এজন প্ৰবক্তা আৰু প্ৰিয়াংশীয়ে ঘৰখনৰ সকলো দায়িত্ব পালন কৰিব লাগে। ৰাতিপুৱাই ত্ৰিদিপ কলেজলৈ ওলাই যায়। সকলো প্ৰিয়াংশীৰ ওপৰতে। অবিনাশক পঢ়া-শুনা কৰি ভাল মানুহ কৰাটো ত্ৰিদিপ আৰু প্ৰিয়াংশীৰ দায়িত্ব। কাৰণ তেওঁলোক মাক-দেউতাক। অবিনাশে উচ্চতৰ মাধ্যমিক পৰীক্ষাত বিজ্ঞান শাখাত প্ৰথম স্থান পাই ঘৰখনৰ লগতে অঞ্চলৈয়ো গৌৰৱ কঢ়িয়াই আনিলে। অবিনাশক মাক-দেউতাকে দিল্লী আই আই টি Computer Engineering পঢ়িবলৈ পঠাইছিল। ভালদৰে উত্তীৰ্ণ হৈ Associate Professor হিচাপে কৰ্মজীৱন পাতনি মেলে। অবিনাশৰ এই সফলতাত মাক-দেউতাকে আনন্দত আত্মহাৰা হৈছিল। নিজৰ ল'ৰা-ছোৱালী ভাল হোৱাটো সকলো মাক-দেউতাকে বিচাৰে। প্ৰিয়াংশীয়ে ভাবিছিল এখন সুখৰ সংসাৰ হ'ব সেই আশা সপোনহে ৰ'ল। সিহঁতৰ মাজলৈ ক'লা মেঘ এচমকা নামি আহিল। আগতে অবিনাশে ঘৰত আহিব নোৱাৰিলে ফোনৰ জৰিয়তে হ'লেও মাক-দেউতাকৰ খবৰ লৈছিল। এতিয়া অবিনাশে ফোন কৰিও খবৰ নলয়। অবিনাশক লৈ মাক-দেউতাৰ চিন্তা জুমুৰি ধৰিছে। ত্ৰিদিপ আৰু প্ৰিয়াংশী দুয়ো যেন আউসীৰ এন্ধাৰত ডুব গৈছে। এনেকৈ দিন যায় আছে সময় সদায় একে নাথায়। হঠাতে এদিন ত্ৰিদিপ অচিন ৰোগত আক্ৰান্ত হৈ প্ৰিয়াংশীৰ পৰা চিৰ বিদায় মাগিলে। প্ৰিয়াংশীয়ে যেন প্ৰতিটো মুহূৰ্ততে উজুটি খব লাগে। প্ৰিয়াংশীয়ে কল্পনা কৰিছিল সুখৰ এখন ঘৰ হ'ব পো-বোৱাৰীৰে ঘৰখন ভৰি পৰিব। সদায় অক্ষয় বন্তি জ্বলি থাকিব। বাহিৰৰ উৰুঙা বতাহ জাকে জ্বলি থকা বন্তি ভাঙি-চিঙি চুৰমাৰ কৰিলে। প্ৰিয়াংশীৰ বাবে সপোন সকলো মিছা হৈ ৰ'ল। সেইটো যেন তেওঁৰ জীৱন কালতেই সাজি উলিওৱা তেওঁৰেই সমাধি ক্ষেত্ৰ।◆◆

# সৰ্বশ্ৰেষ্ঠ মানুহ হওঁ আহক

—মঃ ৰছিদুল হক
বি এ, তৃতীয় ষান্মাসিক

মানুহে মানুহৰ বাবে যদিহে অকনো নাভাবে, অকনি সহানুভূতিৰে ভাবিব কোনেনো কোৱা...

আজিৰ যান্ত্ৰিক যুগত প্ৰতিযোগিতাত নামি কৰ্মব্যস্ততাৰ মাজত দৌৰোতে কোনোৱে কালৈকো চোৱাৰ আহৰি নোহোৱাৰ দৰে হৈছে। সভ্যতাৰ জখলাৰ মানুহে যিমানেই আগবাঢ়ি গৈছে সিমানেই মানৱীয় প্ৰমূল্যবোধৰ অপমৃত্যু হৈছে। মোকলৈ অনা পাৰ চৰাইটিকো মাৰিবলৈ সত নোযোৱা অসমবাসীৰ মাজেৰে বহুতো দয়া-মায়াহীন লোকে আজি মানুহ এজনক নিষ্ঠুৰ নিৰ্মমভাৱে হত্যা কৰিব পাৰে। কাকতে পত্ৰই প্ৰায়ে পঢ়িবলৈ পোৱা যায় বিভিন্ন ঠাইত মৃতদেহ উদ্ধাৰ, মাৰপিট, হত্যা, অপহৰণ আদি। সভ্যতাৰ পোছাক পিন্ধি মানুহে আজি মানৱতাক পাহৰি পেলাইছে। স্খলন ঘটিছে মনুষ্যত্বৰ। জ্ঞান, চিন্তা-বিবেক আদিৰ অবক্ষয় ঘটিছে। মানুহৰ মানসিক চেতনা অবিহনে কোনো আইন-কানুনেও সমাজক সমস্যাৰ গৰাহৰ পৰা মুক্তি দিব নোৱাৰে। বিভিন্ন দিশত মানুহৰ অমানৱীয় কাৰ্যই মানৱতাক হত্যা কৰাৰ লগতে সমাজকো পংগু কৰিছে। দয়া-মায়া, উদৰতা, প্ৰেম, ক্ষমা, ধৈৰ্য্য আদি মানৱীয় গুণসমূহৰ চৰম বিলুপ্তি ঘটিছে। আধুনিকতাৰ নামত সুখ-শান্তিৰ তাড়নাত আমি যিমানেই দৌৰিছো সিমানেই দুখ আৰু অশান্তিয়ে আগবি ধৰিছে। আজিৰ সমাজত মানুহ ব্যক্তিকেন্দ্ৰিক আৰু স্বাৰ্থপৰ হৈ পৰিছে। বিশেষকৈ চহৰৰ এলেকাত বসবাস কৰাসকলে কেৱল মাত্ৰ ব্যক্তিগত স্বাৰ্থ আৰু লাভালাভৰ ওপৰতহে গুৰুত্ব দিয়ে। চকুচৰহা, আপোনপেটীয়া হৈ লোকৰ উন্নতিত হেঙাৰ হৈ পৰিব খোজাৰ ফলতেই অৰিষা অৰি লাগে। তীব্ৰ আক্ৰোশৰ বশৱৰ্তী হৈ মানুহে মানৱীয় ধৰ্ম হেৰুৱাই পেলাইছে। ইয়াৰ কু-প্ৰভাৱ পৰিছে উঠি অহা যুৱচামৰ মাজত। ফলত আজিৰ যুৱ প্ৰজন্মই অবাটে বাট বুলিছে। ইয়াৰোপৰি পাশ্চাত্যৰ ৰংচঙীয়া ঢৌত আমি নিজকে পাহৰি উটি-ভাহি ফুৰিছো। অতি বিলাসবহুল জীৱন-যাপন কৰাৰ স্বাৰ্থত মানৱীয় অনুকৃতিবোৰ লোপ পাইছে। অমানবীয় আচৰণ কাৰোৰে বাবে গ্ৰহণযোগ্য নহয়। কোনেও কামনা নকৰে মানুহ অমানুহ দানৱ পশুলৈ ৰূপান্তৰিত হওঁক, হেৰুৱাই পেলাওক মানৱ সত্ত্বা।

কেৱল হত্যা, লুণ্ঠন, ধৰ্ষণ, অপহৰণ, দুৰ্নীতি আদিবোৰেই যে মানুহৰ মানৱীয় গুণৰ অৱক্ষ ঘটাইছে এনে নহয়। দেশৰ তথা বিশ্বৰ চুকে কোনে নিতৌ বিভিন্ন ঘটনা অপকৰ্ম সংঘটিত হ'ব লাগিছে। যৌতুকৰ নামত কিমানজনী বোৱাৰীয়ে স্বামীগৃহৰ নিৰ্যাতন ভুগিব লাগিছে বা একেবাৰে নাৰকীয় যতনাৰে হত্যা কৰা হৈছে তাৰ সঠিক হিচাব হয়তো কাৰোৰে হাতত নাই। কি অধিকাৰত নিৰ্দোষী বোৱাৰী এজনীক কেৱল যৌতুকৰ বাবেই হত্যা কৰা হয়? গ্ৰাম্য অঞ্চলৰ সহজ-সৰল, অশিক্ষিত বা অৰ্ধ-শিক্ষিত মাজত যৌতুকৰ নামত বোৱাৰী অত্যাচাৰ কৰাৰ প্ৰৱণতা এতিয়াও জাগি উঠা নাই। এয়া শুভ লক্ষণ। ভাৰতহে মানৱতা, সৰলতা আৰু উদাৰতা থাকে য'ত যন্ত্ৰৰ শব্দই ঢুকি নাপায়। কৃষক হোজাসকলৰ মনত দয়া-মায়া থাকে। জীৱ-জন্তু তথা মানুহক হত্যা কৰিবলৈ সততে হাত নুঠে। তথাপি আজিকালি গ্ৰামাঞ্চলবোৰতো যৌতুকৰ জোৱাৰ উঠিল। আৰম্ভনিতেই ইয়াৰ শিপা নিৰ্মুল নকৰিলে ই এটা সময়ত ভয়ংকৰ ৰূপ যে খাটাং। সেয়ে শিক্ষিত যুৱক-যুৱতী চামে প্ৰতিজ্ঞাৱদ্ধ হোৱা উচিত যৌতুক নলওঁ, যৌতুক নিদিও। অভিভাৱকসকলেও ইয়াক সমৰ্থন জনাবলৈ আগবাঢ়ি আহক। তেতিয়াহে আমি এখন যৌতুকমুক্ত নিকা সমাজ গঢ়িব পাৰিম। অত্যাচাৰ, হত্যাৰ সন্মুখীন নহ'ব দুৰ্ভগীয়া বোৱাৰীসকল। বহুতো মানুহ দেখিছো ভিক্ষাৰীবোৰৰ প্ৰতি অমানবীয় আচৰণ কৰে। পদুলিমুখৰ পৰাই গালি-ধমকিৰে ওভতাই

পঠিয়াই হৃদয়হীনতাৰ পৰিচয় দিয়ে। কিন্তু দুখীয়া দৰিদ্ৰ বা অসহায় লোকক সহায় কৰিলে কেনে সহানুভূতি আত্মসন্তুষ্টি লাভ কৰিব পাৰি সেয়া ভাষাৰে বৰ্ণাব নোৱাৰি। এযাওঁ মানৱীয় গুণ। বিপদত পৰা মানুহক পাৰিলে সহায় কৰিব লাগে। সাগৰত পেলাই ৰং চোৱাৰ মানসিকতা একমাত্ৰ দানৱৰহে থাকে। সেয়ে মানুহে শক্তি থাকিলে ভক্তি কৰাটো উচিত। আনহাতে কিছুমান মানৱৰূপী দানৱ মুৰ্খই নিজকে পণ্ডিত, জ্ঞানী বুলি ভাবি দম্ভালি মাৰে। সকলোৰে আগত দম্ভালি মাৰি নিজৰ চৰিত্ৰ লগ্ন কৰি দেখুৱায়। আচাৰ-ব্যৱহাৰ কাক কেতিয়া কেনেদৰে কৰিব লাগে নাজানে বা জানিলে 'মই বৰ' ভাবত ওফন্দি থাকে। তেনে লোকৰ ব্যৱহাৰত যে কোনো লোক অসন্তুষ্ট নহয় সেয়া নাভাবে। মানুহ জীৱশ্ৰেষ্ঠ। শ্ৰেষ্ঠ হৈয়ো আমি নিকৃষ্ট কাম কৰো কিয়? সেয়ে আহক আমি সকলোৱে মানুহ হোৱাৰ চেষ্টা কৰো—

ঃ কাকো কটু কথা, কৰ্কশ ব্যৱহাৰ নকৰিব।

ঃ যেনেকুৱা ব্যৱহাৰ নিজৰ কাৰণে পছন্দ কৰা হয়, তেনেকুৱা ব্যৱহাৰ অন্যৰ কাৰণেও পছন্দ কৰিবা।

ঃ সকলোৰে লগত নম্ৰ ব্যৱহাৰ কৰিব, অন্যক ক্ষমা কৰিবলৈ শিকিব, ক্ষমা স্বৰ্গীয় বস্তু। ভাল কাম কৰিবলৈ উৎসাহিত কৰিব। মুৰ্খৰ লগত তৰ্ক-বিতৰ্ক নকৰিব।

ঃ সৰুক মৰম কৰিব লাগে আৰু ডাঙৰক সন্মান আৰু ভক্তি কৰিব লাগে।

ঃ প্ৰত্যেকৰে লগত হাঁহি মুখেৰে কথা পাতিব অভ্যাস কৰিব লাগে।

ঃ সকলোৰে সমদৃষ্টিৰে চাওঁক। উচ্চ-নীচ, ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত বুলি কাকো অৱহেলা নকৰি আন্তৰিকতা প্ৰদৰ্শন কৰক।

ঃ আগন্তুকৰ অৱস্থা বুজি তেওঁৰ লগত ব্যৱহাৰ কৰিব। মুৰ্খৰ আচাৰ-ব্যৱহাৰ জ্ঞানীৰ নিচিনা নহয়। সেই কাৰণে মুৰ্খৰ পৰা জ্ঞানীৰ দৰে ভদ্ৰ আৰু নম্ৰ ব্যৱহাৰ আশা কৰিব নোৱাৰি। সকলোৰে ওচৰত আদৰণীয় হ'বলৈ হ'লে মুৰ্খৰ লগত তেওঁলোকৰ অৱস্থানুযায়ী সদব্যৱহাৰ কৰিব লাগে।

ঃ হিংসা নকৰিব।

ঃ মিছা নক'ব। আপুনি কোৱা কথাষাৰ মিছা বুলি প্ৰমাণিত হ'লে আপুনি অবিশ্বাসৰ পাত্ৰ হৈ পৰিব পাৰে।

ঃ যিখিনি পাইছে তথা অলপতে সন্তুষ্ট হ'বলৈ চেষ্টা কৰক। সন্তুষ্টিয়েই শ্ৰেষ্ঠ সম্পদ।

ঃ আনৰ দোষ, আনে কি কৰিলে তালৈ চকু নিদি নিজে কি কৰিছে তালৈ চকু দিব।

ঃ খং পৰিহাৰ কৰিব লাগে। কাৰণ খঙৰ সমান অগ্নি নাই।

ঃ শত্ৰু-মিত্ৰ সকলোৰে উপকাৰ কৰক উপকাৰ কৰিব নোৱাৰিলে অপকাৰ নকৰিব।

ঃ আনক উৎসাহ প্ৰেৰণা দিয়ক।

ঃ অহংকাৰ নকৰিবা, পতন হ'বা।

ঃ পৰচৰ্চা, সমালোচনা আৰু ও'ৰ কথা ত'ত লগাই নুফুৰিব।

## কৌতুক

**শ্ৰীডেইজী শৰ্মা**
স্নাতক দ্বিতীয় বৰ্ষ, তৃতীয় ষান্মাসিক

দৰাপক্ষ ঃ আমাৰ ল'ৰা বৰ ন্যায় পৰাণয়, সদায় সকলোকে এক চকুৰে চায়।
কন্যাপক্ষ ঃ আমাৰ ছোৱালীও কাম-কাজত বৰ পাকৈত। কোনো কামতে হেলা নকৰে এখন ভৰি দাঙি থাকে।
বিয়াৰ পিছত গম পোৱা গ'ল যে ল'ৰাৰ এটা চকু কণা আৰু ছোৱালীৰ এখন ভৰি লেঙেৰী।
শ্ৰেণীত ঃ শিক্ষকে ৰমেনক সুধিলে— ৰমেন মহাপ্ৰাণ বৰ্ণ কাক বোলে?
ৰমেন ঃ ছাৰ যি বৰ্ণ উচ্চাৰণ কৰোতে মহাপুৰুষেও প্ৰাণ দিব লাগে তাকে মহাপ্ৰাণ বৰ্ণ বোলে।

গল্প

# অনুভূতিৰ জলাঙাইদি এভুমুকি

—শ্ৰীৰিংকুমণি নাথ
বি এ, তৃতীয় ষান্মাসিক

জীৱনটো কঠিন শিলত কটা নিলুপ ভাস্কৰ্য। সেউজ সপোন থকা স্বত্বেও জীৱনটো শুকান মৰুভূমিৰ দৰে। এই দুৰ্গম পথ থাকিবই। ঘাত-প্ৰতিঘাতৰ মাজেদিয়েই সেউজ সপোন দিঠকত পৰিণত কৰি আগবাঢ়ি যাবলৈ অসীম সাহস, ধৈৰ্য আৰু বুদ্ধিৰ প্ৰয়োজন। আত্মসংযমেৰে মানুহে ইচ্ছানুসাৰে মনুষ্যত্ব লাভ কৰিব পাৰে। মানুহ হিচাপে জন্ম গ্ৰহণ কৰি মানুহৰ কৰণীয়খিনিৰ প্ৰতি অৱহেলা নকৰি মানুহৰ দৰে জীয়াই থাকিবলৈ শিকিলে আকাশৰ সমস্ত তৰাৰ সমান সুখ পোৱাত তিলমাত্ৰও বাধা নাই।

আমাৰ সমাজৰ বেচিসংখ্যক লোকেই পৰশ্ৰীকাতৰ। এজন মানুহৰ উন্নতি হোৱা দেখিলে আনবোৰে তেওঁক হিংসা কৰিবলৈ ধৰে। বহতো মানুহে তেনে এজন ব্যক্তিৰ গুণগান গাবলৈ কুণ্ঠাবোধ কৰে যিজনে তেওঁলোকতকৈ কোনো ক্ষেত্ৰত আগবঢ়া। তাৰ পৰিৱৰ্তে সেইজন মানুহৰ বদনাম গাবলৈকেহে চেষ্টা কৰে। এজনৰ উন্নতি দেখি আনজনেও উন্নতি কৰিবলৈ চেষ্টা কৰিব লাগে কিন্তু তেওঁক হিংসা কৰিব নালাগে। আকৌ এটা কথা মনত ৰখাটো উচিত যাতে নিজৰ উন্নতি কৰিবলৈ যাওঁতে আনৰ একো ক্ষতি নহয়।

পৰৰ সমালোচনা কৰি ভালপোৱা মানুহ সমাজত বহুত দেখিবলৈ পোৱা যায়। এনেধৰণৰ মানুহবিলাকে নিজৰ দোষ লুকুৱাই থৈ আনৰ দোষ বিচাৰি ফুৰে আৰু সেইবোৰ আনৰ আগত ব্যক্ত কৰে। সেইবোৰ কথাৰ বিচাৰ বিবেচনা নকৰাকৈ আজিৰ সমাজৰ মানুহে বিশ্বাস কৰি লয়। এনে কাৰ্যৰ ফলস্বৰূপে এজন গুণী-জ্ঞানী ব্যক্তিক সমাজৰ দ্বাৰা অৱহেলিত হ'ব লগা হয়। আজিৰ সমাজৰ কূপ-মণ্ডুপসকলে আনকি কাটল-ফুটা নাৰীসকলেও জনৰব কথাবিলাককে সত্য বুলি মানি লোৱাৰ ফলত সমাজৰ আজি এনে দুৰ্দশা। ভাল-বেয়া, উচিত-অনুচিত বিচাৰ কৰাৰ ক্ষমতা থকা যুৱক-যুৱতীৰ সংখ্যা আমাৰ সমাজখনত নিচেই তাকৰ।

ইয়াৰ বাহিৰেও আজিৰ বেছিভাগ মানুহেই ধনৰ পূজাৰী। ধন, টকা-পইচাৰ পিছে পিছে মানুহে দৌৰে। কিন্তু ধন, টকা-পইচা থকা কোনো এখন সংসাৰত সুখ-শান্তি থাকিবই বুলি নিশ্চিতকৈ ক'ব নোৱাৰি। সেই ধন ঘটিবৰ কাৰণে আজিৰ মানুহে হত্যা, লুণ্ঠন, ধৰ্ষণ আদি নীচ কাৰ্য কৰিবলৈও কুণ্ঠাবোধ নকৰে। ধনৰ লোভে মানুহক ধ্বংস কৰি পেলাইছে। এনে নীচ কাৰ্য কৰি ধন ঘটাত প্ৰকৃত সুখ নিহিত হৈ নাথাকে। ধনেই ধ্বংসৰ কাৰণ Money is the root of all evils.

মানুহৰ কথা-বতৰা, চাল-চলন, পিন্ধন-উৰণ, চকুৰ চাৱনি, ব্যৱহাৰ আদিত মানুহৰ ব্যক্তিত্ব ফুটি উঠে। কৰ্মকে কথা কোৱা আৰু আনৰ কথা মন দি শুনাৰ চেষ্টা কৰিব লাগে। কথাতে কয়, অলপ কথা জ্ঞানীৰ লক্ষণ। He is the wiser who speaks little.

মানুহে পাৰ্যমানে আনৰ সহায় নোলোৱাকৈ চলিবলৈ শিকিব লাগে। কাৰোবাৰ সহায় পালে তাৰ বিনিময় দি পৰিশোধ কৰাৰ চেষ্টা কৰিব লাগে যাতে ভৱিষ্যতে আপোনাক সেই সহায়ৰ কথাৰে দুৰ্বলতাৰ সুযোগ ল'ব নোৱাৰে। কিছুমান মানুহে নিজ স্বাৰ্থ সিদ্ধি নোহোৱালৈকে সহায়কাৰীজনক নিজে নাখায়ো খুৱাই, মিঠা মিঠা কথাৰে মোহিনী মাৰে কিন্তু স্বাৰ্থ সিদ্ধি হোৱাৰ লগে লগে সেই সহায়কাৰীজনৰ প্ৰশংসা কৰাটো দূৰৰে কথা আঁতৰৰ পৰা লেই-ছেই কৰিব ধৰে।

নিজৰ দুৰ্বলতাৰ কথা আনৰ আগত প্ৰকাশ নকৰাটোৱে ভাল, কাৰণ আপোনাৰ বন্ধুজনো আপোনাৰ শত্ৰু হ'ব পাৰে। গতিকে যধে-মধে বন্ধুত্বও কৰাটো উচিত নহয়। বন্ধুত্ব গঢ়াৰ ক্ষেত্ৰত মানুহে সদায় চালি জাৰি চাব লাগে। বন্ধুত্ব এবাৰ গঢ়িলে তাক জীয়াই ৰাখিবলৈ চেষ্টা কৰিব লাগে। বন্ধুত্ব বাঢ়ি অহা গছৰ দৰে।

স্বাৰ্থৰ বাটকটীয়া নিঃস্বাৰ্থৰ বাট সেন্দুৰীয়া। এই বাট চিৰস্থায়ী। নিজ স্বাৰ্থক বিসৰ্জন দি আনৰ উপকাৰ অৰ্থাৎ পৰোপকাৰৰ দৰে মহান গুণৰ অধিকাৰী হৈও মানুহে ব্যক্তিত্ব

অৰ্জন কৰিব পাৰে। এজনী মাতৃ বা বোৱাৰীক শাহু, শহুৰ, আত্মীয় স্বজনে, ওচৰ-চুবুৰীয়া মানুহেও পৰোপকাৰী হোৱাটো বিচাৰে। কিন্তু ইয়াৰ পৰিৱৰ্তে বোৱাৰী যদি স্বাৰ্থপৰ হয় তেন্তে তেওঁ পৰিয়ালটোত পাব লগা মৰ্যদাৰ পৰা বঞ্চিত হোৱাটো কোনো ডাঙৰ কথা নহয়। পৰোপকাৰ এক মহান গণ। এই গুণ অৰ্জন কৰিব পাৰিলে এই গুণৰ দ্বাৰা পোৱা পূণ্যৰ দ্বাৰা নিজৰ জীৱনটো এদিন লাভৱান হ'ব। কেৱল নিজৰ বাবে কৰা কামত মানুহে শান্তি লাভ কৰাৰ স্বৰ্গীয় উপাৰ্যৰ কথা নাজানি সুখ পাবলৈ হাবিয়াস কৰি ফুৰে। যিজন মানুহে সহায়হীনজনক সহায় কৰে, দৰিদ্ৰৰ মুখত অন্ন দিয়ে সেইজন মানুহে জীৱনত পৰম সুখ লাভ কৰিব পাৰে। কবিৰ ভাষাত—

"সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ
সুখ বিচাৰোতে পায় সংসাৰত
দুখৰ উপৰি দুখ।"

বিমল শান্তি লাভৰ এক প্ৰধান উপায় হ'ল নিজ স্বাৰ্থক বিসৰ্জন দি আনৰ উপকাৰ কৰা।

পৃথিৱীখন বিচিত্ৰ। তাতোকৈ বিচিত্ৰ এই জীৱনটো। আজিৰ সমাজত সত্য, ন্যায়, অহিংসাৰ পৰম পুজাৰী মহামানৱ মহাত্মা গান্ধীৰ দৰে মানুহ বিচাৰি উলিওৱাটো খুবেই কঠিন। কিন্তু তেনে মানুহ সমাজত নাই বুলি নিশ্চিতকৈ ক'ব নোৱাৰি।

আমাৰ সৰ্বসাধাৰণ সমাজখনতো এনে এজন ব্যক্তিত্বপূৰ্ণ মানুহ আছে যিজনে মিছা কথা কৈ আনৰ প্ৰৱঞ্চনা নকৰে, সহায়হীনজনক সহায় কৰে। কেৱল তেনে এজন মানুহৰ সচেতনতা থাকিব লাগে যাতে তেওঁৰ প্ৰতিটো খোজতেই ব্যক্তিত্ব ফুটি উঠে। কাৰণ এই জীৱনটোত সুখৰ শূণ্যস্থানত পূৰ্ণতাৰ ৰং ঢালি দিয়ে মানুহ সচেতনতাই। কথাতে কয় সাৱধানৰ নাশ নাই—

**A careful man never faces destruction.**◆◆

# কোৰাণৰ মহৎ বাণী

মঃ ইনতাজুল হুছেইন, বি এ, প্ৰথম বৰ্ষ

১। মহান আল্লাহ পাকে আমাক সৎ পথত লৈ যায়, যিজনে সেই সৎ পথখন চিনি ল'ব পাৰে সেইজন সদায় আগবাঢ়িয়েই থাকে। (আল কোৰান ঃ ১৭:৯)।

২। মহান আল্লাহ পাকে সদায় শুদ্ধ পথত চলাজনৰ লগতহে থাকে, যিজন মানুহে ভাল কাম কৰে সেইজন মানুহ আল্লাহৰ নিকটৱৰ্তী হৈ যায়। (আন কোৰআন ঃ ২৭:৩৭)।

৩। যিজন মানুহে যিকোনো কামৰ কাৰণে সম্পূৰ্ণ আল্লাহৰ ওপৰত ভৰষা কৰে, সেইজন মানুহৰ প্ৰত্যেকটো কামতেই মহান আল্লাহ পাকে সহায় আগবঢ়ায়, তেওঁক ভাল-বেয়া নিৰ্ণয় কৰাটো সহায় কৰে। (আল কোৰান ঃ ২-৩)।

৪। মহান আল্লাহ পাকে আমাৰ পৰা কেতিয়াও এইটো নিবিচাৰে যে আমাৰ দ্বাৰা অন্য কাৰোবাৰ ক্ষতি হওঁক বা ধ্বংস হওঁক (আল হাদিছ)

৫। যিজন ব্যক্তিয়ে ভাল কাম কৰে সেইজন আল্লাহৰ লগৰীয়া বা নিকটতম হৈ যায় আৰু জনে বেয়া কাম কৰে সেইজন নিজেই ধ্বংস হৈ যায়। (আল কোৰআন ঃ ৪:৮৫)।

৬। বেলেগক ক্ষমা কৰি দিয়াটো শিকা আৰু যিজনে সদায় শুদ্ধ পথত থাকে তেওঁক লৈ আৰু আগবাঢ়ি যাবলৈ যত্ন কৰা আৰু যিজনে বেয়া কৰি আছে তেওঁক শুদ্ধ পথ দেখুৱাই দিয়া, মহান আল্লাই এইটোৱেই বিচাৰে।

৭। সকলোতকৈ ডাঙৰ পাপী ব্যক্তি এইজনে যিজনে আল্লাহ বিশ্বাস নকৰে। সেয়া এদিন নহয় এদিন নিশ্চই সেই ব্যক্তিজনে বুজি পাব। (আন কোৰআন ছুৰা নিছা ঃ ৬:২১)।

# বিজ্ঞান আৰু ধৰ্ম

—শ্ৰীপ্ৰাণজিৎ কুমাৰ
স্নাতক প্ৰথম বৰ্ষ

কিছুমান চিন্তাশীল ব্যক্তিৰ মনত উদয় হোৱা নীতি-নিয়মবোৰেই ধৰ্ম। ধৰ্মৰ মুখ্য উদ্দেশ্য বিশ্ব জগতত শান্তি প্ৰতিষ্ঠা কৰা। ধৰ্ম তত্ত্ববোৰ চিন্তাৰ-বস্তু, বৈজ্ঞানিক তত্ত্বৰ দৰে প্ৰযুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ধৰ্মই সমাজক শান্তি-সম্প্ৰীতিৰে ধৰি ৰাখে। ধৰ্মৰ জৰিয়তে আত্মা বোলা কথাটো উপলব্ধি হয় আৰু ভগৱানৰ সত্ত্বাক জানিব পৰা যায়। ধৰ্মই আত্মা আৰু পৰমাত্মাৰ মিলন পথৰ সন্ধান দিয়ে। জগত শান্তিময় হয়। এই সত্যৰ যোগেদি সমস্ত জগতকে ব্ৰহ্মময় দেখিব পাৰি। সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছে, 'Religions are the ways to realise the self.' সত্যই ভগৱান। এই সত্যক জনাটোৱে সকলো ধৰ্মৰ মূল উদ্দেশ্য। তেওঁ কৈছে, গাই গৰুৰ ৰং বেলেগ হ'লেও গাখীৰৰ ৰং সদায় একে। গতিকে সত্য সদায় সত্য, ধৰ্মই এই চিৰসত্যটোকে মানৱ সমাজক দিছে।

বিজ্ঞান শব্দৰ অৰ্থ সত্যৰ ওপৰত প্ৰতিষ্ঠিত বিশদ জ্ঞান। কোনো কথাৰ তন্ন তন্ন কৈ বিচাৰ কৰি শুদ্ধতা প্ৰতিষ্ঠা কৰাই বিজ্ঞানৰ ধৰ্ম। এনে বিচাৰ কৰোতে অনেক যন্ত্ৰ আৰু প্ৰযুক্তিৰ প্ৰয়োজন হয়। আমি খালী চকুৰে অনেক বস্তু দেখোঁ। কিন্তু সেইবোৰৰ প্ৰকৃত গঠন, জন্ম, গুণাগুন আদিৰ খালী চকুৰে শুদ্ধতা প্ৰমাণ কৰা কটিন। কিন্তু যন্ত্ৰ-পাতি আৰু কৌশলেৰে সেইবোৰ তন্ন তন্ন কৈ পৰীক্ষা-নিৰীক্ষা আদিৰে প্ৰকৃত সত্য প্ৰতিষ্ঠা কৰা জ্ঞান ৰাশিক বিজ্ঞান বোলা হয়।

ধৰ্ম আৰু বিজ্ঞানৰ সম্বন্ধ যে ওতঃপ্ৰোত এই সম্পৰ্কে বিজ্ঞানী আইনষ্টাইনে কৈছে, 'without science, religion is blind, without religion, science is lane,' বিজ্ঞান অবিহনে ধৰ্ম অন্ধ, ধৰ্ম নহ'লে বিজ্ঞান খোৰা। যি ধৰ্মত বিজ্ঞানসন্মত যুক্তি নাই, সি প্ৰকৃত ধৰ্ম হ'ব নোৱাৰে। আইনষ্টাইনে ধৰ্মক 'superior spirit' অৰ্থাৎ চৰম শক্তি বুলি কৈছে। এই চৰম শক্তিয়েই সৌৰজগতৰ বিভিন্ন গ্ৰহ-উপগ্ৰহবোৰক নিজ নিজ কক্ষপথত নিৰ্দিষ্ট সময়ত সূৰ্যক পৰিভ্ৰমণ কৰাইছে। এই চৰম শক্তিয়েই হ'ল ঈশ শক্তি। গীতা, ভাগৱত, উপনিষদ সমূহে এই পৰম সত্যৰ সন্ধানকে পৰম জ্ঞান বা বিজ্ঞান বুলি কৈছে। এই পৰম জ্ঞান লাভৰ বাবে একমাত্ৰ পৰম শক্তি অৰ্থাৎ ঈশ শক্তিক উপলব্ধি কৰি তেওঁৰ গুণানুকীৰ্তন কৰিব লাগে বুলি ভাগৱতে নিৰ্দেশ দিছে। এইটোৱে পৰম জ্ঞান, বিজ্ঞানীৰ সিদ্ধান্তমৰ্মে ই বিজ্ঞান। গতিকে ভাগৱতত নিহিত থকা ধৰ্ম দৰ্শন বিজ্ঞান সন্মত।

এই বিশ্বব্ৰহ্মাণ্ডখন কেতিয়া আৰু কেনেকৈ সৃষ্টি হৈছিল এই বিষয়ে আধুনিক বিজ্ঞানে স্থিৰ কৰিব পৰা নাই। লব্ধ প্ৰতিষ্ঠ বিজ্ঞানী আইনষ্টাইনে ভগৱানকে স্বীকাৰ কৰিছে। শ্ৰীমদ্ভাগৱত শাস্ত্ৰখন কেৱল ধৰ্মপুথিয়েই নহয়, ইয়াত বিজ্ঞান ভিত্তিক বহুতো তথ্যও সন্নিৱিষ্ট কৰা হৈছে। এই ভাগৱতৰ সিদ্ধান্তই সনাতন ধৰ্ম বিশ্বাসৰ বাবে শেষ আৰু চৰম সিদ্ধান্ত

যেতিয়া ভগৱন্তই বিশ্বব্ৰহ্মাণ সৃষ্টি কৰিবৰ বাবে ব্ৰহ্মাক দায়িত্ব দিছিল, তেতিয়া তেওঁ ব্ৰহ্মাদেৱৰ আগত জ্ঞান, বিজ্ঞান, তদঙ্গ আৰু ৰহস্য এই চাৰি প্ৰকাৰৰ তত্ত্বৰ প্ৰকাশ কৰিছিল আৰু মায়াৰ প্ৰভাৱৰ পৰা মুক্ত হোৱা একমাত্ৰ আহিলা বুলি কৈছিল। সেয়েহে ভাগৱত শাস্ত্ৰক বিজ্ঞান বুলি কোৱা হয়। মুঠতে আধুনিক বিজ্ঞানে জাগতিক জগতৰ, ৰসায়ন, সৌৰ জগতৰ জ্ঞান দিব পাৰে। কিন্তু এই ব্ৰহ্মাণ্ডৰ উপৰিও অনন্ত কোটি ব্ৰহ্মাণ্ড আছে যাৰ সন্ভেদ আজিৰ বিজ্ঞানীয়ে দিব নোৱাৰে, আধ্যাত্মিক বিজ্ঞানে দিব পাৰিছে। এইবোৰ চালি জাৰি চাই আমি ইয়াকে ক'ব পাৰো যে ধৰ্ম এক বিশেষ বিজ্ঞান। ধৰ্ম দৰ্শনত সমস্ত বিজ্ঞান জড়িত।

# অসমীয়া শাক-পাচলি আৰু ঔষধি বনবোৰ

— শ্ৰীডিম্পী ডেকা
প্ৰথম ষান্মাসিক

পৰম্পৰাগতভাৱে অসমীয়া সমাজত কিছু পৰিমানে শাক-পাচলিৰ ব্যৱহাৰ হোৱা দেখা যায়। এই শাক-পাচলিবোৰৰ প্ৰায়ভাগ আমি বিভিন্ন ৰোগ নিৰাময় কৰাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰো।

বিভিন্ন ৰোগ নিৰাময়ৰ কৰা ৫০ বিধ শাক-পাচলি আৰু সেই গুণ সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

মিচিনি তিতা ঃ মেলেৰিয়া, বহুমূত্ৰ, জ্বৰ, গাৰ বিষ, কাহঁনাশ।

পচতীয়া পাত ঃ বাতবিষ, কৃমি, শৰীৰৰ অতিৰিক্ত চৰ্বি হ্ৰাস কৰে।

মধু সোলেং ঃ গৰ্ভৱতী আৰু প্ৰসুতি ৰোগীৰ বাবে উপকাৰী।

কলমৌ শাক ঃ জণ্ডিছ ৰোগীৰ সুপথ্য।

বাবৰি শাক ঃ চকুৰ ৰোগৰ সুপথ্য শক্তিদায়ক।

বেতৰ গাজ ঃ কৃমি আৰু অৰ্শনাশক, তেজ বৃদ্ধি আৰু পৰিস্কাৰ কৰে।

ব্ৰাহ্মী শাক ঃ স্মৰণ শক্তি বৃদ্ধি কৰে, স্নায়ু দুৰ্বলতা, মূৰৰ বিশ নাশ কৰে, ভোক বঢ়ায়।

বৰ মানিমুণি ঃ পেটচলা, তেজৰ দোষ, উচ্চ ৰক্তচাপ আদি ৰোগ উপশম কৰে।

মৰিচা শাক ঃ ৰক্তহীনতা দূৰ কৰে, কুকুৰী কণা ৰোগ প্ৰতিৰোধ কৰে।

সৰু মানিমুণি ঃ স্মৰণ শক্তি বঢ়ায়, পেটচলা আৰু গ্ৰহণী ৰোগ নাশ কৰে।

খুতুৰা শাক ঃ দেহ হিমগ্লবিন বঢ়ায়, পিত্ত, কফ, বাত, হাড়-দাঁত-নখ আদি মজবুত কৰে, চকুৰ দৃষ্টিশক্তি বঢ়ায়।

পদিনা ঃ কলেৰা ৰোগীৰ সুপথ্য শৰীৰৰ দুগন্ধ নাশক স্মৰণ শক্তি বৰ্ধক।

ঢেঁকীয়া শাক ঃ তেজ বৃদ্ধি, খাদ্যনলী পৰিস্কাৰ কৰে, কৰ্কট ৰোগ প্ৰতিৰোধ কৰাৰ সহায় কৰে।

মালভোগ কল ঃ শৰীৰত এন্টিচেপটিকৰ কাম কৰে। ৰোগত হিতকৰ।

ধনীয়া ঃ গৰ্ভৱতী মহিলাৰ ভৰি ফুলা ৰোগ প্ৰতিৰোধ কৰে। খাদ্য হজম কৰে, মূৰৰ বিষ নাশ কৰে।

চজিনাৰ পাত ঃ বসন্ত ৰোগ প্ৰতিৰোধক, কৃমি নাশক, কুকুৰীকণা ৰোগ প্ৰতিৰোধক।

অগৰা ঃ বিষ, মাইগ্ৰেন, চাইনা চাইটিছ নাশ কৰে।

পালেং শাক ঃ সূত্ৰস্থলীৰ পাথৰ নাশ কৰে, ছালনিমজ কৰে, পানী লগা ৰোগ প্ৰতিৰোধ কৰে।

নৰসিংহ ঃ আঠুঁ, কঁকাল, মাংসপেশীৰ বিষত উপকাৰী।

পানীকচু ঃ তেজ পৰিস্কাৰ আৰু ৰক্তহীনতা দূৰ কৰে।

জলকীয়া ঃ মুখৰ ভিতৰৰ আৰু খাদ্যনলীৰ বীজাণু ধ্বংস কৰে, ভোক বঢ়ায়।

নহৰু ঃ কৃমি, যক্ষ্মাৰোগ, কাণৰ বিষ, উচ্চ ৰক্তচাপ আদি।

আমৈলতা ঃ মেলেৰীয়া ৰোগ প্ৰতিৰোধ

তিয়হ ঃ বৃক্ক পাথৰ নোহোৱা কৰে।

ভেদাইলতা ঃ কফ, বাতবিষ, অশ নাশক।

অমিতা ঃ পাকস্থলী শক্তিশালী কৰে, পিত্ত ৰোগৰ মহৌষধস্বৰূপ।

পিয়াজ ঃ কলেৰা, যক্ষ্মা নাশ কৰে।

হেলেচি শাক ঃ মূৰ শীতল কৰে, ঘামচি, বদহজম, হাত-ভৰি পোৰণিত সুফল দিয়ে।

দোৰোম শাক ঃ ফেৰিংজাইটিচ, জণ্ডিছ, মূৰৰ বিষ নাশ কৰে।

কলা কচু ঃ তেজ পৰিস্কাৰ কৰে আৰু বৃদ্ধি কৰে।

সৰিয়হ শাক ঃ চুলি কলা কৰে, খজুবতি, বাত বিষ ৰোগৰ

বাবে উপকাৰী।

ভুঁই আমলখি ঃ যকৃতৰ টনিক, উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণ কৰে।

বন্ধা কবি ঃ গৰল ৰোগ, পায়েৰিয়া, কেষ্টৈকাঠিন্য নাশক।

বিলাহী ঃ হৃদৰোগ নাশ কৰে, শৰীৰৰ পৰা কৰ্কট ৰোগ উৎপন্ন কৰিব পৰা পদাৰ্থসমূহ দেহৰ পৰা বাহিৰ কৰে। দেহৰ ছাল সুন্দৰ কৰে।

কলফুল ঃ নিম্ন ৰক্তচাপৰ সুপথ্য, তেজ পৰিস্কাৰ কৰে।

চুকা শাক ঃ পেটৰ ৰোগৰ বাবে উপযোগী, গদাৰ ছাল নিমজ কৰে।

পাৰ্যতী শাক ঃ তেজ পৰিস্কাৰ কৰে, হজম শক্তি বঢ়ায়।

মহানিম ঃ এইচ আই ভি নাশক, মেলেৰিয়া, বসন্ত প্ৰতিৰোধ।

মূলা ঃ হজমি কাৰক, বেক্টেৰিয়া প্ৰতিৰোধক, খাদ্য নলী পৰিস্কাৰ কৰে।

তিতাফুল ঃ জণ্ডিছ আৰু লুপিং কাঁহত উপকাৰী।

মেজেংগা শাক ঃ ছালৰ বগা দাগ ৰোগ ভাল হয়, দাঁতৰ বিষ নাশক।

আদা ঃ বমি নিবাৰক, টেঙা উগাৰ, বুকু জ্বলা পোৱা কৰা, কফনাশক।

বনজালুক ঃ জ্বৰ, খৰ, বেচু ৰোগ নাশ কৰে।

বৰ থেকেৰা ঃ কৰ্কট ৰোগ প্ৰতিৰোধ কৰে, হিমগ্ল'বিন বঢ়ায়।

চানা কচু ঃ গোধা বেমাৰ পেটৰ বিষ, কেঁচুমুৰীয়া ৰোগ নাশ কৰে।

মুছন্দৰী শাক ঃ গ্ৰহণী পেটচলা, কটা, ঘাঁ আৰু জুয়ে পোৰা ঘাঁ শুকুৱায়।

মানধনীয়া ঃ সুগন্ধিদায়ক, মৃগী ৰোগীৰ বাবে উপকাৰী।

জাতিলাউ ঃ বহুমূত্ৰ আৰু বৃক্কৰোগৰ বাবে উপকাৰী।

আলু ঃ শৰীৰত এলকাইন আৰু এচিড নিয়ন্ত্ৰণ কৰে।

কাঁচি দৈয়া ঃ বিশ নাশ, বায়ু ৰোগত উপকাৰী।

তিতা ভেকুঁৰী ঃ কাঁহ, শ্বাস ৰোগ নাশক।

মেথি শাক ঃ বহুমূত্ৰ ৰোগ নিয়ন্ত্ৰণ কৰে, গাৰ ছাল নিমজ কৰে।◆◆

---

# মহাত্মা গান্ধী আৰু অহিংসা ঃ অহিংসা কিয় কাৰ্যকৰী হয়?

—শ্ৰীহিতেশ দাস
তৃতীয় ষান্মাসিক

অহিংসা উচ্চমানৰ এক সক্ৰিয়/মৌলিক শক্তি। এইটো আমাৰ আত্মীক শক্তি নাইবা আমাৰ ভিতৰত থকা ঈশ্বৰীয় শক্তি। অসম্পূৰ্ণ মানুহে ইয়াৰ সাৰ ভাগ গ্ৰহণ কৰিব নোৱাৰে। তেওঁ ইয়াৰ সম্পূৰ্ণ জ্বালা/প্ৰকোপ সহ্য কৰিবলৈ সমৰ্থ নহয়, কিন্তু ইয়াৰ এটা সুক্ষ্মতম অংশত যেতিয়া আমাৰ ভিতৰত সক্ৰিয় হয়/কাৰ্যক্ষম হয় তেতিয়া ই অদ্ভুত কাৰ্য কৰিব পাৰে। অহিংসাৰ কাৰণে কোনো বাহ্য প্ৰশিক্ষণৰ আৱশ্যক নহয়। ইয়াৰ কাৰণে কেৱল আৱশ্যক হয় প্ৰতিশোধৰ কাৰণেও আৰু প্ৰতিশোধ নোলোৱাকৈ মৃত্যুৰ লগত মুখামুখী হোৱাৰ সাহসৰ আৱশ্যক হয়। এইটো অহিংসাৰ কোনো উপদেশ নহয়, বৰং ভাব শূণ্য তৰ্কহে আৰু এটা সাৰ্বভৌম নিয়মৰ উক্তিহে। কানুনত অটুত বিশ্বাসৰ কাৰণ কোনো উত্তেজনা সহিষ্ণুতাৰ অভ্যাসৰ কাৰণে অধিক গুৰুত্বপূৰ্ণ প্ৰমাণ হ'ব নালাগে। সত্যৰ লগত অহিংসা লগ লাগিলে পৃথিৱীখনক ভৰিৰ তললৈ আনিব পৰা যায়। নিজৰ সাৰভাগ/আচলগুণত সত্যাগ্ৰহ আন একো নহয়, বৰং ৰাজনৈতিক জীৱনত সত্য তথা নম্ৰতাৰ আগমন...। নিজৰ স্বৰূপৰ কাৰণে অহিংসাই শক্তিৰ অভিগ্ৰহণ কৰিব নোৱাৰে আৰু ই তাৰ লক্ষ্যও হ'ব নোৱাৰে। তথাপি অহিংসাই বহুতো বেছি কৰিব পাৰে, ই শাসন ব্যৱস্থাক বলপূৰ্বকভাৱে অধিগ্ৰহণ নকৰাকৈয়ে কাৰ্যকৰীভাৱে শক্তি/ক্ষমতাক নিয়ন্ত্ৰণ আৰু নিৰ্দেশ কৰিব পাৰে। এইটোৱেই ইয়াৰ সৌন্দৰ্য।

# শিল্পীৰ পৃথিৱীত ৰূপকোঁৱৰ

—শ্ৰীজয়শ্ৰী ডেকা
প্ৰথম ষান্মাসিক

শিল্পী মই তিনিওকালৰ
অতীতৰ
বৰ্তমানৰ
অনাগত ভৱিষ্যতৰ
আদিতেই যাত্ৰা কৰি অনাদিলে, যাওঁ
ধ্বংসৰ মাজেৰে
ৰূপান্তৰেদি ৰূপ পায়
নৱতম সৃষ্টিৰ শলিতা জ্বলাওঁ...।।

সমাজৰ কৌটিকলীয়া অন্ধবিশ্বাস, ৰক্ষণশীল নিয়ম-নীতি, অ-বৈজ্ঞানিক ধ্যান-ধাৰণা, ঘোচখোৰ, দুৰ্নীতি-ভ্ৰষ্টাচাৰ কাঠফুলাৰ দৰে গজি অহা এইবোৰ সামাজিক ব্যাধি থেকেচি, মাৰি ধ্বংস কৰি ৰাতিপুৱাৰ কোমল ৰ'দালিত জকমকাই ফুলি থকা ফুলৰ সপোন দেখা মাৰ্ক্সবাদক ভালপোৱা সাম্যবাদী বৈপ্লৱিক চেতনাৰে জাগ্ৰত প্ৰকৃতিৰ ৰং, ৰূপ, গছ-গছনি, চৰাই-চিৰিকটি, পৰ্বত-পাহাৰ, জান-জুৰিৰ সংগীতৰ মূৰ্চ্ছনাত মাতাল হৈ সৃষ্টিৰ ৰহস্যত বিলীন হোৱা একেধাৰে কবি, নাট্যকাৰ, চিত্ৰকাৰ, স্বাধীনতাকামী বিপ্লৱী বীৰ, আজন্ম শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক সুঁৱৰি শত প্ৰণাম জনাইছোঁ।

অসমৰ কেঁচা মাটিৰ গোন্ধ লৈ কৃষক, বনুৱা-হজুৱাৰ বুকুৰ স্পন্দন শুনি থলুৱা বাদ্য বাঁহী, পেঁপা, ঢোল, খোল, দবা, কাঁহৰ শব্দক অপৰূপ ধ্বনিলৈ ৰূপান্তৰ কৰি, অসমৰ জীয়াৰী-বোৱাৰীৰ মুখৰ আই নাম, বিয়া নাম, বনগীত, বিহুগীতক নতুন কুঁহিপাতেৰে মেৰিয়াই গণনাট্যৰ মাধ্যমেদি নাট-ভাওনা-সবাহক সৰ্বভাৰতীয় প্ৰেক্ষাপটত উপস্থাপন কৰি গৌৰৱপূৰ্ণ জাতীয় মৰ্যাদাৰ বৰঘৰ দেখুৱাই বিশ্বক চমকিত কৰিছিল।

গছে গছে পাতি দিলে ফুলবে শৰাই ঃ ১৯২১ চনতে তেজপুৰৰ বান ৰঙ্গ মঞ্চত কুমলীয়া বয়সৰ ৰচনা 'শোণিত কুঁৱৰী' নাট মঞ্চস্থ কৰি নিজেই সংগীত পৰিচালনাৰ দায়িত্ব লৈ সকলো বিজতৰীয়া তথা বঙালী সুৰ বাদ দি সম্পূৰ্ণ থলুৱা সুৰ দি সকলোকে চমকিত কৰে। আমাৰে সখিয়া আকুল বিয়াকুলে সপোনৰ হাঁহিটি চাই...। আনকি নাটখনৰ ৰূপসজ্জাও পৰিৱেশৰ সৈতে ৰজিতা খুৱাই চিত্ৰলেখাক খোৱা চোঁৱাৰীৰ পোছাক পিন্ধাইছে চিত্ৰলেখাৰ পিন্ধনত আঁঠুমুৰীয়া চুটি ফুলাম পাতলিৰ মেখেলা, কঁকালত টঙালি বন্ধা। পুনৰ উষা-অনিৰুদ্ধৰ গন্ধৰ্ব বিবাহৰ পাছত গোৱা গীতটোলৈ মন কৰিলে দেখিম এক বিচিত্ৰ নামৰ সুৰ ৰূপহ কোঁৱৰৰ চুমা পৰশতে, লাজুকী কুঁৱৰী মৰহি যায়...।

গীত, নাটক, চলচ্চিত্ৰ, শিশু সাহিত্য, গল্প, গীতি-কবিতা আদিত অসামান্য প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ যোৱা জ্যোতি প্ৰসাদৰ আপুৰুগীয়া সপোনটো আলফুলে লুকাই আছিল তেওঁৰ কবিতাৰ মাজতহে!

ছন্দৰ শৃংখল দলিয়াই দি কবিতা আধুনিক হ'ব খুজিছে মাত্ৰ আধুনিকা কবিতা/তাই/পিয়ানো বজাই/গাই যায়/সুহুৰীয়া গান— কবিতাৰ দৈৰ্ঘ অথবা কবিতাৰ আংগিক হিচাপে তেওঁ সচেতন হোৱাৰ প্ৰয়োজনবোধ কৰা নাছিল।

ৰূপান্তৰেহে মাথো/জগত ধুনীয়া কৰে/এয়ে মোৰ/গায়ত্ৰী মন্ত্ৰ বুলি গ্ৰহণ কৰা জ্যোতিপ্ৰসাদে শিল্পী সত্তাৰ অহৰহ কৰ্ষণেৰে এক মনোমুগ্ধকৰ সুন্দৰ সুৰীয়া পৃথিৱীৰ সপোন দেখিছিল।

ৰূপান্তৰ সম্ভৱ কৰিবলৈ তেওঁ গীতৰ সহায় লৈছে, নাটকৰ সহায় লৈছে আৰু কবিতাৰ মাজেৰে ৰূপান্তৰেহে জগত ধুনীয়া কৰে এই বিশ্বাসক পৰিপূৰ্ণতা প্ৰদান কৰিছে। জ্যোতিৰ এই সুবিশাল মানসিকতা প্ৰতিফলিত হৈছে তেওঁৰ কবিতাসমূহৰ মাজত আৰু প্ৰস্ফুটিত হৈছে তেওঁৰ সপোনটো বৃহত্তৰ অসমৰ এখন অনুপম ছবি জ্যোতিৰ অসমীয়া ডেকাৰ উক্তি কবিতাটিত। সুদীৰ্ঘ এই কবিতাটিৰ মাজেৰে কবিয়ে তেওঁৰ জীৱন স্বাৰ্থহীনভাৱে দাঙি ধৰিছে। কবিৰ মানসপটত ভাহিছে প্ৰাক্ ঐতিহাসিক যুগ, ৰামায়ণ যুগ, মহাভাৰত যুগ, আহোম স্বৰ্গদেউসকলৰ ৰাজত্বৰ যুগ, চুতীয়া, মৰাণ, মটকৰ ৰাজত্বৰ যুগ আৰু এক মহান ভাবনাৰে উদ্বুদ্ধ হৈ জ্যোতিয়ে ক'ব পাৰিছে, ময়েই খাছীয়া/মই জয়ন্তীয়া/ডফলা-আবৰ অঁকা/ময়ে চিংফৌ/ভৈয়ামৰ মিৰি/সোৱণশিৰীয়া ডেকা, সমন্বিত বৃহৎ অসমৰ কথা মনত পেলাই কবিয়ে সুঁৱৰিছে—

'লালুং-চুতীয়া/লুচাই মিকিৰ গাৰো/মিচিমি খামতি/নগা আংগামী বীৰ— এই সকলোৰে মাজত তেওঁৰ সত্তা যেন বিৰাজমান। সেই একেই আৱেগেৰে উথলি উঠি তেওঁ কৈছে, সাম্য-মৈত্ৰীৰ ময়েই ৰণুৱা/চাহ-বাগিচাৰ ময়েই বনুৱা/ন-অসমীয়া মৈমনশিঙীয়া/থলুৱা নেপালী/নৃত্য-কুশলী মণিপুৰীয়া মই। নতুন মানৱ-তন্ত্ৰ ৰচনা কৰি জ্ঞান আৰু বিজ্ঞানৰ উৎকৰ্ষ সাধনেৰে মানুহৰ উত্তৰণৰ চিন্তাৰে জ্যোতিয়ে ভেদাভেদৰ প্ৰাচীৰ ভাঙি পেলোৱাৰ মানসেৰে কৈ উঠিছে, ময়েই হিন্দু/ময়েই মুছলমান/ময়েই নজোৱান/ মোৰ ভগৱান মন্দিৰে মছজিদে/ভগৱান মোৰ নামঘৰে/অন্তৰে বাহিৰে।

অসমীয়া চলচ্চিত্ৰৰ জনক ৰূপকোঁৱৰ ঃ হীৰক জয়ন্তীত ভৰি দিয়া অসমীয়া চলচ্চিত্ৰ বিশ্ব চলচ্চিত্ৰৰ ঐতিহ্য আৰু ইতিহাসৰ সহযোগী। কাৰণ ১৯০৩ চনৰ এ গ্ৰেট ট্ৰেইন ৰাবাৰিৰ পিছত ১৯২৬ চনত চলচ্চিত্ৰ সবাক হয়। ১৯৩১ চনত হিন্দী চলচ্চিত্ৰৰ মাত ফুটিল, ১৯৩৫ চনত জন্ম হৈয়েই মাত লৈছিল অসমীয়া চলচ্চিত্ৰ জয়মতীয়ে। ২০১০ চনৰ ১০ মাৰ্চত অসমীয়া চলচ্চিত্ৰই সম্পূৰ্ণ কৰিছে ৭৫টা বছৰ। এই ৭৫টা বছৰত মুক্তি পালে অসংখ্য অসমীয়া চলচ্চিত্ৰই। জ্যোতিপ্ৰসাদে লিখি থৈ যোৱা মতে জয়মতীয়ে আজিৰ পৰা ৭৫ বছৰ আগেয়েই লোকচান ভৰিছিল দহ হাজাৰ টকা। এই সময়ছোৱাত লাভ নহ'লেও খটোৱা ধনখিনি ওভতাই দিয়া একমাত্ৰ চলচ্চিত্ৰখন আছিল 'মনোমতী'। ইতিহাসৰ ক্ৰমত তৃতীয় অসমীয়া চলচ্চিত্ৰ। ইয়াৰ পাছৰ ব্যৱসায়িক সফলতাৰ ইতিহাস প্ৰায় শূণ্য। অৱশেষত এইখিনিকেই ক'ব পাৰি যে আমাৰ চলচ্চিত্ৰ নিৰ্মাণ ব্যৱস্থাটোৱে ইয়াৰ ৭৫ বছৰীয়া জীৱনকালত সাধন কৰিলে কিছুমান ধনৰ অভাৱৰ অসমীয়া জাতিটোৱেই দুখীয়া, অভাৱী, ধনৰ অভাৱ, মনৰ অভাৱ, সৰ্বোপতি জাতীয়তাবোধৰ জাতিটো ভুগি আছে। এই জাতিটোৰে সাধন অসমীয়া চলচ্চিত্ৰ নিৰ্মাণ ব্যৱস্থাটোত অভাৱগ্ৰস্ত হোৱাটোৱেই ইয়াৰ নিয়তি।

## মহৎ লোকৰ বাণী

—মিছ্ মিনা বেগম
স্নাতক দ্বিতীয় বৰ্ষ

১। পুথিগত আৰু মুখস্থ কৰা বিদ্যাতকৈ হাতে-কামে কৰি অভিজ্ঞতাৰ দ্বাৰা অৰ্জন কৰা শিক্ষা বেছি ফলপ্ৰসূ আৰু দীৰ্ঘস্থায়ী হয়।

— ৰুছো

২। ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰ প্ৰত্যয় হৈছে শিক্ষা।

— শিক্ষাবিদ পাৰ্চিনা।

৩। শিক্ষকসকল জন্মদাতা পিতৃ-মাতৃতকৈও বেছি শ্ৰদ্ধাৰ পাত্ৰ কাৰণ পিতৃ-মাতৃয়ে সন্তানক জন্মহে দিয়ে জীৱন যাত্ৰাৰ প্ৰণালী শিক্ষকেহে নিৰূপণ কৰে।

— এৰিষ্টটল।

৪। এখন ভাল কিতাপ সকলো বন্ধুতকৈ আপোন। বন্ধু বৰ্গ গুছি গ'লেও কিতাপখন কিন্তু চিৰকাললৈ থাকে।

— টুপাৰ।

৫। দেশৰ হকে প্ৰাণ দিবা কিন্তু কাৰো প্ৰাণত আঘাত নিদিবা।

— মহাত্মা গান্ধী।

৬। ধৰ্মই মানুহক দুচমন গঢ়িবলৈ নিশিকায়।

— শ্বাহ মিলন।

৭। যি সপোনে মানুহক ৰাতি শুবলৈ দিয়ে সেইটো সপোন নহয়। যি সপোনে মানুহক টোপনি আহিব নিদিয়ে সেইটোহে সপোন।

— ড° এ পি জে আব্দুল কালাম।

গল্প

# নীলা খামৰ চিঠি

—শ্ৰীপ্ৰাঞ্জল নাথ
বি এ, তৃতীয় বৰ্ষ, পঞ্চম ষান্মাসিক

বহু বছৰ আগতে চিনাকি হোৱা ঠাইখিনিতে আকৌ এবাৰ আহিল দুয়োজন। প্ৰেমিকাৰ অনুৰোধত। দুয়োজন কাষত বহিল—

প্ৰেমিকা ঃ বেয়া নাপাবা তুমি, তোমাক মই বহুত ভাল পাওঁ আৰু আজীৱন পাই থাকিম। কিন্তু আমি একেলগে জীৱন সজোৱাৰ কল্পনা মাথো কল্পনা হৈয়ে ৰব মই তোমালৈ বিয়া হ'ব নোৱাৰো। ক্ষমা কৰিবা মই তোমাৰ লগত চিনাকী হোৱা ঠাইতে বিদায় দিবলৈ মাতিলো।

প্ৰেমিক ঃ ময়ো তোমাক বহুত ভাল পাওঁ। অকল স্মৃতি বুকুত বান্ধি মই জানো জীয়াই থাকিব পাৰিম। আমি মন্দিৰত গৈ বিয়া পাতিবওচোন পাৰিম। তেতিয়া আমি আমাৰ সপোন পূৰাব পাৰিম।

প্ৰেমিকা ঃ মই নোৱাৰো, তোমাৰ ঘৰে মোক আদৰি নলয় আৰু মোৰ ঘৰৰ মানুহেও তোমাক, সমাজখন আছেই। তোমাৰ সম্পদ বুলিবলৈতো চাকৰিয়ো নাই। মাথো মৰমতে জীয়াই থাকিব পাৰিম নে আমি। মোক ভুল নুবুজিবা তুমি, মোৰ বৰ্তমান বিয়া ঠিক হৈ গৈছে।

প্ৰেমিক ঃ ভুল কিয় বুজিম তোমাক। সুখত ৰাখিম বুলিয়েতো তোমাক ভাল পাইছিলো। তোমাক মৰম কৰিছিলো। যোৱা তুমি মইয়ো যাও, তুমি সুখত থাকিবা তাৰে আশা কৰিলো মই।

প্ৰেমিকা ঃ এটা অনুৰোধ ৰক্ষা কৰিবানে তুমি।

প্ৰেমিক ঃ কোৱা মই সদায় সাজো আছো।

প্ৰেমিকা ঃ মোক কেতিয়াও পাহৰি নাযাবা কেতিয়াও.... মই তোমাক সদায় ভাল পাই থাকিম।

প্ৰেমিক ঃ হ'ব বাৰু। কিন্তু তেতিয়াহ'লে তুমিয়ো মোৰ এটা অনুৰোধ ৰক্ষা কৰিব লাগিব পাৰিবানে?

প্ৰেমিকা ঃ হ'ব কোৱা, মই অনুৰোধ ৰক্ষা কৰিম।

প্ৰেমিক ঃ বিয়াৰ কেইদিনমানৰ আগত শেষবাৰৰ বাবে মোৰ ৰুমত আহিবাচোন তুমি।

প্ৰেমিকা ঃ হ'ব আহিম বাৰু। এতিয়া যাওঁ বহু দেৰি হ'ল আজি। কেইদিনমান পিছত প্ৰমিকাজনী প্ৰেমিকৰ ৰুমত গ'ল।

প্ৰেমিক ঃ আহিলা...। বহা এই চকীখনতে।

প্ৰেমিকা ঃ কিবা বেমাৰ আজাৰ হৈছে নেকি তোমাৰ, ইমান মন মাৰি আছা যে।

প্ৰেমিক ঃ তেনে ধৰণৰে আৰু ভালে আছা...

প্ৰেমিকা ঃ ভালেই আছো দিয়া। কি বেমাৰ হৈছেনো কোৱা না।

প্ৰেমিক ঃ অচিন আৰু চিনাকী। কাৰণ অচিন এইবাবে হ'ল ইয়াৰ কোনো চিকিৎসা নাই। চিনাকী কাৰণ এই ৰোগৰ আগতে বহুদিন খেলি আছিলো।

প্ৰেমিকা ঃ তুমি কি কৈছা একো বুজি নাপালো মই। ঔষধ খাইচানে তুমি।

প্ৰেমিক ঃ খাম, খাম ঔষধ অনায়ে আছে খোৱাহে নাই আৰু সকলো কথা বুজি পাবা। এই চিঠিখন লোৱা ইয়াতে সকলোবোৰ লিখা আছে। কিন্তু ইয়াত মোৰ আগত নপঢ়িবা তুমি। ঘৰত গৈ পঢ়িবা সকলো বুজি পোৱাকৈ লিখা আছে।

প্ৰেমিকা ঃ হ'ব দিয়া। আৰু কিবা আছেনে নাই। যদি নাই মই যাওঁ।

প্ৰেমিক ঃ যাবা যাবা, কিন্তু অনুৰোধ নকৰাকৈ যোৱানে....

প্ৰেমিকা ঃ অ' কোৱা পাহৰি গৈছিলো মই...

প্ৰেমিক ঃ টেবুলৰ পৰা দৰবৰ বটলটো দিয়া চোন।

প্ৰেমিকা ঃ কিহৰ দৰব এয়া...?

প্ৰেমিক ঃ এয়া মোৰ ৰোগৰ ঔষধ হয়। দিয়াচোন তোমাৰ হাতেৰে খাওঁ। এ গিলাছ এটাত এপিলাছকৈ খাব লাগে। খোৱায় দিবানে।

প্রেমিকা ঃ এপিলাছ কিয়? আগততো কোনো দিন শুনা নাই মই এনে ঔষধৰ কথা।

প্রেমিক ঃ অচিন ৰোগৰ অচিন ঔষধ। তুমিনো কেনেকৈ জানিবা। খুৱাই দিয়া, মোৰ এইটো অনুৰোধ শেষবাৰৰ বাবে।

প্রেমিকা ঃ ঠিক আছে। প্রেমিকাজনক ঘৰৰ এগিলাছ খুৱাই দিলে। এতিয়া যাওঁ দেই। সুখত থাকিবা।

প্রেমিক ঃ হ'ব দিয়া ভাল লাগিল অনুৰোধ ৰক্ষা কৰাৰ বাবে। তুমি সুখত থাকিবা যোৱা। মই তোমাৰ কাষতে থাকিম সদায়। অনুভৱ কৰিবা মাথো শূণ্যতাতে মোক পাবা। মাথো তুমি মোক স্পর্শ কৰিব নোৱাৰিবা। হাজাৰবাৰ বিচাৰিলেও তোমাৰ শেষ জীৱন জোৰালৈকে। প্রেমিকা ঘৰলৈ আহি চিঠিখন পঢ়ি কান্দি উঠিল। চিঠিখনত লিখা আছে এনেদৰে।

মৰম,

তুমি সুখত থাকিবা এয়া মোৰ আশা তোমাৰ পৰা। মোক ক্ষমা কৰিবা মই আজি সকলোৰে পৰা আঁতৰি যাবলৈ ল'লো। আনকি মোৰ জীৱনৰ পৰাও তুমি কৈছিলা তোমাৰ মৰম জীয়াই ৰাখিবলৈ। কিন্তু অসম্ভৱ আছিল এয়া। মই মোৰ মৰম ভালপোৱা মই মোৰ ................. দিবই লাগিব। মই জীয়াই থাকিলেহে আমাৰ মৰমক অপমান কৰা হ'ব। আৰু কৰিবলৈ বাধ্য হ'ম। সেয়ে জীৱন এৰি যাব ল'লো আৰু এটা কথা মোৰ চাকৰি বা ধন সম্পদ নাথাকিলেও মই সুখী হ'ব পাৰিলো হয়। মোৰ ৰোগ হ'ল বিশ্বাসঘাতকতা কৰা মনৰ বেদনা। কাৰণ তুমি দুখত হ'লেও লগ নেৰা কথা দিছিলা। আজি নিজেই দুখ দি গুচি গ'লা মই তোমাৰ হাততে প্রাণ এৰিলো। কিন্তু মোৰ প্রেমক হত্যা কৰিব নোৱাৰিলা। এতিয়া যেন মোৰ প্রেম সকলোতে বিয়পি থাকিব। তুমি খুৱাই দিয়া ঔষধে মৃত্যুৰ কাৰণ। মই তোমাক কইনা সাজত বিদায় নিদিয়াকৈহে মোৰ জীৱন এৰিলো এয়াই মোৰ সুখ। মই সুখত মৰিব পাৰিলো কাৰণ মৰাৰ সময়ত তুমি কাষত আছিলা। মই প্রতিশ্রুতি দিছিলো তোমাক মৃত্যু আগলৈ তোমাৰ কাষত থকাৰ। তুমি সুখী হোৱাৰ আশাৰে।

ইতি—

তোমাৰ মৰম।

## ভাৰতৰ ৰাষ্ট্রপতি

—শ্রীশিখামণি ডেকা
দ্বিতীয় বর্ষ

প্রথম ৰাষ্ট্রপতি ঃ ড° ৰাজেন্দ্র প্রসাদ ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ১৯৬২ চনৰ ১৩ মে'।
দ্বিতীয় ৰাষ্ট্রপতি ঃ ড° সর্বপল্লী ৰাধাকৃষ্ণন ১৯৬২ চনৰ ১৩ মে'ৰ পৰা ১৯৬৭ চনৰ ১৩ মে'।
তৃতীয় ৰাষ্ট্রপতি ঃ ড° জাকিৰ হুছেইন ১৯৬৭ চনৰ ১৩ মে'ৰ পৰা ১৯৬৯ চনৰ ১৩ মে'।
চতুর্থ ৰাষ্ট্রপতি ঃ বৰাহগিৰি ভংকটগিৰি ১৯৬৯ চনৰ ১৩ মে'ৰ পৰা ১৯৭৪ চনৰ ২৪ আগষ্ট।
পঞ্চম ৰাষ্ট্রপতি ঃ ফখৰুদ্দিন আলী আহমেদ ১৯৭৪ চনৰ ২৪ আগষ্টৰ পৰা ১৯৭৭ চনৰ ১১ ফেব্রুৱাৰী।
ষষ্ঠ ৰাষ্ট্রপতি ঃ নীলম সঞ্জীৱ ৰেড্ডি ১৯৭৭ চনৰ ১১ ফেব্রুৱাৰীৰ পৰা ১৯৮২ চনৰ ২৫ জুলাই।
সপ্তম ৰাষ্ট্রপতি ঃ গিয়ানিজাইল সিং ১৯৮২ চনৰ ২৫ জুলাইৰ পৰা ১৯৮৭ চনৰ ২৫ জুলাই।
অষ্টম ৰাষ্ট্রপতি ঃ ৰামস্বামী ভেংকট ৰমন ১৯৮৭ চনৰ ২৫ জুলাইৰ পৰা ১৯৯২ চনৰ ২৫ জুলাই।
নৱম ৰাষ্ট্রপতি ঃ শংকৰদয়াল শর্মা ১৯৯২ চনৰ ২৫ জুলাইৰ পৰা ১৯৯৭ চনৰ ২৫ জুলাই।
দশম ৰাষ্ট্রপতি ঃ কে আৰ নাৰায়নম ১৯৭৭ চনৰ ২৫ জুলাইৰ পৰা ২০০২ চনৰ ২৪ এপ্রিল।
একাদশ ৰাষ্ট্রপতি ঃ ড° এ পি জে আব্দুল কালাম ২০০২ চনৰ ২৫ জুলাইৰ পৰা ২০০৭ চনৰ ১৪ জুলাই।
দ্বাদশ ৰাষ্ট্রপতি ঃ প্রতিভা সিং পাটেল ২০০৭ চনৰ ২৫ জুলাইৰ পৰা ২০১২ চনৰ ২৫ জুলাই।
ত্রয়োদশ ৰাষ্ট্রপতি ঃ প্রণৱ মুখার্জী ২০১২ চনৰ ২৫ জুলাইত কার্যভাৰ গ্রহণ কৰে।

ক
বি
তা

# মৃত্যু

মৃত্যু, মৃত্যু, মৃত্যু
ই কেনে ধ্বংসৰ শব্দ।
যি শব্দ আনিলে
মানুহে ভয় কৰে।
যিদিনা মই মৃত্যুৰ মুখা মুখি হ'ম
সিদিনা মই তাক প্ৰশ্ন কৰিম।
যেতিয়া এটা পৰিয়ালৰ পৰা তই
তেওঁলোকৰ আত্মীয়জনক আঁতৰাই নিয়া
তেতিয়া তোমাৰ কঠিন অন্তৰত
অলপো দুখৰ ভাৱ নজন্মে নেকি?
কিছুমান মানুহে মৃত্যু ভাবুকি দি
বহু নিৰহ পৰিয়ালৰ জীৱন
আউল-বাউল লগাই দিয়ে।
বহু লোকে মৃত্যুৰ ভাবুকি শুনি
কিছুমান বেয়া কামত জড়িত হ'ব লগা হৈছে
আমি মৃত্যুলৈ ভয় কৰিব নালাগে
কিয়নো এদিন আমাৰ মৃত্যু হ'বই।
ই কেতিয়া আহে ক'ব নোৱাৰি
সেয়েহে থকা দিনকেইটা আমি
হাঁহি ফুৰ্তি কৰি থাকিব লাগে।

শ্ৰীহিৰকজ্যোতি তালুকদাৰ
স্নাতক প্ৰথম বৰ্ষ

# বিষাদৰ অভিযান

অনুমতি নোলোৱাকে আহিছিলা, তুমি মোৰ জীৱনলৈ
আলফুলকৈ আহি হেঁপাহৰ ঘৰ সাজিছিলা বুকুত।
আৰু চিৰদিনৰ বাবে গুচি গ'লা,
নোলোৱাকে এষাৰি মৰমৰ মাত,
আহিবৰ সময়তো তুমি, অনুমতি নোলোৱাকে আহা
আৰু যোৱাৰ সময়তো তুমি গ'লা একেবাৰে নীৰৱে।
এইখিনিতেই তোমালৈ মোৰ অভিযান,
বিষাদৰ প্ৰৱল হেঁচাত পাহৰি গ'লো,
কেনেকৈ গুণ-গুণাই বিষাদৰ অভিমান।
বিলীন হ'ব বিচাৰিছিলো, তোমাৰ বুকুৰ গভীৰতাত।
যদি নাঁও হ'ব পাৰিলোহেঁতেন, তেন্তে হ'লোহেঁতেন,
মোৰ অন্তৰে বিষাদ বিচৰা নাছিল।
বিচাৰিছিল তোমাৰ হিয়াৰ নিভাঁজ মৰম,
মই এতিয়া এটা বনী বিহংগম।
শেষ বিচাৰত হ'বও পাৰে মোৰ মৃত্যু,
এই জনমত নহ'লেও আগন্তুক জনমত,
এবাৰ লগ পোৱাৰ কথা দিয়া মাঁথোন।

শ্ৰীপ্ৰৱাল কুমাৰ ডেকা
স্নাতক প্ৰথম বৰ্ষ

# অনুভৱ

মোৰ মৃত্যু হ'লে চিতা নজ্বলিব
জলিব এখন হৃদয়।।
ধোৱাঁৰ সলনি উৰিব সপোন
বাঁহৰ সলনি ফুটিব আশা।।
আশা কৰো তুমি আহিবা
অলপ বৈ চাবা মোৰ মুখলৈ
দেখিবা ক'ত আশা ক'ত সপোন
ধোৱাঁৰ দৰে উৰি গৈছে।
নিৰৱে আকাশলৈ
মোৰ ভাল পোৱাৰ মূল্য
তুমি কি বুজিবা।।
যেতিয়া তোমাৰ হৃদয় ভাঙিব
তুমি নিজে কান্দিবা।

শ্ৰীনিতুল ডেকা
দ্বিতীয় বৰ্ষ

## এয়াই জানো সপোন আছিল

প্ৰতিটো ক্ষণে, তোমাৰ অপেক্ষাত মই
তোমাৰ বতৰা পাবলৈ,
কাক সুধিম? কোনে জনাব,
দিবনে আজি কোনোবাই তোমাৰ বতৰা
এতিয়াও বৈ আছো তোমাৰ বাবে
দিবানে সিঁচি সাচি ৰখা মৰমবোৰ,
মোৰ হৃদয়ৰ গোপন কোঠাত, তুমি মাঁথো তুমি,
তোমাৰ কথা ভাবিলে,
বিষাদৰ জোৱাৰ উঠি নিগৰে চকুলো।
তুমি বাৰু ক'লৈ গৈ আছা,
এজাক চিনাকী উশাহৰ সতে।
অস্ত কালৰ নিয়তিৰ প্ৰতিশোধত,
হয়তো তুমিয়েই বিচাৰিছা।
মোৰ বাবে 'স্মৃতি' হ'বলৈ,
মোৰ মাথো কবিতাৰ পাতৰ 'স্মৃতি'।

শ্ৰীনিয়ৰ শৰ্মা
স্নাতক প্ৰথম বৰ্ষ

## নীৰৱতা

নিশাৰ নীৰৱতাই
অতীতৰ স্মৃতিয়ে বান্ধি পেলায় মোক।
চেনেহৰ স্মৃতিয়ে সেই দিনবোৰৰ কথা
মোৰ চাৰিও দিশ উজলায়।
হাঁহিবোৰ অশ্ৰুবোৰ
তাহানিত কোৱা সেই মৰমৰ কথাবোৰ।
সেই চকুত জিলিকি উঠে।
এতিয়া যে মলিন হ'ল
উৎসাহীন হৃদয়বোৰৰ কথা
এতিয়া যে ভগ্ন।
সেয়ে চাগে নীশাৰ নীৰৱতাই
অতিতৰ স্মৃতিৰে বান্ধি পেলায় মোক।।

মিছ্ এলিনা বেগম
বি এ, পঞ্চম ষন্মাসিক

## প্ৰেমৰ কবিতা
## তৃষ্ণা, মোৰ মনে যে তোমাকে বিচাৰে....

আজি সপোন দেখিব শিকিছো
তোমাৰ সপোন
তোমাক কাষত লৈ সজাব খোজো
মোৰ এই জীৱন....।
মোৰ আশাভৰা জীৱনৰ
ঠিকনা তুমিয়েই,
তৃষ্ণা তুমিয়েই,
মোৰ কবিতা আছে তোমাৰে মায়া
মোৰ জীৱনে তোমাকেই বিচাৰে,
এতিয়া সুধিছো—
তুমি বাৰু আহিবানে মোৰ
এই জীৱনলৈ
হে প্ৰেমৰ দেৱী
জনাইটো মোৰ মনে যে
তোমাকেই বিচাৰে.... আৰু
তুমিটো আছাই কবিতা হৈ
মোৰ কাষে কাষে
মোৰ তেজে তেজে
সেয়ে ভালপাওঁ মই তোমাক
সপোনো দেখো তোমাক লৈয়ে—
কিন্তু নাজানো, তুমি মোক লৈ
সপোন দেখানে নাই...?
বিচৰানে নাই কাষত....?

শ্ৰীজীৱন জ্যোতি ৰাজবংশী
পঞ্চম ষান্মাষিক

## সঁচা মৰম

কিমান যে ৰচিছো সপোন তোমাক লৈ
গমেই নাপালো কেতিয়ানো তুমি
ইমান আপোন হ'লাহি।।
তোমাৰ পৰা বিশেষকৈ এটা বস্তুৱেই বিছাৰো
তোমাৰ হৃদয়ৰ সঁচা মৰম।।
মই জানো তুমি মোক বহুত ভালপোৱা
মনে প্ৰাণে বিচৰা,
ময়ো বিছাৰো তোমাৰ জীৱনৰ লগৰী হ'বলৈ
তোমাৰ নামত কঁপালত সেন্দুৰ আঁকিবলৈ।।
তুমি বাৰু মোক খং কৰা নিকি
মই যে কেতিয়াবা বহুত অভিমানী হৈ পৰো
কিন্তু মোৰ ভাল লাগে তোমাৰ খং উঠিলে
তুমি যে মোক গালি পাৰিব নোৱাৰা।।
হ'লেও বেছি খং নকৰিবা। কাৰণ,
এই অভিযানবোৰৰ মাজত আছে
মোৰ হৃদয়ত তোমালৈ সঁচা মৰম।।
হৃদয়ৰ প্ৰতিটো কোনত,
কেৱল তোমাৰেই প্ৰতিচ্ছবি।।
হেৰাই যাব খোজো তোমাৰ মৰমত
নিজকে পাহৰি।।
একো বাধাই মানিব নোখোজো
মনে মাথো বিছাৰে তোমাক
কেৱল তোমাক।।

**তুমি ডেকা**
স্নাতক তৃতীয় বৰ্ষ - পঞ্চম ষাম্মাষিক

## প্ৰকৃতি

মদাৰ ফুল ফুলিছে
গছৰ ডালত।।
কপৌ ফুল ফুলিছে
বাৰিৰ ঢাপত।।
ফুলক ফুলক সকলোবোৰ
ফুলেই ফুলক।।
মানুহৰ মন-প্ৰাণ
জীউ উঠক।।
কুলিটিয়ে আহিছে
বহাগৰ বতৰা লৈ।।
সকলোৰে মনত
আনন্দৰ জোৱাৰ
তুলিবলৈ।।
মানুহে নুবুজে প্ৰকৃতিৰ মৰম
প্ৰকৃতিয়ে কৰিছে সকলো কাম।।
প্ৰকৃতিয়ে ৰাখিছে দেশৰে মান।

**শ্ৰীসোণতাৰা বৰ্ণিয়া**
বি এ, তৃতীয় ষন্মিসিক

## উজাগৰ ৰাতি

কোনেওটো নাজানে
কেনেকৈ পাৰ হয়
উজাগৰ ৰাতি।।
তুমি কেতিয়া যানো
মোৰ পৰা আঁতৰি
চপৰা চপৰ ডাৱৰ
নামি আহে আকাশ
ক'লা কৰি।।
হাহাকাৰ কৰি উঠে মন
কিজানিবা পাহৰি গলা তুমি
আমাৰ স্মৃতি ভৰা দিনবোৰ।।
ল'ব পাৰিবা নে মোকে
হিয়াৰ মাজত আকোৱালি।।
সকলোবোৰ বাধা নেওচি।।

**শ্ৰীচুকিতা কুমাৰ**
স্নাতক তৃতীয় বৰ্ষ, পঞ্চম ষাম্মাষিক

# ফাগুণৰ পছোৱা

পুৱাতে ৰঙা সুৰুযে দেখা দিলে
ফাগুণৰ পছোৱাজাকো,
ৰিব ৰিব্‌কৈ বলিবলৈ ধৰিলে
বগাকৈ বগলী এজাক ক'ৰবাৰ
পৰা উৰি আহি বাঁহৰ
আগত পৰিল।
সুমধুৰ গীতৰ সুৰৰে আন
চৰাইবোৰেও ওলাই আহিল
মনত বহু আশা বান্ধি,
সেউজী ধৰণীলৈ বুলি
মালয় সমীৰণ সুৰত চৰাই
বোৰে নাচিছে, গছৰ
আগবোৰ হালিছে আৰু
পকা পকা পাতবোৰ তলত
সৰি পৰিছে।
উদঙীয়া মনৰ সেউজীয়া
কলপাত চিৰিলা-চিৰিলি
কৰিলে, ধুনীয়া বাটৰুৱা
গাভৰুৰ দেহত গহণা পিন্ধিলে
নিলাজ এই বলিয়া ফাগুণে।
পাতেৰে ভৰা গছৰ ডালবোৰ
উদঙীয়া হ'ল দেহা-মন
উৰু-উৰু দুৰু-দুৰু হ'ল
গোটেই ফাগুন মাহজুৰি
পছোৱা বলি ৰ'ল।।

শ্ৰীনিশা দাস
স্নাতক দ্বিতীয় বৰ্ষ

# নুবুজিলা মোৰ মনৰ কথা

হয়তো প্ৰতিটো ক্ষণতে তোমাৰ আশে পাশে
ছায়াৰ দৰে লাগি থাকো বাবেই
অনুভৱ নকৰা মোক।
কিন্তু সিদিনা গচি যাম
উভতি নাহো বুলি
সিদিনা বুজিবা
কিমান অকলশৰীয়া মোৰ অবিহনে।
সিদিনা তোমাৰ হৃদয়ৰ খালী ঠাইকণ... কিন্তু...
নোৱাৰিব জানা পুৰাব কোনেও
মোৰ দৰে মৰমেৰে।
নোৱাৰিব দিব ওপচাই কোনেওঁ
তোমাৰ হৃদয়ত...
হয়তো ভৰি পৰিব তোমাৰ হৃদয়ত তেতিয়া
স্মৃতিৰ হেঁচাত ওলোৱা
চকুপাণীবোৰ।।

শ্ৰীকল্যাণী কাকতি
স্নাতক প্ৰথম বৰ্ষ

# বৰষুণ

অচিনা দেশৰ পৰা
ভাগি অহা এচটা মেঘে
ছানি ধৰিছে মোৰ
মনৰ আকাশ
এন্ধাৰৰ মাজেৰে
বিৰামহীন গতিৰে
মোৰ হৃদয় পথাৰলৈ
আগমন এজাক বৰষুণ
এজাক চকুলোৰ বৰষুণ
মোৰ প্ৰতিটো টোপালত
বিৰিঙিছে মৰম
এনাজৰীৰ দিশহাৰা
পৰিচয় বিহীন কোনে
প্ৰেয়সীৰ শীতল প্ৰেম
যাক আঁকোৱালি ল'বলৈ
মোৰ হৃদয়
স্পৰ্শকাতৰ......

শ্ৰীৰূপজ্যোতি দাস

# তোমাৰ দৰে

মোৰ বাগিছাখনত
বহুতো ফুল ফুলে
কিন্তু, গোলাপৰ দৰে নহয়।
মোৰ জীৱনলৈ
বহুতো বন্ধু আহে
কিন্তু, তোমাৰ দৰে নহয়।
সূৰুযৰ ৰঙীণ কিৰণে আৱৰে পৃথিৱীখন
কিন্তু, জোনাকৰ উজ্জ্বল কিৰণেৰে।
তাৰো তুলনা নহয়।
এতিয়ালৈকে মই বহুতো নাটক দেখিলো
কিন্তু, তুমি কৰা সেই নাটকখনৰ দৰে নহয়।
এতিয়ালৈকে মই
বহুতো গীত শুনিলো
কিন্তু, তুমি গোৱা সেই গীতটিৰ দৰে নহয়
বহুতো মিঠা হাঁহিয়ে মন উপচাই তোলে
কিন্তু, তোমাৰ হাঁহিৰ সতে
তাৰ তুলনা নহয়।

শ্ৰীকলি নাথ
প্ৰথম বৰ্ষ

# হালধীয়া জোনটো সেন্দুৰীয়া হৈ

হালধীয়া জোনটো সেন্দুৰীয়া হৈ
তোমাৰ ক'পালত কেতিয়া বহি ৰ'ল গমকে নাপালো
জোনৰ জোনাক ভাল পোৱাৰ দৰে
তোমাকো ভাল পাওঁ বুলি যদি কওঁ
তোমাৰ কপালত বহি ৰোৱা সেন্দুৰীয়া জোনটো
অস্থিৰ হৈ উঠিব নেকি
পানীৰ প্ৰতিবিম্বত জোনটোত
কেঁচা পাতৰ কঁপনি উঠা দেখা পাইছো।

শ্ৰীচন্দন ডেকা
প্ৰথম ষাণ্মিসিক

# 'কি'???

জীৱনত যদি লক্ষ্যই নাথাকে,
তেনে জীৱনৰ অৰ্থ কি?
যৌৱনত যদি প্ৰেমেই নহয়
তেনে যৌৱনৰ মূল্য কি?
টোপনিত যদি সপোন নাথাকে
তেনে টোপনিৰ দৰকাৰ কি?
মোৰ জীৱনত যদি তুমি নাথাকা
জীয়াই থকাৰ প্ৰেৰণা কি?

শ্ৰীডিকু কলিতা
প্ৰথম ষাণ্মিসিক

# মোৰ হৃদয়ত তোমাৰ ছবি

আঁকিছো কেৱল মোৰ হৃদয়ত তোমাৰ ছবি
মছিব নোৱাৰো আৰু,
ভালপাওঁ বহুত তোমাক
পাহৰিব নোৱাৰো আৰু,
তোমাক পাম বুলিয়েই আছো মই
জীয়াই এই দুনীয়াত।
যদিহে নাপাওঁ তোমাক
নাথাকো আৰু এই দুনীয়াত।
এই নিশা আকাশৰ তলত তৰাবোৰৰ
তিৰবীৰনি চাই
ৰৈ আছো কেৱল তোমাক।
কেতিয়া আহিবা তুমি মোৰ কাষত,
কেতিয়া খুলি ক'ব পাৰিম তোমাক
মোৰ এই হৃদয়ৰ কথা
তুমি কেৱল মোৰ হৃদয়তে থাকিবা
মোৰ হৃদয়ত কেৱল
তোমাৰ ছবি।।

মিছ চেলিমা বেগম
বি এ, প্ৰথম ষাণ্মিসিক

# মোৰ ফুলৰ বাগিছা

মোৰ ফুলৰ বাগিছা
তাতে উৰি ফুৰিছা
নানা ৰঙৰ ফুলৰ মাজত
কি যে মজা কৰিছা।
গোলাপ, তগৰ, শেৱালী
ক'ত যে ফুল দেখিছা
উলাহতে নাচি বাগি
মৰমৰ চুমা যাচিছা।
অ' চিত পখিলা
ক'ৰ পৰা আহিলা?
ফুট ফুটীয়া সাজ পিন্ধি
কিনো ৰং বিলালা।

**শ্ৰীযাদৱ পাটোৱাৰী**
বি এ, পঞ্চম ষান্মিসিক

# স্মৃতি

যেতিয়াই মনত পৰে
আইতাৰ কথা
বুকুত জাগি উঠে
অচিন বেঠা।
কতেনো আছা তুমি
মৰমৰ আইতা
তুমি যোৱাৰে পৰা
বুকুখন লাগিছে শুদা।
তুমি যোৱাৰে পৰা
সাধু কথা শুনাই
তোমাৰ হাঁহিটো চোন
মনলৈ অহা নাই
আছো মই অহিতা
তোমালৈ বৈ
দেখা দিয়া আকৌ আহি
পুনৰ জনম লৈ।

**শ্ৰীসুৰেণ দাস**
প্ৰথম ষান্মিসিক

# মা

মা, এটি সুন্দৰ শব্দ
মা, এটি সৰু শব্দ
মা, শব্দটি সৰু হ'লেও
ইয়াত লুকাই আছে ডাঙৰ অৰ্থ।
মায়ে মোক দেখুৱালে এই সুন্দৰ পৃথিৱী।
মায়ে মোক দিলে এই সুন্দৰ জীৱন।
মায়ে সুখ-দুখ প্ৰতিটো মুহূৰ্ত্তে
মোক দিয়ে সংগ,
মা অবিহনে হৈ পৰিব
মোৰ জীৱন নিসংগ।
মাক মই দিব খোজো সকলো মূল,
মোচন কৰিব খোজো সকলো দুখ।
মা যেন মোৰ লগত থাকে সদায়
এয়া মোৰ অন্তৰৰ কামনা।
কাৰণ মা হৈছে মোৰ জীৱনৰ
সাধনা।।

**শেইখ আছমিনা ফিবড'ছ**
পঞ্চম ষান্মিসিক

প্ৰয়াত আব্দুল কালামৰ সোঁৱৰণত

# যত্ন কৰিলে ৰত্ন পায়

ৰামেশ্বৰমৰ এটি মধ্যবিত্ত পৰিয়াল
মা আচিয়াম্মাৰ গৰ্ভত,
ধৰিলো জনম মই
পিতৃ জয়নাল আবেদীনৰ ঘৰত।
মজিয়াত বহি কলপাতত ভাত
লওঁ তাতকা আচাৰৰ জুতি,
সুশ্ৰী মা-দেউতাৰ কেইবাটাও ল'ৰা-ছোৱালীৰ
ময়ে আছিলো চাপৰচুটি।
পিতাই কৰিছিল নাৱেৰে বেপাৰ
বয়স মোৰ হয় বছৰ,
শ-মাইল বেগৰ ধুমুহাই
উৰুৱাই নিলে চেথুক্কাৰাইৰ ভূ-খণ্ডৰ।
দেউতাৰ নাছিল আনুষ্ঠানিক শিক্ষা
চলাইছিল কোনোমতে পৰিয়াল,
ল'ৰাকাল ময়ো কৰিছিলো
খবৰ কাগজৰ বিলনীয়াৰ।
শ্বাৰ্টজৰ পৰা মই যেতিয়া
ৰামেশ্বৰমলৈ যাওঁ
ষ্টেশ্যন ৰোডত ৰেচনৰ দোকানত
খাদ্য বস্তু বিক্ৰী কৰিবলৈ লওঁ।
চেণ্ট জোচেফ কলেজত মই
বি এছ চি পাছ কৰো,
এম আই টি পঢ়িবলৈ নিঃকিন বালকে
জোহৰা ভনীৰ গহনা বিক্ৰী কৰো।
এম আই টিৰ পৰা নবিচ হৈ
বাংগালোৰ এইচ এ এল লৈ যাওঁ,
তাত মই বিমান ইঞ্জিনৰ
ঘূৰণশীল অক্ষদণ্ড চাওঁ।
১৮ জুলাই চন ১৯৮০
উৎক্ষেপণ কৰিলো এছ এল ভিত
ব্লক হাউচত চিঞৰি ক'লো
ভাৰতীয় বিজ্ঞানী ইতিহাসত আজি।
যত্ন কৰিলে ৰত্ন পায়
কথাষাৰ যে সঁচা,
ময়ে ড° এ পি জে আব্দুল কালাম
এদিন হ'লো ৰাষ্ট্ৰনেতা।

**শ্ৰীদীপক কুমাৰ**
প্ৰাক্তন ছাত্ৰ

(বিঃদ্ৰঃ- কবি দীপক কুমাৰ বৰ্তমান শংকৰদেৱ শিশু নিকেতন পাতিদৰঙৰ আচাৰ্য্য।)

# তোমাৰ প্ৰতীক্ষাত

বুকুত এবুকু শীতল জোনাক লৈ
তোমাৰ বাবেই আছো মই ৰৈ
সময় বালিচৰত পোত গ'ল
কেইবাটাও নিয়ৰ সনা কোমল পুৱা
মাথো তোমাৰ প্ৰতীক্ষাতে।
পাৰ কৰিলো ক'ত বিফল সন্ধিয়া
তোমাৰ নীলিম চকুৰ গভীৰতাত
মই দেখা পাওঁ সেউজীয়া প্ৰেমৰ সোঁত
তোমাৰ বুকুত বিচাৰি পাওঁ।
প্ৰভাতী সুৰুযৰ ৰক্তিম আলোক
মনত মোৰ অদম্য হেঁপাহ
এবাৰ ময়ো তোমাক লগ পোৱাৰ আশা
চকুৰ কথাৰে এবুকু মনৰ কথা কোৱা।

**শ্ৰীহিৰকজ্যোতি কুমাৰ**
বি এ, প্ৰথম ষণ্মাসিক

# প্ৰেম

প্ৰেম এটি কামনাহীন ওলাম অনুভৱ
ই লৈ আহে হৃদয়লৈ সহৃদয়ৰ শুভবাৰ্তা
বাগিচাত ফুলি ৰোৱা ফুলৰ দৰেই
প্ৰেম অনিন্দিতা
যিয়ে হৃদয়ত তুমি নিজৰাৰ ঢৌ
ধুই নিয়ে মনৰ কলুষতা
তথাপি কিয় জানো
সপোন হৈ অহা আপোনজন কেতিয়াবা
গুচি যায়
বুকুৰ সেউজীয়া মৰমবোৰ মোহাৰি
প্ৰেম কিজানি এনেকুৱা
য'ত,
এন্ধাৰত হেৰাই যোৱা পোহৰ বিনুৰ দৰে
হৃদয়হীনৰ আঘাতত
চুৰমাৰ হৈ যায় হৃদয়
এতিয়াও মই অপেক্ষাৰত সেই ক্ষণলৈ
য'ত উজনি ৰব প্ৰেম
আঘাতহীন পবিত্ৰতাৰ সোণালীৰ ৰেঙণিৰে
চিৰযুগমীয়া হৈ চিৰকাললৈ।

শ্ৰীসুৰেশ দাস
প্ৰথম যাম্মিসিক

# মোক শান্তি দিয়া

নিল আকাশেদি
উৰি আহিছিল
এযোৰ অবুজ শৰালি
নিজৰ মাজতে
কিবা কিবি কথা পাতি
হঠাৎ মোৰ সন্মুখতে
মাটিত পৰি হ'ল
ধাৰা শয়ী এটা শৰালী
আগলৈ চায় দেখিলো যে
হাতত কেপেটা আৰু কান্ধত
মোনালৈ আগুৱাই আহিছে
এজন মাংস ভোজী চিকাৰি
ইমানেই নিষ্ঠুৰ এই মানৱ জাতি
নিমিষতেই মাৰিলে মোৰ এই
নিষ্পাপ পখিতি
মাতিত পৰি পখীতিয়ে চিঞৰি
চিঞৰি কৈছে যে
মোক শান্তি দিয়া
মোক শান্তি দিয়া।।

শ্ৰীসোণেশ্বৰ ৰাজবংশী
বি এ, প্ৰথম যাম্মিসিক

## পৃথিৱী

উঃ কি অসহ্য যান্ত্ৰণা
পৃথিৱীৰ চাৰিওফালে দেখোন
হত্যা, ধৰ্ষণ, অপহৰণ, লুণ্ঠন
আদিৰে ভৰি আছে।
দিনে দিনে পৃথিৱীৰ মানুহবোৰ
হৈ গৈ আছে বিবেকহীন।
মানুহবোৰ হৈছে পশুৰ তুল্য
নাজানো কিয় এনে হৈছে?
লাহে লাহে পৃথিৱীখন হৈ গৈছে জটিল।
মানুহবোৰ হৈছে স্বাৰ্থপৰ,
সকলোৱে যেন নিজক লৈয়ে ব্যস্ত
কাৰোৱেই যেন কাৰো খবৰ ল'বলৈ
সময় নাই, সময় নাই ভাবিবৰ।

হে ভগবান! পৃথিৱীৰ মানুহবোৰক
জ্ঞান দিয়া নহ'লে এই
পৃথিৱীখন এদিন ধ্বংসৰ
গড়ালৈ গতি কৰিব।।

শ্ৰীভাগ্যতি দেৱী
স্নাতক প্ৰথম বৰ্ষ

## মা

ক'ত আছা মা
তুমিয়ে মোক জন্ম দিছিলা
মইটো সৌ নিলগৰ পৰা পৰা নাই।
মা-তোমাৰ কাৰণেইটো দেখিছো
এই যান্ত্ৰিক বিশাল পৃথিৱী।
মা এই পৃথিৱীত জন্ম দি
কিয় আন্ধাকাৰত ডুবাই থৈ গ'লা
ভুগিছো এক দুখ যন্ত্ৰণা।
আজিৰ সমাজৰ অৰ্থলোভী ভদ্ৰলোকৰ
প্ৰেমত বলীয়া হৈ সন্তানৰ অস্তিত্বকে পাহৰি গ'লা।
এই বিশাল হৃদয়ৰ পৰা
মা শব্দটো কিয় বিলুপ্ত কৰিলা?
কি শান্তিৰে আছা মা মা মা....
মই এতিয়া অকলশৰীয়া
পৰিচয়ে মোৰ জাৰজ।।

শ্ৰীমণিকা বৰুৱা
স্নাতক প্ৰথম বৰ্ষ

## The Sun

The sun is a big ball
but sun is bright;
The sun shine by day
And the sun is above us.

The sun reis in the east
And sets in the west,
The earth moves round the sun
And the sun's ray's are golden.

We get light from the sun,
The sun is the stor house of energy.
And sun is a big star
Thanks you the sun....

**Sri Jiban Jyoti Rajbongshi**
5th Semester

# আৱেগ

মোৰ শিতানৰ গাৰুটো তিয়াই
যাবা নেকি বাৰু তুমি আঁতৰি সঁচাই
নিদিয়া নেকি মোক সহাৰি তোমাৰ।
নিদিলেও নেলাগে তোমাৰ সহাৰি
তথাপি থাকিব পাৰিম মই জীয়াই।
তুমি যদি সঁচাই যোৱা আঁতৰি
মোৰ হাতত তুলি দিবা
বেদনাৰ পিয়লাটি আৰু দি যাবা
এটি বিষাক্ত টোপোলা নাইবা টিখাৰে
গঢ়োৱা এখন তীক্ষ্ণ তৰোৱাল।
তুমিতো যাবাই মোৰ পৰা আঁতৰি
তেনেহ'লে তুমি মোক অযথা মৰমবোৰ
কিয় দিছিলা হৃদয় উপচায়।
এতিয়া মাথো মই তোমাৰ প্ৰেমত
মতলীয়া হোৱা এজন পাগল
যাৰ নাই কোনো শুৱলা ভাষা
নাই কোনো চেহেৰা
সঁচাই জানা মই এজন প্ৰেম পাগল
যিয়ে তোমাৰ প্ৰেমত হাবু ডুবু
খাই উপঙি আছো
মাথো তোমাৰ মৰমত।।

মিছ চেলিমা বেগম
স্নাতক তৃতীয় বৰ্ষ, পঞ্চম ষাণ্মাসিক

# আশা

মনত আছিল বহুতো আশা
ক'বলৈ নাই হৃদয়ৰ ভাষা।
আশাবোৰ কিয় জানো হ'ল নিৰাশা
নুবুজিলো মই এই কথাষাৰি
নিজক লৈ দেখিছিলো বহুতো সপোন
কিয় বাৰু দেখা সপোনবোৰ নহ'ল
বাস্তৱত পৰিণত?
এইবোৰ ভাবি মই থাকো ৰাতি উজাগৰে
মাজনিশা মোৰ চকুলো নিগৰে।
আগৰ জনমত কৰিছিলো নেকি কিবা পাপ
'ভগৱান', তাৰ কাৰণে মোক দিলা অভিশাপ
নাথাকো আৰু মই এই পৃথিৱীত জীয়াই
মৃত্যুৰ বাহিৰে আৰু মোৰ
আন উপায় নাই।।

শ্ৰীঅৰ্চনা দাস
স্নাতক দ্বিতীয় বৰ্ষ

# Life

Life is a song
Which every one has to sing
Life is a dream
We have to make it real.

Life is a teacher
It teaches us many lessongs
Life is a game
We have to play it.
Life is a journey
We have to travel it
Life is a destination
We have to reach it.
Life is a challanged
We have to accept it.
Life is a very short
So we should lead it heartity.

**Miss Mina Begam**
TDC 3rd Semester

# স্মৃতি

তোমাৰ স্মৃতিয়ে মোক
 বৰকৈ আমনি কৰি আছে,
কিয়নো তোমাৰ বাহিৰে
 এই পৃথিৱীত একো নাই যেন লাগে,
'মা' তুমিয়ে কোৱাচোন বাৰু
 তোমাতকৈ ডাঙৰ বস্তু
মই জানো এই
 পৃথিৱীত আৰু পাম,
যাৰ বাবে পৃথিৱীখন
 এন্ধাৰ হৈ যায়।
মা মাথো তোমালৈ
 মনত পৰে আৰু
তোমাৰ কোলাত বহি
 থাকোতে তুমি দিয়া মৰম
লাল পালন কৰা
 স্মৃতিবোৰে মোক বৰকৈ
আমনি কৰে বৰকৈ।।

নাজমা বেগম
তৃতীয় ষাণ্মাসিক

# জীৱন

কোনেও যিটো বুজা নাই
অথবা বুজাৰ চেষ্টা কৰা নাই
সেয়াই কিজানি জীৱন।
মৃগনাভিৰ সুঘ্ৰাণকাতৰ হাৰিণাটোৰ দৰে
জীৱনৰ সংজ্ঞা বিচাৰি
ভ্ৰমি ফুৰে প্ৰতিটো জীৱই
ওৰেইটো জীৱন।।

শ্ৰীচন্দন ডেকা
প্ৰথম ষাণ্মাসিক

# এই বতাহ জাকে

এই বতাহ জাকে
 শেৱালী ফুলৰ সুবাস আনে।
এই নিয়ৰবোৰে
 চিনাকি মনৰ বাতৰি আনে।
সৌ তৰালীও উজালিল
 জোনাকীও জিলমিল।
তুমি কিয় অহা নাই
 তোমাক পাবলৈ মন উতলা কৰে।

শ্ৰীচন্দন ডেকা
প্ৰথম ষাণ্মাসিক

# মৰমৰ অভিস্মিতা

মৰমৰ অভিস্মিতা
এতিয়া কেনে আছা...?
সপোন দেখি
আজি মই হতাশাত পৰিলো
তুমি অবিহনে
মই?
কিন্তু, মই অবিহনে তুমি আজি সম্ভৱ।
মই তোমাক শাৰীৰিকভাৱে নহয়,
মানসিকভাৱে ভাল পাইছিলো।
সেই,
বগা কাগজ টুকুৰাৱ
মই তোমাক ভাল পাওঁ
কথাফাকি যে মূল্যহীন।
মই আজিহে বুজিছো।।

শ্ৰীপ্ৰণৱ শৰ্মা
স্নাতক প্ৰথম বৰ্ষ, প্ৰথম ষাণ্মাসিক

# মৰমৰ দেউতা

দেউতা আমাৰ বৰ মৰমৰ
বৰ ভাল পাওঁ আমি
তেওঁৰ ত্যাগৰ ফলতে
মানুহ হ'লো আমি।
সৰু হৈ থাকোতে আমাৰ কাৰণে
ক'তনো সহিলে ক্লেশ,
নাই দুখ ভাগৰ দিন-ৰাতিৰ চিন
মুখত সদায় হাঁহিৰ ৰেশ।
সৰু হৈ আছিলো একোকে নাজানো
নাই জুই পানীলৈ ভয়
কেতিয়াবা মৰমত কেতিয়াবা খঙত
তেওঁ আহি দাঙি লয়।
বাৰিষা কালত মেঘে গাজিলে
দেউতাই সাৱতি লয়,
শিলায়ৰ হোৱা শুনিলে তেতিয়া
আমাক কোনে পায়।
বোকা পানী গচকি স্কুললৈ যাওঁতে
দেউতাই কোলাত হৈ
কিতাপ ফলিৰ মোনাৰ সৈতে
আহে আগবঢ়াই থৈ।
পুৱা-গধূলি পঢ়াৰ মেজত
থাকোঁতে কিতাপ পঢ়ি
বিচনীৰে বিচি মুৰত হাত বুলাই
দেউতা থাকে ওচৰতে বহি
ভাওনা-সবাহ, বিয়া-উৎসৱলৈ
দেউতাৰ হাতত ধৰি
আটাইকেইটা ভাই-ভনী আমি
যাওঁ আনন্দ কৰি।
খেতিপথাৰ একো বাদ নাই
যেতিয়াই যি মন যাই,
মৰণাত ঘূৰো দেউতাৰ লগত
এছাৰিৰে গৰু কোৱাই।
দেউতাৰ লগত বাৰিষা কালত
মাছ-পুঠি ধৰি
কিমান যে আনন্দ পাওঁ
দেউতাই অনা পকা ফল
হেঁপাহ পলুৱাই খাওঁ।
পূজাৰ বতৰত দেউতাৰ হাতত ধৰি
পূজা চাবলৈ যাওঁ।
দোকানৰ পৰা দেউতা কি কিনা
গৰম জেলেপি খাওঁ
দোকানত ওলোৱা পূজাৰ খেলনা
দেউতাই দিয়ে কিনি
নিজৰ বস্তু ভগাই লওঁ
আটায়ে ঘৰলৈ আনি।
পিতা স্বৰ্গ পিতা ধৰ্ম
পিতাই সকলোৰে মূল
তেওঁক নামানি কেতিয়াও
জীৱনত নকৰোঁ ভুল।

**শ্ৰীকৰিশ্মা দাস**
স্নাতক প্ৰথম বাৰ্ষিক

# দেউতা

দেউতা মোৰ মৰমৰ
তৰা হ'লা আকাশৰ।
দাদা আৰু মই
শেষ কৰিব নোৱাৰো
তোমাৰ কথা কৈ।
তোমাৰ দৰে ককাই আমাক
সদায় মৰম কৰে
মাইজনীয়ে মাজে মাজে
মন মাৰি থাকে।
তুমি যে আমাক কৈছিলা
ভালদৰে পঢ়ি-শুনি
ভাল মানুহ হ'বা
তোমাৰ কথা মনত ৰাখি
ভাল মানুহ হ'ম চাবা।
দেউতা তুমি আকাশৰ পৰা
চাই থাকিবা।

**শ্ৰীৰিতামণি কলিতা**
প্ৰথম বৰ্ষ

# তোমাক নোপোৱাৰ বেদনা

অন্ধকাৰ নিশাৰ এটি ক্ষণত
অকলশৰে মই
নিৰৱে আলাপ কৰিছিলো
জীৱনৰ সুখ দুখৰ পৃষ্ঠা।
নিশাৰ গভীৰতাত
মৃদু বতাহৰ আচলত
গছৰ পাতবোৰ লৰিছিল
এই বতাহৰ আবেগত
মোৰ মন পাখি মেলিছিল
এখন গোপন মিঠা ঠাইলৈ
য'ত আছে এক
নিজস্ব শান্তিৰ জীৱন।
জোনাকী পৰুৱাৰ
ৰুণ জুন গুণনিত
মোৰ হৃদয়ত বাজিছিল
শুনা নুশুনাৰ এটি কোমল সুৰৰ গীত।
মই ভাৱনাৰ মাজতে বুৰ গৈ
নিজকে হেৰুৱাই পেলাইছিলো
মাথো বিচাৰি পাইছিলো
আশা নিৰাশাৰ এটি
বেদনাৰ জীৱন....।

শ্ৰীউজ্জ্বল দাস
বি এ, প্ৰথম যাণ্মিসিক

# প্ৰকৃতি

মোৰ জীৱনটোৱে যেন ধুলিময়
পছোৱাই কাণে কাণে যেন কিবা কয়!
খৰাং হৃদয়খনেও বৰষালৈ বাট চাই
বাৰে বাৰে মোক কিয় নিঠৰুৱা কৰি যায়?
ককাদেউৰ আশাভৰা চকুযুৰি
তাতে মোৰ হেঁপাহৰ প্ৰতিচ্ছবি
ধুলিৰ ওৰণিৰে শ্যামলী প্ৰকৃতি
তোমাৰ অপেক্ষাত মন উদুলি মুদুলি।
বিমূৰ্ত অভিলাষেৰে মোৰ মনে বিচাৰে
ৰিমঝিমকৈ কিবা যেন সপোনহে চৰে।
বৰষালৈ গভীৰ আস্থা
ককাদেউৰ একুৰি আশা
দিঠক কৰিবানে তুমি বৰষা?
স্মৃতিৰ চৌৱে খেলা নোবানৈৰ দেহা
উদং হৈয়েই ৰ'ল, তুমিনো কেতিয়া আহিবা?
খিৰিকি মুখেৰে আকাশলৈ চাওঁ
দিগন্তত সপোনৰ ৰহঘৰা পাওঁ।

মাইনুল আলি
প্ৰথম যাণ্মিসিক

# শিলত স্থাপিত ইতিহাস

তুমি শিলত স্থাপিত সময়ৰ ইতিহাসৰ
ৰমীয়া হৈ আছা নেকি?
যুগ-যুগান্তৰৰ পৰা
শেলুৰৈ ধৰা সপোনৰ...।

কেনেকৈ উৰি গ'ল হেঁপাহবোৰ
বতাহত মিলি
বিচাৰি যাব খোজা নেকি তুমিও
চৰাইজাকৰ পাখি পিঠিত গুজি?
শিলত ভৰ দি থিয় হৈ
আছা যে তুমি
আহিবা নেকি বতাহত শিলৰ দুৱাৰ ভাঙি
সুৰৰ পানেশৈ উৰুৱাই
সাজিবাহি নেকি সপোনৰ তাশীঘৰা
অতীত বুৰঞ্জী নে।

আছে যদিও শিলৰ ধমনী
তথাপিও শৰীৰত নবয় তেজৰ স্ৰোত
হৃদয় আছে যদিও অনুভূতিৰ চুনামীহীন
মন থাকিও ল'ব পৰা নাই
তেতেলীপকাৰ সোৱাদ
প্ৰেম আছে যদিও শৰীৰত ইয়াৰ
শিহৰণ নজগায়....?

কোনোবা নিপুন শিল্পীৰ হাতত প্ৰাণপোৱা
তুমি কোন?
কোন সময়ৰ ইতিহাস....?

শ্ৰীচুমিতা ৰাজবংশী
স্নাতক দ্বিতীয় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

# তুমি আৰু মই

নিজাত পৰত মুক্ত আকাশৰ তলত
তোমাক অনুভৱ কৰো
তুমি ক'ত....
পাম জানো বিচাৰি তোমাক
মোৰ আকলুৱা হৃদয়ৰ মাজত
পামনে বাৰু তোমাক
লগ ধৰা অংগৰ ঠাইত?
মনত পৰেনে....
কোৱা কথাবোৰ কেতিয়াবা?
হৃদয়ে অনুভৱ কৰেনে শব্দৰ অনুভূতি?
পাৰিবা জানো তুমি
অনুভূতি ৰোমন্থন কৰিব
বিচাৰি পাবানে....
আমাৰ চিৰসত্য কথাবোৰ
মা কামাখ্যাৰ মন্দিৰত ধৰি
চিৰদিন যোৰেই হ'ম বুলি
তুমি কোৱা কথাবোৰ
নিদিবা নিদিবা ভাঙি মোহাৰি
নিষ্পাপ বন্দী হৃদয় দুখনী।।

শ্ৰীপ্ৰকাশ কাশ্যপ
স্নাতক প্ৰথম বৰ্ষ, প্ৰথম ষাণ্মাসিক

# যদি তেনে হয়

কেতিয়াবা নিসংগতাই গ্ৰাস কৰিলে
আপোনাৰ সত্তাক
তেতিয়া মোলৈ মনত পেলাব
মই আপোনাৰ নিসংগতাক
গিলি থম গো-গ্ৰাসে
আপোনাৰ অলিক্ষিতে
যদি কেতিয়াবা
আপোনাৰ দুচকুত নামে শাওন
তেতিয়াও মোলৈ মনত পেলাব
আপোনাৰ সমস্ত চকুলো
পলকতে আৱদ্ধ কৰিম মই
আচলতে কান্দিবলৈ ময়ো যথেষ্ট
দুখৰ সতে তেতিয়াও
মিতিৰালি নকৰিব
কিদৰে সহিম মই
আপোনাৰ উদ্দীপ্ত দুচকুত যতনাৰ ওলমণি?
আজুৰি আনিম আপোনাৰ পৰা
বেদনা আৰু যতনাৰ অশান্ত সুৰবোৰ
তুলি দিম আপোনাৰ দুহাতত
মোৰ ১৮টা বসন্তৰ সাঁচতীয়া গান...।

**শ্ৰীঅনামিকা কুমাৰ**
স্নাতক দ্বিতীয় বৰ্ষ

# জালুকবাৰীৰ আকাশত জ্বলিছে জুই

জালুকবাৰীৰ আকাশত জ্বলিছে জুই
কৃষ্ণচূড়া হৈ থোপাথোপে
সপোন ফুলিছে,
ছয় নম্বৰ চিটিবাছৰ বুকুত
জাক-জাক সপোনৰ ভিৰ
মালিগাঁও, ফাঁচীবজাৰ, পানবজাৰ,
পোৱা আৰু নোপোৱা।
মিশ্ৰিত সমাহাৰ
জালুকবাৰীৰ আকাশত জ্বলিছে জুই,
পুৰি ছাঁই হৈছে মাৰ্কেটৰ আবেলি
পুৰি ছাঁই হৈছে হোষ্টেলৰ গধূলী,
অব্যক্ত হাহাকাৰ বুকুত বান্ধি
পুৰি ছাঁই হৈছে সমগ্ৰ গুৱাহাটীৰ
আৰু জালুকবাৰী।
জালুকবাৰীৰ আকাশত জ্বলিলে
প্ৰেমৰ জুই আৰু সন্ধিয়াৰ পৰিৱেশ।

**দিদাৰ হুছেইন**

# জীৱনৰ ধুমুহা বতাহ

মোৰ জীৱনৰ ধুমুহা বতাহ এজাক বলিছে।
কিয় বাৰু সেই ধুমুহা বতা জাকে,
কিয় বাৰু মোৰ সপোনবোৰ
ভাঙি-চিঙি ঠান বান কৰি
মোক উৰুৱাই নিব বিচাৰিছে
মই নিজেয়ে ক'ব নোৱাৰো
মোৰ জীৱনত এনেকোৱা বতাহ কিয় আহিল
সেই ধুমুহা বতাহ জাক এনে একো নহয়
যি চিনি নাপাই।
বা দেখাও নাই।
সেই ধুমুহা জাক হৈছে প্ৰেমৰ ধুমুহা
কিয় বাৰু মোৰ হৃদয়খন
ভাঙি-চিঙি ঠান বান কৰিলে।
হৃদয়ৰ সেই ঠান বান হৈ যোৱা
কলিজাখন কোনে দেখিব
লাহে লাহে বলা বতাহ জাকৰ
স্পন্দন মই এতিয়াও শুনি থাকো
মোৰ জীৱনত কিয় বাৰু এনেকুৱা ভাৱ হয়
মই নিজে ক'ব নোৱাৰো
মোৰ এতিয়া প্ৰেমৰ সপোন
ৰচিবলৈ ভয় লাগে
কাৰণ প্ৰেমৰ সপোন ৰচিলে সেই বতাহ
জাকে কিজানি মোক আকৌ উৰুৱাই নিয়ে।।

**শ্ৰীচিমি কলিতা (কৱিস্মা)**
প্ৰথম বৰ্ষ

# জীৱন সংগিনী

তোমাৰ নিলাভ চকুত চাব নোৱাৰো
বিষাদৰ চকুপানী।
তোমাৰ গোলপীয়া ওঠৰ কঁপনিত
শুনিব নিবিচাৰো বিষাদৰ আৰ্তনাদ
তোমাৰ বগা চুৰিদাৰ যোৰেৰে
তোমাক পৰি যেন লাগে
কোননো তুমি দিবা নেকি
তোমাৰ হৃদয়ৰ চাবি কাঠি।
এটি পল এটি নিশাৰ বাবে
নহয় যে এই মৰম তোমাৰ বাবে
বিচাৰিছো তোমাক ওৰেতো জীৱন
মোৰ বুকুৰ মাজত।
চকুৱে জানো সহিব পাৰে হৃদয়ৰ বেদনা
হৃদয় যেতিয়া ভাঙে চকুলো বাগৰে নিৰবে
তাৰ মূল জানো আনে বুজে
হৃদয় ভঙা জনেহে বুজে।
ডাৱৰৰ আঁৰত তৰাতি লুকালে
লুকা ভাকু খেলিছে জোনে,
তুমি আহিবা বুলি বাট চাই আছো মই
মন যে বিষাই প্ৰতিক্ষণে।।

**শ্ৰীদিগন্ত কলিতা**
স্নাতক তৃতীয় বৰ্ষ

# সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিৰ অসমী আইৰ জাতীয় অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণহুটি দিয়া চিৰ নমস্য বীৰসকলৰ লগত যিসকল ব্যক্তিৰ অশেষ কষ্টৰ বিনিময়ত পাতিদৰং মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে সেইসকল মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা যাচিলো। ইং ২০১৪-১৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সম্পাদক পদত মোক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনত জাতীয়তাবাদী ভাৱধাৰাৰ সুহৃদয় ছাত্ৰ-ছাত্ৰী তথা সহপাঠীয়ে মোক সাধাৰণ সম্পাদকৰ দৰে পদ এটাত নিৰ্বাচিত কৰি আমাৰ এই মহান অনুষ্ঠানখনিৰ সেৱা আগবঢ়োৱাৰ কাৰণে সুযোগ দিলে সেইসকল শ্ৰদ্ধাৰ দাদ, বাইদেউ, ভাইটি, ভণ্টি আৰু মোৰ মৰমৰ বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ইং ২০১৪-১৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত আমি বিভিন্ন অসুবিধা সন্মুখীন হ'ব লগা হৈছিল। সাধাৰণ সম্পাদকৰ দৰে এক গুৰুত্বপূৰ্ণ ভাৰগ্ৰহণ কৰি কিমানখিনি সফল হ'ব পাৰিছো, তাক মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল তথা সমূহ ছাত্ৰ-ছাত্ৰীয়ে বিচাৰ কৰিব, ভবামতে সফলতা লাভ কৰিব নোৱাৰো যেন লাগিলেও অধ্যক্ষা মহোদয়াৰ সহায় সহযোগিতা আৰু শিক্ষাগুৰু সকলৰ পৰামৰ্শৰ মাজেৰেই সুচাৰুৰূপে দায়িত্ব পালন কৰিছো।

সমাজ-সাংস্কৃতিৰ আদৰ্শৰ মূল ভেটি শিক্ষা আৰু শিক্ষাই হ'ল সমাজৰ মূল খুটি। সেয়েহে আমি ছাত্ৰ-ছাত্ৰীয়ে ইয়াক জীয়াই ৰাখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগে আৰু সকলো ৰ মাজত জাতি, ধৰ্ম, ভেদ থাকিব লাগে। এয়ে মোৰ অনুৰোধ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীসকলৰ বাবে।

ইং ২০১৪-১৫ ছাত্ৰ একতা সভাৰ শপত গ্ৰহণ কৰাৰ পিছত জানুৱাৰী মাহত চাৰিদিনীয়া কাৰ্যক্ৰমণিকাৰে মহাবিদ্যালয়ৰ খেল প্ৰতিভা অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, শাৰীৰিক আৰু সাংস্কৃতিক বিকাশৰ বাবে পতা মহাবিদ্যালয়ৰ সপ্তাহক বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি তেনেই কম। মোৰ এই বিনম্ৰ অনুৰোধ সকলো পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ এয়ে যে আগন্তুক মহাবিদ্যালয়ৰ সপ্তাহত অংশগ্ৰহণ কৰে। লগতে বিভিন্ন উৎসৱ পালন কৰা হয়। যেনে—সৰস্বতী পূজা, মিলাদ-এ-মেহফিল, বাথৌ পূজা, শিক্ষক দিৱস উদ্‌যাপন কৰা হয়।

২৯-৮-২০১৫ তাৰিখ শনিবাৰে নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আনুষ্ঠানিকভাৱে স্বাগতম জনাবলৈ উলহ-মালহেৰে নৱাগত সভাখন অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি সাংস্কৃতিক আনুষ্ঠানৰ আয়োজন কৰিছিলো। অনুষ্ঠানত বহু কেইগৰাকী শিল্পীয়ে গীত গাই ছাত্ৰ-ছত্ৰীৰ মন আকৰ্ষিত কৰে।

পাতিদৰং মহাবিদ্যালয়খনে ২৫ বছৰ অতিক্ৰম কৰিলে যদিও অভাৱ অনাটনৰ যেন অন্ত পেলাব পৰা নাই। সেয়েহে ইয়াৰ গুৰুত্বপূৰ্ণ অভাৱ তলত উল্লেখ কৰিলো।

(ক) মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যালয়ৰ কোঠাৰ অভাৱ।

(খ) বিশুদ্ধ খোৱা পানীৰ অভাৱ।

(গ) ছাত্ৰ-ছাত্ৰীৰ চাইকেল থোৱা ঠাইৰ অভাৱ।

(ঘ) ছাত্ৰ-ছাত্ৰীৰ উভয়ৰে জিৰণী কোঠাৰ অভাৱ।

(ঙ) ছাত্ৰ-ছাত্ৰীৰ উপযুক্ত প্ৰস্ৰাৱগাৰৰ অভাৱ।

(চ) ছাত্ৰ-ছাত্ৰীৰ উপযুক্ত শৌচাগাৰৰ অভাৱ।

(ছ) উন্নত মণ্ডল পুথিভ ৰালৰ অভাৱ।

ইমানবোৰ অভাৱ অভিযোগ হোৱাৰ পিছতো মহাবিদ্যালয়ৰ শিক্ষাৰ দিশটো যথেষ্ট উন্নত পৰ্যায়ৰ।

কৃতজ্ঞতা—মোৰ কাৰ্যকালত বিভিন্ন দিশত মোক দিহা পৰামৰ্শ তথা সহায়-সহযোগ আগবঢ়োৱা অধ্যক্ষা মহোদয়া শ্ৰদ্ধাৰ শিক্ষাগুৰু মুকুতাৰ ৰহমান, তপন শৰ্মা, লগতে সমূহ ছাৰ-বাইদেউ আৰু মহাবিদ্যালয় কাৰ্যত মোক বন্ধু-বান্ধৱীসকল জিতু, দিগন্ত, মিনাল, জিতুমণি, জোণালী, কৰবী, চবিনা, ৰিজুক ধন্যবাদ জ্ঞাপন কৰিছো।

শেষত পাতিদৰং মহাবিদ্যালয়ৰ উন্নতি আৰু সফলতা কামনা কৰি কাৰ্যকালত জ্ঞাত-অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো।

**জয় আই অসম**
**জয়তু পাতিদৰং মহাবিদ্যালয়**
**জয়তু পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা**

শ্ৰদ্ধাৰে—
**হিৰক জ্যোতি ৰাজবংশী**
সাধাৰণ সম্পাদক
ছাত্ৰ একতাৰ সভা, পাতিদৰং মহাবিদ্যালয়,
ইং ২০১৪-১৫ বৰ্ষ।

# আলোচনী সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ চেষ্টা আৰু ত্যাগৰ বিনিময়ত পাতিদৰং মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে সেই সকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সোঁৱৰিছো লগতে আন্তৰিক কৃতজ্ঞতা জনাইছো।

ইং ২০১৪-১৫ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক ভোট দি জয়যুক্ত কৰি আলোচনা বিভাগৰ সম্পাদক হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ শুভকাংক্ষী, বন্ধু-বান্ধৱী সকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু অভিনন্দন জনালোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছত মহাবিদ্যালয়ত খেল প্ৰতিভা সপ্তাহ আৰম্ভ হয়। ইয়াৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ প্ৰাচীৰ প্ৰত্ৰিকাখন উন্মোচন কৰা হয় লগতে চাৰিটা শিতানৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি পুৰস্কৃত হৈছে। মোৰ কাৰ্যকালত বিভিন্ন দিশত উৎসাহ অনুপ্ৰেৰণা তথা সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱীলৈ মোৰ অভিনন্দন জ্ঞাপন কৰিলোঁ।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয় অধ্যক্ষা তথা শিক্ষাগুৰু সকললৈ শ্ৰদ্ধা যাচি পাতিদৰং মহাবিদ্যালয়ৰ গৌৰবোজ্বল ভৱিষ্যৎ কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিছো আৰু অজানিতে কৰি অহা ভুলৰ বাবে সকলোৰে ওচৰতে মা বিচাৰিছোঁ।

"জয় আই অসম
জয়তু পাতিদৰং মহাবিদ্যালয়"

—জিতু ডেকা
আলোচনী সম্পাদক
পাতিদৰং মহাবিদ্যালয়



# গুৰুখেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল মহান ব্যক্তিৰ চেষ্টা আৰু ত্যাগৰ বিনিময়ত পাতিদৰং মহাবিদ্যালয়খনে জন্ম লাভ কৰিলে সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সোঁৱৰিছো।

ইং ২০১৮-১৫ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত গুৰু খেল বিভাগৰ বিনা প্ৰতিদণ্ডিতাৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিৰ্বাচিত কৰি মহাবিদ্যালয়ত সেৱা আগবঢ়োৱা সুযোগ দিলে তাৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ইং ২০১৪-১৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয়ৰ খেল প্ৰতিভা সপ্তাহ আৰম্ভ হয়। প্ৰতিভা সপ্তাহত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উলহ মালহেৰে অংশগ্ৰহণ কৰে আৰু যি সকল ছাত্ৰ-ছাত্ৰীয়ে খেল প্ৰতিভা সপ্তাহত অংশগ্ৰহণ কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ গৌৰৱ উজ্বল ভৱিষ্যৎ কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিছো আৰু অজানিতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

"জয় আই অসম"

"জয়তু পাতিদৰং মহাবিদ্যালয়"

**মহঃ আফতাবুদ্দিন আলী**
গুৰুখেল বিভাগৰ সম্পাদক
পাতিদৰং মহাবিদ্যালয়



# ছাত্র জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণি যি সকল মহান ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ আৰু প্ৰচেষ্টাত এই মহান অনুষ্ঠানটি গঢ়ি উচিত। সেইসকল মহান ব্যক্তিলৈ কৃতজ্ঞতা জনাইছো।

মই ২০১৪-২০১৫ ইং চনৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠা সম্পাদক বিভাগত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হ'লো আৰু কাৰ্যভাৰ গ্ৰহণ কৰোঁ।

সৰ্বশেষ পাতিদৰং মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

*শ্ৰীজিতু মণি ডেকা*
*ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক*

# পাতিদৰং মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদকবৃন্দ

| সংখ্যা | বৰ্ষ | সম্পাদক |
|---|---|---|
| ১ | ১৯৮৯-১৯৯০ বৰ্ষ | শ্ৰীলংকেশ্বৰ ডেকা। |
| ২ | ১৯৯০-১৯৯১ বৰ্ষ | শ্ৰীসবিতা দাস |
| ৩ | ১৯৯১-১৯৯২ বৰ্ষ | শ্ৰীতৰ্জন দাস |
| ৪ | ১৯৯২-১৯৯৩ বৰ্ষ | শ্ৰীবনমালী দাস |
| ৫ | ১৯৯৩-১৯৯৪ বৰ্ষ | শ্ৰীসত্যেন্দ্ৰ কলিতা |
| ৬ | ১৯৯৪-১৯৯৫ বৰ্ষ | শ্ৰীকৃষ্ণকান্ত ডেকা |
| | প্ৰকাশ নহ'ল (১৯৯৫-১৯৯৬ বৰ্ষ) | |
| ৭ | ১৯৯৬-১৯৯৭ বৰ্ষ | শ্ৰীভৈৰৱ ডেকা |
| ৮ | ১৯৯৭-১৯৯৮ বৰ্ষ | শ্ৰীকমল নাৰায়ণ বৈশ্য |
| ৯ | ১৯৯৮-১৯৯৯ বৰ্ষ | মহঃ মোজামিল হক |
| ১০ | ১৯৯৯-২০০০ বৰ্ষ | শ্ৰীতপন চন্দ্ৰ ডেকা |
| ১১ | ২০০০-২০০১ বৰ্ষ | শ্ৰীনৱজিৎ ডেকা |
| ১২ | ২০০১-২০০২ বৰ্ষ | মহঃ নজৰুল ইছলাম |
| ১৩ | ২০০২-২০০৩ বৰ্ষ | শ্ৰীৰমণী শৰ্মা |
| ১৪ | ২০০৩-২০০৪ বৰ্ষ | মহঃ মুস্তাকিন হক |
| ১৫ | ২০০৪-২০০৫ বৰ্ষ | শ্ৰীমিণ্টু কুমাৰ বেজবৰুৱা |
| ১৬ | ২০০৫-২০০৬ বৰ্ষ | শ্ৰীহেৰম্ব শৰ্মা |
| ১৭ | ২০০৬-২০০৭ বৰ্ষ | শ্ৰীৰাকেশ কুমাৰ ডেকা |
| ১৮ | ২০০৭-২০০৮ বৰ্ষ | শ্ৰীঅম্বিকা প্ৰসাদ বড়ো |
| ১৯ | ২০০৮-২০০৯ বৰ্ষ | শ্ৰীভদ্ৰেশ্বৰ দাস |
| ২০ | ২০০৯-২০১০ বৰ্ষ | মহঃ ছহিদুল ইছলাম |
| ২১ | ২০১০-২০১১ বৰ্ষ | শ্ৰীমানব ডেকা |
| ২২ | ২০১১-২০১২ বৰ্ষ | শ্ৰীদিপ্তী ডেকা |
| ২৩ | ২০১২-২০১৩ বৰ্ষ | শ্ৰীসোনাতন ডেকা |
| ২৪ | ২০১৩-২০১৪ বৰ্ষ | মহঃ চমচেৰুদ্দিন আহমেদ |

২৫তম্ সংখ্যাৰ ২০১৪-১৫ বৰ্ষৰ আলোচনী সম্পাদক শ্ৰীজিতু ডেকাৰ সম্পাদনাত আৰু বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক শ্ৰী ধীৰাজ তালুকদাৰৰ তত্বাৱধানত প্ৰকাশিত ও প্ৰচাৰিত।




২০১৪-২০১৫ বৰ্ষৰ আলোচনী সম্পাদনা সমিতি



২০১৪-২০১৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ একাংশ




নৱাগত আদৰণি সভাৰ বিশেষ মুহূৰ্তত ছাত্ৰ-ছাত্ৰী তথা শিল্পীবৃন্দ

